## প্ৰথম খণ্ড

প্ৰথম বিভাগ ঃ অসমীয়া ৰোমাণ্টিক কবিতা (প্ৰথম তৰঙ্গ)-ৰ সাধাৰণ আলোচনা

দ্বিতীয় বিভাগ ঃ কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা 'অজেয়'

তৃতীয় বিভাগ ঃ কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য

চতুৰ্থ বিভাগ ঃ কবি হেমচন্দ্ৰ গোস্বামীৰ কবিতা 'পুৰা'

পঞ্চম বিভাগ ঃ কবি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা 'মালতী'

## প্ৰথম বিভাগ
## অসমীয়া ৰোমাণ্টিক কবিতা (প্ৰথম তৰঙ্গ)

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অসমীয়া ৰোমাণ্টিক কবিতা (প্ৰথম তৰঙ্গ)ৰ সাধাৰণ আলোচনা
১.৪ ৰমন্যাস যুগ (প্ৰথম তৰংগ)ৰ কবিসকল
    ১.৪.১ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা
    ১.৪.২ হেমচন্দ্ৰ গোস্বামীৰ কবিতা
    ১.৪.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা
    ১.৪.৪ মফিজুদ্দিন আহমেদ হাজৰিকাৰ কবিতা
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভ 'জোনাকী' কাকতৰ যোগেদি ১৮৮৯ চনত হয়। অসমীয়া ৰোমাণ্টিক কবিতাৰ আলোচনা প্ৰসঙ্গত মহেন্দ্ৰ বৰাই এই যুগটোক তিনিটা প্ৰধান স্তৰ বা তৰঙ্গত বিভক্ত কৰিছে। প্ৰথম তৰঙ্গৰ প্ৰধান কবি তিনিজন— চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। ৰোমাণ্টিক যুগৰ দ্বিতীয় তৰঙ্গৰ অগ্ৰণী কবিগৰাকী হ'ল ৰঘুনাথ চৌধাৰী। এই তৰঙ্গৰ আন প্ৰধানসকল হ'ল— অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতী, নলিনীবালা দেৱী আদি। ৰোমাণ্টিক কবিতাৰ তৃতীয় তৰঙ্গটো হৈছে ৰমন্যাসবাদৰ অৱক্ষয়ৰ যুগ। এইছোৱা সময়ৰ কবিতাই ক্ৰমশঃ ৰোমাণ্টিক ভাৱধাৰাৰ পৰা আঁতৰি আহিবলৈ ধৰে। জ্যোতিপ্ৰসাদ আগৰৱালা, গণেশ গগৈ, দেৱকান্ত বৰুৱা আদি এই সময়ৰ প্ৰতিনিধি।

এই বিভাগটিত ৰোমাণ্টিক কবিতাৰ (দ্বিতীয় তৰংগ) পটভূমি আৰু এই সময়ৰ প্ৰধান কবিসকলৰ কবিতাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হ'ব।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ৰোমাণ্টিক কবিতাৰ (প্ৰথম তৰংগ) পটভূমি আৰু সাধাৰণ বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব,
- চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সবিশেষ বিচাৰ কৰিব পাৰিব,

- লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ পৰ্যালোচনা কৰিব পাৰিব,
- হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সবিশেষ ব্যাখ্যা কৰিব পাৰিব, আৰু
- মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ বিষয়বস্তু ফঁহিয়াই চাব পাৰিব।

## ১.৩ অসমীয়া ৰোমাণ্টিক কবিতা (প্ৰথম তৰঙ্গ)ৰ সাধাৰণ আলোচনা

লোককবিতাৰ বিভিন্ন সম্ভাৰেৰে সমৃদ্ধ অসমীয়া কাব্যৰ ইতিহাস চতুৰ্দশ শতিকাৰ পৰা পোৱা যায় যদিও ইয়াৰ পূৰ্বৰে পৰা অসমীয়া কাব্যৰ নিটোল ৰূপ এটি হয়তো আছিল যাক আধাৰ কৰি মাধৱ কন্দলিকে প্ৰমুখ্যে অন্যান্য কবিসকলে কাব্য-চৰ্চা কৰি অসমীয়া কাব্যৰ বৰ ভেটি নিৰ্মাণ কৰিছিল। প্ৰাক্-শংকৰী, উত্তৰ-শংকৰী আদি যুগত অসমীয়া কাব্যৰ যি ধাৰাৰ প্ৰচলন আছিল সেই ধাৰা 'অৰুণোদই' সংবাদপত্ৰ প্ৰকাশ পোৱাৰ ফলত সলনি হোৱা দেখিবলৈ পোৱা গ'ল। 'অৰুণোদই' প্ৰকাশৰ লগে লগে অসমীয়া সাহিত্যত আধুনিক যুগৰ সূচনা হয় যদিও 'অৰুণোদই'ত প্ৰকাশিত কবিতা আছিল মূলতঃ উদ্দেশ্যধৰ্মী। বৈষ্ণৱ সাহিত্যৰ কাব্যৰ উদ্দেশ্যৰ পৰা আঁতৰি আহি খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ প্ৰসাৰৰ বাবে কবিতা ৰচনা কৰাৰ বাবে কবিতাসমূহৰ ব্যক্তিগত ভাবানুভূতিৰ প্ৰকাশ সীমিত আছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ সৃষ্টি ৰমাকান্ত চৌধুৰীৰ 'অভিমন্যু বধ', ভোলানাথ দাসৰ 'সীতাহৰণ' অমিত্ৰাক্ষৰ ছন্দত ৰচিত হ'লেও এনে কাব্যত ৰোমাণ্টিক কবিতাৰ লক্ষণ পোৱা নাযায়। ইয়াৰ বিপৰীতে 'আসাম বন্ধু' (১৮৮৫-৮৬) আলোচনীত প্ৰকাশিত ভোলানাথ দাসৰ 'মেঘ', 'কিয়নো নাভাগে আমাৰ মন' আদি কবিতাৰ মাজত ৰমন্যাসিক ভাৱনাৰ প্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়। অসমীয়া কবিতাত ৰমন্যাসিক ভাবনাৰ প্ৰকাশৰ ক্ষেত্ৰত 'আসাম-বন্ধু' আলোচনীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিয়নো এইখন আলোচনীৰ পাততে কাব্যচৰ্চা কৰা সত্যনাথ বৰা, কমলাকান্ত ভট্টাচাৰ্য, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ মাজত ৰমন্যাসিক ভাৱধাৰা স্পষ্ট ৰূপত প্ৰকাশিত হৈছিল। 'আসাম বন্ধু'ৰ পাতত ভুমুকি মৰা এই কবিসকলৰ কবিতাক প্ৰাক্-ৰোমাণ্টিক স্তৰৰ কবিতা বুলি অভিহিত কৰিব পাৰি।

অসমীয়া সাহিত্যত প্ৰকৃত ৰমন্যাসিক যুগৰ আৰম্ভণি হয়— 'জোনাকী' কাকত প্ৰকাশৰ পৰাহে ১৮৪৬ খ্ৰীঃত 'অৰুণোদই' আৰু ১৮৮৯ চনত 'জোনাকী' কাকতৰ মাজৰ সময়ছোৱাত 'আসাম বন্ধু'ৱে এটা সাহিত্যিক ভেটি তৈয়াৰ কৰি দিলে। আধুনিক অসমীয়া সমাজ জীৱনত এক নতুন মূল্যবোধ সৃষ্টিৰ ক্ষেত্ৰতো 'আসাম বন্ধু'ৰ ভূমিকা মনকৰিবলগীয়া। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন 'আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৰ্বৰ ভেটি নিৰ্মিত হৈছে তিনিটা প্ৰধান উপাদানেৰে— ঐতিহ্যৰ পৰা পোৱা ভাৱবাদী দৰ্শন, নব্য মানবিকতাবাদী দৰ্শন আৰু জাতীয়তাবোধ। 'অৰুণোদই'ত এই বিলাকৰ আৰম্ভণি ঘটিলেও তাত কিছু প্ৰকাৰ ভেদ আছিল। আসাম

বন্ধুৰ মাজত এই তিনিওটি উপাদান ক্ৰমাত স্পষ্ট হ'বলৈ ধৰিলে আৰু জোনাকীত লাভ কৰিবলৈ গৈ পূৰ্ণ প্ৰতিষ্ঠা।' (নগেন শইকীয়া (সম্পা.), 'আসাম বন্ধু', ভূমিকা পৃ.৩০)

ঊনবিংশ শতিকাৰ শেষভাগত কলিতালৈ উচ্চ শিক্ষাৰ বাবে যোৱা ছাত্ৰসকলৰ হাতত অসমীয়া ভাষা সাহিত্যৰ উৎকৰ্ষ চিন্তা আৰু সাহিত্যিক প্ৰচেষ্টাই গা কৰি উঠে। (মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২৫১)¼কলিকতাত পঢ়িবলৈ যোৱা ছাত্ৰসকলে প্ৰতি শনিবাৰে পাৰস্পৰিক মিলামিচাৰ বাবে আয়োজন কৰা সাধাৰণ চাহমেলখনেই পৰৱৰ্তী সময়ত সপ্তাহত দুদিনীয়া আলোচনাচক্ৰলৈ পৰিণত হ'ল। ১৮৮৮ খ্ৰী.ৰ ২৫ আগষ্টত কলিকতাৰ বুকুৰ এই চাহমেলৰ মজিয়াতে সৃষ্টি হ'ল বিখ্যাত 'অসমীয়া ভাষা উন্নতি সাধনী সভা' নামৰ যুগান্তকাৰী অনুষ্ঠানটিৰ। এই সভাৰ সৈতে সংযুক্ত প্ৰায় কুৰিজনীয়া ছাত্ৰ দলটিয়েই অসমত নৱন্যাসৰ পাতনি মেলিলে। (হেম বৰুৱা, 'ৰমন্যাসবাদ অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি', পৃ. ৪৯)¼প্ৰধানত ভাষিক জাতীয়তাবাদী চিন্তাৰ ফলস্বৰূপে সাহিত্যৰ মাজত দেখা দিয়া নতুন ভাৱাদৰ্শ আৰু দৃষ্টিভংগীয়ে অসমীয়া সাহিত্যৰ ইতিহাসত যুগান্তৰ সৃষ্টি কৰিলে। ভাৱবিষয় আৰু ৰূপ গঠন— এই কেওটা দিশৰ অভিনৱত্বৰ মাজেদি অসমীয়া সাহিত্যলৈ ৰমন্যাসিক আদৰ্শ, নতুন মূল্যবোধ আৰু ৰুচিবোধৰ প্ৰৱেশ সম্ভৱ হৈ উঠে। বংগৰ নৱজাগৰণে পাশ্চাত্য শিক্ষা, মানৱতাবাদ, উদাৰনৈতিক দৃষ্টিভংগী আৰু দেশত্মাবোধৰ প্ৰেৰণাৰ ক্ষেত্ৰ তৈয়াৰ কৰিছিল। কলিকতাত পঢ়িবলৈ যোৱা অসমৰ ছাত্ৰসকলে এই সকলোবিলাক কথা গুৰুত্ব সহকাৰে মন কৰিছিল আৰু নিজৰ মাতৃভূমি, মাতৃভাষাৰ কল্যাণৰ হকে অ.ভা.উ.সা. প্ৰতিষ্ঠা কৰাৰ লগতে ১৮৮৯ খ্ৰীষ্টাব্দত জানুৱাৰী মাহত 'জোনাকী' নামৰ যুগান্তৰকাৰী কাকতখন প্ৰকাশ কৰে। এই কাকতৰ সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱাৰ বিশিষ্ট ভূমিকাৰে 'জোনাকী' প্ৰকাশ হ'বলৈ ধৰিলে। প্ৰথম বছৰ প্ৰথম সংখ্যাতে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাতেই ৰমন্যাসৰ প্ৰায়বোৰ লক্ষণ প্ৰকাশ পালে। 'বনকুঁৱৰী' কবিতাৰ মাজত প্ৰকৃতিৰ বৈচিত্ৰ্যময় প্ৰকাশ বিস্ময়াভিভূত অৱস্থাৰে প্ৰকাশ পাইছে। চন্দ্ৰকুমাৰৰ ওপৰত এই কবিতাৰ পৰাই ইংৰাজী ৰমন্যাসিক কবিতাৰ প্ৰথম তৰঙ্গৰ কবি বিশ্ববিখ্যাত প্ৰকৃতি কবি ৱৰ্ডছৱৰ্থৰ প্ৰভাৱ পৰিলক্ষিত হ'ল। উল্লেখযোগ্য যে 'জোনাকী'ৰ কবিসকলৰ ওপৰত ইংৰাজী সাহিত্যৰ পোনপটীয়া প্ৰভাৱ আছিল। কবিতাৰ অনুশীলনৰ ক্ষেত্ৰত সেই সময়ত কলেজীয়া পাঠ্যপুথি পেলাগ্ৰভ সম্পাদিত 'গল্ডেন ট্ৰেজাৰী'ৰ ইংৰাজী ৰমন্যাসিক কবিতাসমূহ আছিল। ৱৰ্ডছৱৰ্থ, ক'লৰীজ, টেনিচন, ৰীজ, শ্যেলী, কীট্‌ছ, বায়ৰণ, ব্ৰাউনিং, আৰ্ণল্ড, টেনিচন, ব্ৰেক, গ্ৰে, ৰচেটি, চুইনবাৰ্ণ, কুপাৰ আদি কবিসকলৰ, কাব্য প্ৰবাহৰ মূল 'একেটি মাথোন ভাৱবস্তু, একেটি অনুভূতি আক একেটি মাত্ৰ পৰিস্থিতিক গ্ৰহণ কৰি অসমীয়া কবিসকলে কাব্যচৰ্চাত মনোনিবেশ কৰিলে।' (হেম বৰুৱা, উল্লিখিত গ্ৰন্থ, পৃ. ৪৯-৫০)

ইংৰাজী ৰমন্যাসিক কাব্য ৰচনাত ফৰাছী বিপ্লৱৰ মূলবাণী- ‘স্বাধীনতা, সাক্ষ্য আৰু ভাতৃত্ববোধৰ প্ৰেৰণা গভীৰ। ফৰাছী দাৰ্শনিকসকলৰ চিন্তাধাৰাই ইংৰাজ কবিসকলক উদ্ধুদ্ধ কৰি তুলিছিল। বিখ্যাত দাৰ্শনিক ৰুছোৰ প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গী আৰু মানুহৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক নিৰ্দেশনা ইংৰাজী ৰমন্যাসিক কাব্যৰ প্ৰধান লক্ষণ ৰূপে পৰিগণিত হয়। দাৰ্শনিক কাণ্টৰ প্ৰজ্ঞাৰ পোহৰত পৰম সত্তা লাভ কৰিব পৰা জ্ঞান-তত্ত্ব আৰু হেগেলৰ অসীম ৰহস্য সন্ধানী পৰাতত্ত্বই কবিসকলক প্ৰভাৱিত কৰি তোলাত জীৱনৰ ৰহস্য উদ্‌ঘাটন ৰমন্যাসবাদৰ ঘাই লক্ষণ হৈ পৰে। ফৰাছী চিন্তাজগতৰ অৱদান সৌন্দৰ্য্য সন্ধানৰ গভীৰ অনুৰাগ ইংৰাজী ৰমন্যাসিক সাহিত্যৰ অন্যতম লক্ষ্য ৰূপে পৰিগণিত হ’ল। ৰমন্যাসবাদত মূল লক্ষণসমূহ এনেধৰণৰ— ব্যক্তিসত্তাৰ প্ৰাধান্য, সাধাৰণ শ্ৰেণীৰ প্ৰতি উদাৰ মনোভাৱ, পদাৰ্থৰ ৰহস্যময়তাৰ উপলব্ধি তথা উদাৰ মনোভঙ্গী, প্ৰকৃতি প্ৰীতি, অতীতৰ প্ৰতি শ্ৰদ্ধা, ভৱিষ্যতৰ মধুৰ আৰু ৰঙীণ কল্পনা, বাস্তৱ বিমুখিতা, কল্পলোকৰ ধাৰণা, আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু প্ৰিয়াৰ ৰূপ আৰাধনা, বিশ্ব প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, সৌন্দৰ্যৰ আৰাধনা, জাগতিক সৌন্দৰ্যৰ প্ৰতি বিস্ময়-বিমূঢ় ভাব, অপাৰ্থিৱ জগতৰ ৰহস্য উদ্‌ঘাটন বা অতীন্দ্ৰিয়তা প্ৰকাশ। (হেম বৰুৱা, উল্লিখিত গ্ৰন্থ, পৃ. ১৯-২০)¼

ৰমন্যাসিক ভাৱাদৰ্শই অসমীয়া সাহিত্যত পাৰলৌকিক চিন্তা আৰু ভগৱৎ ভক্তিৰ পৰমানন্দৰ পৰিৱৰ্তে মানৱকেন্দ্ৰিক, পাৰ্থিৱ আনন্দাভিমুখী শিল্পচিন্তাৰ জন্ম দিলে। মানৱতাৰ বন্দনাত লেখকসকল মুখৰ হৈ উঠিল। সাহিত্যত ঘাইকৈ কাব্যসাহিত্যত মানৱতাৰ বন্দনা আৰু মানৱীয় আবেদনৰ প্ৰতিফলনে ৰমন্যাসিক জীৱনদৃষ্টিৰ  পৰিচয় দিলে। ইউৰোপীয় ৰমন্যাসিক সাহিত্যত দেখা পোৱা জীৱন আৰু জগত সম্পৰ্কীয় চিন্তাৰ প্ৰতিফলন, মুক্তি চেতনা আৰু প্ৰত্যাহ্বানৰ প্ৰৱণতা, অতিলৌকিক ভকতৰ মাজতো সৌন্দৰ্যৰ সন্ধান, ব্যক্তি হৃদয়ৰ একান্ত উপলব্ধিৰ প্ৰকাশ আদি বৈশিষ্ট্যই ৰমন্যাসিকতাক এটা শিল্পবোধলৈ উন্নীত কৰিছে। (মহেশ্বৰ নেওগ, ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’, পৃ. ২৫১)

অসমীয়া ৰমন্যাসিক কবিতাক চাৰিটা স্তৰত ভাগ কৰিব পাৰি— জোনাকী (১৮৮৯), উত্তৰ জোনাকী (১৮৯৯-১৯১৯), বাঁহী আৰু চেতনা (১৯১৯-১৯২৯), আৰু মিলন আৰু আৱাহন (১৯২৯),¼মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰূপৰেখা গ্ৰন্থত অসমীয়া ৰোমাণ্টিক কবিতাৰ পাঁচটা স্তৰ নিৰ্ণয় কৰিছে— ১¼জোনাকী, ২¼ উত্তৰ জোনাকী, ৩¼বাঁহী আলোচনী স্তৰ, ৪¼ছাত্ৰ সন্মিলনীৰ স্তৰ আৰু ৫¼শেষ ৰমন্যাসিক স্তৰ। (পৃ. ২৬০-২৮৩)¼

**আত্মমূল্যায়ন প্ৰশ্ন**

এই সময়ছোৱাত অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰধান বিষয়বস্তুসমূহ কি আছিল?

..........................................................................................................

..........................................................................................................

**১.৪ ৰমন্যাস যুগৰ প্ৰথম তৰংগৰ কবিসকল**

জোনাকীৰ প্ৰথম তৰংগৰ কবিসকল হৈছে— চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, মফিজুদ্দিন আহমেদ হাজৰিকা, আনন্দ চন্দ্ৰ আগৰৱালা, কৃষ্ণপ্ৰসাদ আগৰৱালা আৰু বেণুধৰ ৰাজখোৱা। এইসকলৰ ভিতৰত প্ৰথম তিনিজন কবিৰ অৱিহণা সবাতোকৈ গুৰুত্বপূৰ্ণ। এই তিনিজন কবিৰ কবিতাৰ আধাৰত ৰোমাণ্টিক কবিতাৰ প্ৰথম স্তৰৰ কবিতাৰ আভাস পাব পাৰি। তলত কবিকেইজনৰ কবিতাৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল।

**১.৪.১ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা**

প্ৰতিমাৰ খনিকৰ হিচাপে অসমীয়া সাহিত্য জগতত পৰিচিতি লাভ কৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সংকলন দুখন— এখন 'প্ৰতিমা' (১৯১৩ খৃ) আনখন 'বীণ ব'ৰাগী' (১৯২৩ খৃ.)। গদ্য আৰু অন্যান্য কবিতাৰ সংকলন 'চন্দ্ৰামৃত' (১৯৬৭ খৃ.)। এই পুথিকেইখনত সংকলিত প্ৰায় তিনিকুৰি কবিতাৰ মাজেৰেই চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া কাব্য সাহিত্যত প্ৰথম ৰোমাণ্টিক কবি হিচাপে, ৰোমাণ্টিক কবিতাৰ প্ৰায় সকলো প্ৰকাৰৰ লক্ষণ প্ৰকাশক কবিতাৰ ৰচক হিচাপে, সাংবাদিক, প্ৰকাশক হিচাপে নজহা-নপমাকৈ থাকি যাব। সংখ্যাত তাকৰ হলেও তেওঁৰ কবিতাসমূহ ভাৱ গধুৰ আৰু চিন্তা উদ্ৰেককাৰী। লোকগীতৰ দৰে সৰল আৰু পোনপটীয়া বাক্য-ৰীতিয়ে আগৰৱালাৰ কবিতাবোৰত নতুন ৰহন আনিছে। কবিৰ কবিতাবোৰত প্ৰকাশ ভংগীৰ সৰলতা থাকিলেও ৰহস্য ঘন পৰিবেশ আৰু বিস্ময়াকুল কবিমনৰ সন্তপৰ্ণ বিচৰণ থকা দেখা যায়। 'জোনাকী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'বনকুঁৱৰী'ত থকা প্ৰকৃতি বৰ্ণনা চিত্ৰ প্ৰধান, অৰ্থব্যঞ্জক আৰু আলৌকিক অস্পষ্টতাৰ মাধুৰ্য্যৰে পূৰ্ণ। এই কবিতাত দৃশ্যমান জগতৰ মাজত সৌন্দৰ্যৰ অনিৰ্বচনীয় ৰূপ উদঘাটন কৰা কবিৰ কল্পলোকত অন্য এখন জগত সাৰ পাই উঠিছে। এইখন কবি সৃষ্ট জগত— চৰ্মচক্ষুৰে নেদেখা যখিনী ছোৱালীৰ নাচ, বনফুল সাজে শুৱনী প্ৰকৃতি কন্যাৰ মৰম ভিক্ষাৰী বতাহৰ শিহৰণ, নিজম দুপৰীয়া অঙ্গেয় পখীৰ মাত— এই সকলোখিনিৰে অপৰূপ শোভা ৰচনা কৰা কবিৰ মানসলোকৰ এইখন জগতৰ অৱস্থান। 'বনকুঁৱৰী' কবিতাত কবিৰ কল্পনাই এনে বিস্ময়ৰ জগত ৰচনা কৰিছে যি ৰমন্যাসিক মানসিকতাৰ প্ৰতিভূ হিচাপেও ধৰা দিছে। মুখ্যতঃ এই বিশেষত্বৰ বাবে অসমী কবিতাৰ ইতিহাসত 'বনকুঁৱৰী' বিশেষ কাব্যধাৰাৰ সূচক হিচাপে চিহ্নিত হৈ ৰ'ব। (জ্যোতিমালা গোহাঁই ফুকন, অসমীয়া ৰমন্যাসিক সাহিত্য, পৃ. ১২২)¼মন কৰিবলগীয়া কথা হ'ল কবিতাটিত বাৰীৰ কাষতে জাৰণি, বাঁহনি ডৰা, নিজম এটা দুপৰীয়া আৰু চৰাই-চিৰিকতিৰ বিচৰণ ভূমিৰ মাজতে কবিয়ে অলৌকিক সত্তাৰ অনুভৱ এটিক জীৱন্ত কৰি তুলিলে। 'বনকুঁৱৰীয়ে' প্ৰকৃতিৰ শ্যামল

পাটীত নীলা চুলি মেলি উজ্বল শ্যাম বৰণৰ মুখখনিৰে ভাল দেৱী 'নিয়ৰী'ৰ লগত বহি আছে। এই অশৰীৰী কল্পনাত ৰমন্যাসিক লক্ষণ প্ৰকাশিত হৈছে এনেদৰে—

কি দেখিছ সৌ শ্যামল পাৰ্টীত
ছায়াত বা কিনো চাম
নীল চুলি মেলাইছে কোনেনো বা
মুখনি উজ্বল শ্যাম।

'জলকুঁৱৰী' কবিতাটিও 'বনকুঁৱৰী' কবিতাৰ সমপৰ্যায়ৰ কবিতা। কবিতাটিত শেষ নিশাৰ পৰা বেলি ওলোৱালৈকে এখন মনোৰম পুৱাৰ চিত্ৰ প্ৰকাশ পাইছে আৰু জলকুঁৱৰী ৰহস্যময় হৈ কুঁৱলীৰ ৰূপত ধৰা দিয়াৰ মাজত স্পষ্ট হৈছে। কুঁৱলীৰ সাজ পিন্ধি জলকুঁৱৰী পৰ্বতৰ জীয়াৰী হৈ পূবদিশত উষা দেৱীৰ লগত মিলিত হোৱাৰ চিত্ৰখন কবিয়ে এনেদৰে অঙ্কন কৰিছে—

সুদূৰ পূবত উষাদেৱী স'তে
মিলিল কুঁৱৰী গই
মিলন হাঁহিৰে উজলি চৌদিশ
লুকাল পোহৰময়ী।

'তেজীমলা' কবিৰ এটি উল্লেখযোগ্য কবিতা। আমাৰ সমাজত প্ৰচলিত তেজীমলা লোককথাৰ বুকুৰ পৰা কাহিনী ল'লেও কবিয়ে ইয়াত নতুন দৃষ্টিভংগীৰে চাবলৈ প্ৰয়াস কৰিছে। কবিতাটিৰ জৰিয়তে মানুহৰ পৰিৱৰ্তে প্ৰকৃতি কিমান উদাৰ সেই কথাও দাঙি ধৰিছে। কবিয়ে তেজীমলাক নিজৰ ধৰণেৰে সজাইছে। মানৱ প্ৰেমেই কবিতাটিৰ কেন্দ্ৰীয় ভাৱ, প্ৰকৃতি ইয়াত আনুষঙ্গিক মাত্ৰ মানুহে যিহেতু ফুলৰ আদৰ নাজানে সেয়ে তেজীমলা প্ৰকৃতিৰ লগত নিস্বাৰ্থ প্ৰেম-প্ৰীতিত বান্ধ খাই পৰি পুনৰ মানৱ সমাজলৈ ঘূৰি যোৱা নাই। কবিতাটিত পৰিণতি কিছু পৰিমাণ ইঙ্গিতপূৰ্ণ।

প্ৰকৃতিৰ ৰহস্যময়ী ৰূপটোৰ লগতে জীৱনৰ ক্ষণভংগুৰতাৰ দিশ, কল্পনাৰ মুক্ত প্ৰকাশ, সৌন্দৰ্যৰ সন্ধান, বিস্ময় ভাৱৰ নৱজাগ্ৰত চেতনা, প্ৰকৃতি প্ৰীতি ইত্যাদি ৰোমাণ্টিক কবিতাৰ লক্ষণ প্ৰকাশিত কবিৰ 'নিয়ৰ' অসমীয়া সাহিত্য জগতৰে এক অপূৰ্ব সৃষ্টি। এখুদমান এই কবিতাৰ মাজতেই জীৱন আৰু জগতৰ পৰম সত্যৰ সন্ধান যেন লুকাই আছে। কল্পনা আৰু বাস্তৱৰ মিশ্ৰণত কবিতাটো অনন্য হৈ উঠিছে।

নিজৰ কলিৰে শোভে ফুল জুপি
চাইছোঁ ভাৱতে ভাহি
হায় কি বিষম পেলাল বায়ুৱে
জোকাৰি ফুলৰ পাহি।

'মাধুৰী' চন্দ্ৰকুমাৰ আগৰৱালাৰে নহয় অসমীয়া কাব্য সাহিত্যৰো এক সুন্দৰ কবিতা। কবিতাটিত সৌন্দৰ্যৰ সন্ধানৰ বিভিন্ন দিশ সুন্দৰ উপমাৰে দিবলৈ প্ৰয়াস

কৰা হৈছে। ৱৰ্ডছৱৰ্থৰ ‘লুটি’ কবিতাৰ দৰে উপমা বৈশিষ্ট্যৰে ‘মাধুৰী’ উজ্জ্বল। অধবিকশিত অৱস্থাত সৌন্দৰ্য সুষমা কবিতাটিত দাঙি ধৰাৰ লগতে সীমাৰ মাজত অসীমৰ সুৰ বা ৰূপৰ মাজত অপৰূপৰ সন্ধান দিছে।

চাওঁনে নেচাওঁকৈ
মৰমৰ দেহিটি
দেৱীনে মানৱী ঐ
মাধুৰীৰ ছবিটি

কবিৰ এই বৰ্ণিত ৰূপত মাধুৰী দেৱীলৈ সম্প্ৰসাৰিত হৈছে। পাৰ্থিৱ সৌন্দৰ্যৰ প্ৰতীক মাধুৰী দেৱীলৈ উন্নীত হৈ সৰগীয় সৌন্দৰ্যৰ সন্ধান আনি দিয়াৰ বাবেই কবিতাটি হৈ পৰিছে অনন্য। বিকাশমান সৌন্দৰ্যৰ সম্ভাৱনাই কবিতাটোৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে।

‘বীণবৰাগী’ কবিৰ আন এটি উল্লেখযোগ্য কবিতা। কবিতাটিত মানুহৰ সৈতে মানুহৰ আৰু মানুহৰ সৈতে সৃষ্টিকৰ্তাৰ সম্বন্ধ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে। বীণাখনেই বৰাগীজনৰ বাবে সুখ-দুখৰ আশ্ৰয়। কবিয়ে নিজেই বৰাগীৰূপত অৱতীৰ্ণ হৈ সংসাৰৰ সুখ-দৈন্য স্বাৰ্থপৰতাৰে ভৰা বৈষম্যপূৰ্ণ জগতখন ধ্বংস কৰি এখন নতুন জগত সৃষ্টি কৰাৰ কল্পনা কৰিছে। সমাজৰ পৰা বৈষম্য আঁতৰ কৰিবৰ বাবে কবিয়ে প্ৰলয়ক আহ্বান কৰিছে।

আঙুলি বুলাব জনা হ’লে আজি
পেলালোহেঁতেন টানি,
হিমালয়ৰ চূড়া বুৰালোহেতেঁন
উদলী কলীয়া পানী।

গভীৰ আশাবাদেৰে সমাপ্তি হোৱা ‘বীণবৰাগী’ কবিতাটি ভাৱে ভাষাই, আংগিক আৰু ছন্দ সুষমাৰে এটি সাৰ্থক কবিতা। কবিতাটিত প্ৰকাশিত কবিৰ ভাৱধাৰা শ্যেলীৰ ‘Ode to the West Wind’ কবিতাত প্ৰকাশিত বিদ্ৰোহী ভাৱৰ সমপৰ্যায়ৰ।

দেখা যায় চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া ৰোমাণ্টিক কবিতাৰ জগতখনলৈ কেইবাটাও মূল্যবান কবিতা উপহাৰ দি গ’ল। যি কেইটি কবিতা আজিও সাৰ্থক কবিতা হিচাপে বিবেচিত হৈ আছে। প্ৰকৃতি বিষয়ক আৰু মানৱ প্ৰেমমূলক —এই দুয়োটি শ্ৰেণীতে তেওঁ সুন্দৰ কবিতা ৰচনাৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ’ল।

**আত্মমূল্যায়ন প্ৰশ্ন**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য দেখা যায়?

..................................................................................................

..................................................................................................

### ১.৪.২ হেমচন্দ্ৰ গোস্বামীৰ কবিতা

জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮) একেৰাহে কবি, নিবন্ধকাৰ, প্ৰত্নতত্ত্ববিদ, সংগ্ৰাহক, বুৰঞ্জীবিদ হিচাপে সমাদৃত। 'আসাম বন্ধু' কাকতত ১৮৮৫ চনত 'বিশ্বাস' নামৰ কবিতাটোৰ কবি হিচাপে আত্মপ্ৰকাশ কৰা হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সংখ্যা তেনেই তাকৰ। 'জোনাকী' যুগত কবি হিচাপে অধিক জনপ্ৰিয় হোৱা হেমচন্দ্ৰ গোস্বামীৰ প্ৰকাশিত কবিতা সংকলন হ'ল— 'ফুলৰ চাকি' (১৯০৭)¼উক্ত কবিতাপুথিখনত সৰ্বমুঠ একুৰি চাৰিটা কবিতা সন্নিবিষ্ট আছে।

মূলত জোনাকী যুগৰ কবি হিচাপে খ্যাত হেমচন্দ্ৰ গোস্বামীৰ প্ৰায়বোৰ কবিতাতে ৰোমাণ্টিত সাহিত্যৰ লক্ষণ স্পষ্টকৈ পৰিছে। তেওঁৰ কবিতাত প্ৰেমৰ মনোৰম চিত্ৰ, প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, স্বদেশপ্ৰেম, নিজ ভাষা তথা সংস্কৃতিৰ প্ৰতি থকা আকুলতা স্পষ্টকৈ প্ৰতিফলিত হৈছে।

হেমচন্দ্ৰ গোস্বামীৰ এটি সাৰ্থক কবিতা হ'ল 'পুৱা'। 'জোনাকী' আলোচনীৰ প্ৰথম বছৰৰ দ্বিতীয় সংখ্যাৰ প্ৰথম পাতত প্ৰকাশিত কবিতাটোৰ নাম আছিল 'জোনাকী'। পৰৱৰ্তী সময়ত 'ফুলৰ চাকি' কাব্য সংকলনখনত উক্ত কবিতাটো 'পুৱা' নামেৰে সন্নিৱিষ্ট কৰা হয়। উক্ত কবিতাটোত প্ৰকৃতিৰ মনোৰম চিত্ৰ এখনি সুন্দৰকৈ প্ৰতিফলিত হৈছে। প্ৰকৃতিৰ শান্ত স্নিগ্ধ ৰূপ কবিতাটোৰ মাজত ফুটি উঠিছে। পুৱতি নিশাৰ আন্ধাৰ-পোহৰৰ সময়ছোৱাক কবিয়ে বৰ্ণনাশক্তিৰ জৰিয়তে অধিক আকৰ্ষণীয় কৰি তুলিছে—

'গহীন পুৱতি নিশা, নিতাল জগত
ক'তো নাই জোনাকৰ চিন;
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা
সুৰ ভুনা জীৱনৰ বীণ।

প্ৰকৃতিৰ মাহাত্ম্য অপাৰ। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য তথা মাহাত্ম্যৰ কথা কবিয়ে 'প্ৰকৃতি' শীৰ্ষক কবিতাটোত সুন্দৰকৈ প্ৰতিফলিত কৰিছে। প্ৰকৃতিৰ সৃষ্টিৰাজিৰ মহিমা বিনন্দীয়া। ফুল্ল কুসুমৰ চিত্তহাৰী ৰূপ, বন-বিহংগৰ সুললিত ছন্দভৰা গীত, তৰালীৰে ভৰা ৰূপোৱালী আকাশৰ মন মুগ্ধকৰ পৰিবেশৰ মাজতো প্ৰকৃতিৰ মহিমা বিৰাজমান। হেমচন্দ্ৰ গোস্বামীয়ে 'প্ৰকৃতি' শীৰ্ষক কবিতাটোৰ সুন্দৰৰ আৰাধনা এনেদৰে কৰিছে—

'গোলাপ, তগৰ, জাঁই, বকুল, মালতী
ফুলাই মুখত দিছা মধুৰ হাঁহিটি।
তুমিয়েই বিশ্ববাণী
ধীৰ বায়ু মাতি আনি

লাহে লাহে ফুলনিত বলাই ফুৰিছা
ঘৰে ঘৰে সুগন্ধেৰে যোগান ধৰিছা।

'জোনাকী' যুগত প্ৰকাশিত হেমচন্দ্ৰ গোস্বামীৰ অন্য এটি সাৰ্থক ৰোমাণ্টিক কবিতা হ'ল 'কাকো আৰু হিয়া নিবিলাও'। 'জোনাকী' আলোচনীত প্ৰকাশিত এই কবিতাটোত ৰমন্যাসবাদৰ অন্যতম লক্ষণ প্ৰেমৰ চিত্ৰৰ প্ৰতিফলন দেখিবলৈ পাওঁ। মানুহে অন্তৰত কাৰোবাক স্থাপন কৰি প্ৰকৃত ৰূপ ভাল পাব পাৰি নে নাই, তাকে কবিয়ে কবিতাটোত দেখুৱাইছে। হৃদয়ত সযতনে ৰখা প্ৰিয়জনৰ ছবি হেৰাই যোৱাত কবি হৃদয়ৰ আকুলতা তথা বেদনা কবিতাটোত প্ৰকাশ হৈছে—

"অনেক বিচাৰি চালো
নেপায় শপত খালো
কাকো আৰু হিয়া নিবিলাওঁ"

কবিৰ মতে, প্ৰেম ভালপোৱা মৰিচিকা স্বৰূপ, ই মানুহৰ অলীক সপোনহে মাথো।

স্বদেশপ্ৰেম ৰমন্যাসবাদৰ এটি অন্যতম লক্ষণ। পৰাধীন ভাৰত তথা অসমৰ দুখ দৰ্দশাই হেমচন্দ্ৰ গোস্বামীৰ মনত হাতাশাৰ সৃষ্টি কৰিছে। দেশ-বিদেশৰ উন্নতিৰ তুলনাত এসময়ত শৌৰ্য-বীৰ্যৰে ভৰা স্বদেশৰ জৰাজীৰ্ণৰূপে কবিক ব্যথিত কৰি তুলিছে। কবিয়ে মনৰ বেদনাত আক্ষেপেৰে ক'বলৈ বাধ্য হৈছে—

"সকলো দেশতে মধ্যাহ্ন আলোক
চোৱা অসমত আজিও নিশা
সকলো দেশতে বসন্ত হাঁহিছে
চোৱা অসমত ঘোৰ বাৰিষা।"

ৰোমাণ্টিক সাহিত্যৰ অন্যতম বিশেষত্ব হ'ল আশাবাদ। হেমচন্দ্ৰ গোস্বামীৰ কবিতাত আশাবাদৰ সুৰ প্ৰবাহিত হৈ থকা দেখিবলৈ পাওঁ। স্বদেশ-স্বজাতিৰ অধঃপতনে কবিৰ মনত দুখৰ সৃষ্টি কৰিছে যদিও অতীতৰ শৌৰ্য বীৰ্যৰ কথা ৰোমন্থন কৰি কবিৰ অন্তৰত আশাৰ সঞ্চাৰো হৈছে। 'মেঘদূত' কবিতাটোৰ কবিৰ এই আশা উঠা দেখিবলৈ পাওঁ—

'নকৰো বেজাৰ তাত নহওঁ কাতৰ
আশাক কৰিম ৰাণী হৃদয় পটৰ,
ভাবিম ভাৰতভূমি
হ'ব সেই আৰ্যভূমি
অৰ্জ্জুন ভীমেও আহি জনম ধৰিব
কালৰ গতিৰ লগে সকলো ঘূৰিব।'

অসমীয়া সাহিত্যত হেমচন্দ্ৰ গোস্বামী চিৰস্মৰণীয় হৈ থাকিব প্ৰথম অসমীয়া চনেটৰ সৃষ্টিকৰ্তা হিচাপে। ভাৰতীয় সাহিত্যত প্ৰথম চনেট ৰচনা কৰিছিল মাইকেল মধুসূদন দত্তই। মধুসূদন দত্তই ইটালীৰ বিখ্যাত ফ্ৰান্সিসকো পেট্ৰাকাইৰ আৰ্হিত চনেট ৰচনা কৰিছিল। হেমচন্দ্ৰ গোস্বামীয়ে মধুসূদন দত্তৰ আৰ্হিতে চনেট ৰচনা কৰিছিল। তেওঁৰ চনেট তিনিটা হ'ল— 'প্ৰিয়তমাৰ চিঠি, 'হহা-কন্দা' আৰু 'ৰত্নেশ্বৰ মহন্ত'।

গীতি মধুৰতাই 'প্ৰিয়তমাৰ চিঠি' কবিতাটোক অধিক আকৰ্ষণীয় কৰি তুলিছে। কবিতাটোত চনেটৰ আটাইকেইটা লক্ষণেই বিদ্যমান। আপোনজনৰ চিঠি এখন প্ৰেমিকৰ বাবে কিমান মূল্যবান হ'ব পাৰে, সেই চিঠিখনৰ যে তুলনা একোৰে লগত কৰিব নোৱাৰি কবিয়ে তাক প্ৰকাশ কৰিছে। প্ৰিয়তমাৰ কুকুৰঠেঙীয়া আখাৰ কেইটাৰ সৌন্দৰ্য প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যতকৈও অধিক। প্ৰিয়তমাৰ চিঠিখনে কবিৰ আগত ন-ন মোহনীয় ৰূপত ধৰা দিছে আৰু ইয়ে কবি হৃদয়ৰ আকুলতা দুগুণে বৃদ্ধি কৰিছে—

"তোমাৰ চিঠিয়ে প্ৰিয় জানে কি মোহিনী
নিতৌ নেহোৱা বাহী ন ন ফুলে মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।"

'প্ৰিয়তমাৰ চিঠি'ৰ দৰে 'হহাঁ-কন্দা' চনেটোও প্ৰেম-ভাৱৰ চনেট। আনহাতে 'ৰত্নেশ্বৰ মহন্ত' এটি চনেট হ'লেও ই ইলিজী বা শোকৰ কবিতাহে মাথোন। ঠিক সেইদৰে 'বৰদৈচিলা'ক চনেটৰ শ্ৰেণীভুক্ত কৰা হয় যদিও ই চৈধ্য শাৰীৰ কবিতাহে। কবিতাটোত বৰদৈচিলাৰ প্ৰতি শিশুসুলভ কাকুতি মিনতিহে প্ৰকাশ পাইছে।

কেইবাটাও সাৰ্থক কবিতা ৰচনা কৰি থৈ যোৱা হেমচন্দ্ৰ গোস্বামী অসমীয়া ৰমন্যাসিক কবিতাৰ অন্যতম প্ৰবৰ্ত্তক হিচাপে চিৰস্মৰণীয় হৈ থাকিব।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনকেইটা কবিতাক হেমচন্দ্ৰ গোস্বামীৰ সাৰ্থক ৰোমাণ্টিক কবিতা হিচাপে স্বীকৃতি দিব পাৰি?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ১.৪.৩ লক্ষ্মীনাথ বেজবৰুৱা কবিতা

লক্ষ্মীনাথ বেজবৰুৱা সচেতন কবি নাছিল। ১৯১৩ চনত প্ৰথম প্ৰকাশিত ‘কদম কলি’ৰ পাতনিত বেজবৰুৱাই লিখিছে ‘কবিতা হয় যদি হওক, নহয় যদি নহওক বুলি মাজে সয়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ’ল, কবি হ’বৰ দুৰাশা কৰি নহয়।” ইয়াৰ অন্য এটি দিশো স্পষ্ট, তেওঁৰ কবিতাখিনিক নিজে পদ্য বুলি ক’ব খুজিলেও পদ্য আৰু কবিতাৰ পাৰ্থক্য সম্পৰ্কে তেওঁ সচেতন আছিল। ‘কদম কলি’ত ১৬টা গীত, ‘দেবযানী’ নামৰ এখন কাব্যধৰ্মী নাট আৰু ৩১ টা কবিতা আছে। ‘পিতৰ’ নামৰ কবিতাটোৰ অন্তৰ্গত ৩৪টা সৰু সৰু স্বতন্ত্ৰ নামৰ কবিতা সংকলনখনত সন্নিৱিষ্ট কৰা আছে। বেজবৰুৱাৰ সকলো কবিতাই পাগত উঠা নহয় যদিও কেইটামান কবিতা যেনে ‘মালতী’, ‘প্ৰিয়তমাৰ সৌন্দৰ্য’, ‘বীণ ব’ৰাগী’, ‘ধনবৰ ৰতনী’, ‘প্ৰিয়তমা’, ‘ভ্ৰম’ আদি কবিতা উল্লেখযোগ্য সৃষ্টি। লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বিতীয় কাব্য সংকলন ‘পদুমকলি’। এই সংকলনত মুঠ ২৭ টা কবিতা সন্নিবিষ্ট কৰা হৈছে।

ৰোমাণ্টিক অসমীয়া কবিতাৰ প্ৰায় সকলো লক্ষণ বেজবৰুৱাৰ কবিতাত পোৱা যায় যদিও তেওঁৰ কবিতাসমূহক স্বদেশ প্ৰেমমূলক, প্ৰকৃতি আৰু মানপ্ৰেমমূলক, হাস্য ব্যঙ্গ, নীতি-উপদেশমূলক কবিতা হিচাপে শ্ৰেণীবিভাগ কৰিব পাৰি। স্বদেশ প্ৰেমমূলক এক সু-গভীৰ স্বদেশানুৰাগ বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ প্ৰকাশ পাইছে। দীৰ্ঘদিন অসমৰ বাহিৰত কটোৱা বেজবৰুৱাই অসমীয়া সমাজ-সংস্কৃতিৰ, ভাষা-সাহিত্যৰ চাৰিও দিশৰ বতৰা ৰাখিছিল আৰু মনে প্ৰাণে অসমৰ উন্নতিৰ কথা কামনা কৰিছিল। অসমী আইৰ মুখত হাঁহি বিৰিঙাবলৈ প্ৰয়াস কৰি বেজবৰুৱাই ঘোষণা কৰিছিল—

আমি অসমীয়া  নহঁও দুখীয়া
কিহৰ দুখীয়া হ’ম
সকলো আছিল  সকলো আছে
নুগুণো নলওঁ গম।

‘আমাৰ জন্মভূমি’, ‘মোৰ দেশ’, ‘ব্ৰহ্মপুত্ৰ সঙ্গীত’, ‘বীণ ব’ৰাগী’, ‘অসম সঙ্গীত’ আদি বেজবৰুৱাৰ স্বদেশ প্ৰেমমূলক কবিতা। ‘বীণ বৰাগী’, ‘অসম সঙ্গীত’ আদি কবিতাত কবিৰ গভীৰ আশাবাদৰ সুৰ প্ৰতিধ্বনিত হৈছে। ‘বীণ-বৰাগী’ কবিতাত জাতীয় জীৱনৰ স্বৰূপটো যেন প্ৰকাশ পাইছে। নৈৰাশ্যৰ পোনপটীয়া কান্দোনত মৰহি পৰা অসমীক কবিয়ে আকৌ এবাৰ কন্দুৱাব বিচৰা নাই, বৰং আশাৰ বাণীহে শুনাইছে। অতীত অসমৰ দুখ, শোক, কলঙ্কৰ কালিমাৰ কথা শুনাব বিচৰা নাই। ‘শুনা ঐ ব’ৰাগী আনন্দৰ কাহিনী’ বুলি প্ৰথমেই শুনাইছে আশা আৰু উৎসাহৰ সঞ্জীৱনী মন্ত্ৰ। পুৰণি অসমৰ যশৰীতিৰ কথা সোঁৱৰাই দি অসমীয়াৰ হিয়া বলৱন্ত

কৰিব লাগিব, দেহত নতুন প্ৰাণৰ সঞ্চাৰ কৰিব লাগিব, চকুত নতুন দীপ্তি ঢালিব লাগিব আৰু অসমীয়া জাতিক সবল সতেজ কৰিব লাগিব, কবিৰ এয়েই কামনা।

নতুন প্ৰাণৰ ন চকুজুৰি
দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী নকৈ চাই লওঁ
হে বীণ এষাৰি মাত।

'বীণ ব'ৰাগী' জাতীয় ভাবাপন্ন কবিতা হ'লেও কবিতাটিৰ শেষৰ ফালে 'ৰজা ঐ ব'ৰাগী সংসাৰ বিৰাগী', 'সদায় নাথাকে প্ৰবাসৰ দুখ', 'সৰগ এৰিছা আকৌ সৰগ পাবাগৈ' আদি কবিতা ফাঁকিৰ মাজেৰে এটি আধ্যাত্মিক ভাব প্ৰকাশ পাইছে। 'সদায় নাথাকে প্ৰবাসৰ দুখ' ইয়াত প্ৰবাসৰ অৰ্থ দ্ব্যৰ্থক। মানুহৰ বাবে এই পৃথিৱীখনেই প্ৰবাসৰ আলহী ঘৰ। কবিয়ে আকৌ প্ৰবাস অৰ্থেৰে অসমৰ বাহিৰত থকা কলিকতাকো বুজাইছে। কথাযাৰিৰ অন্তৰালত পৃথিৱীত মানৱ জীৱনৰ ক্ষণস্থায়িত্বৰ কথাকো সূচাইছে। (নন্দ তালুকদাৰ, 'কবি আৰু কবিতা', পৃঃ ৯৫)¼

প্ৰেম বিষয়ৰ কবিতা ৰচনাতো কবি সিদ্ধহস্ত। 'প্ৰেম বিষয়ক যি কেইটি কবিতা বেজবৰুৱাই ৰচনা কৰিছে সেই কবিতা কেইটিত প্ৰেমৰ সুগভীৰ আৰু সুমহান ৰূপ অঙ্কন কৰিবলৈ সক্ষম হৈছে। কেতিয়াবা কবিয়ে নৈসৰ্গিক সৌন্দৰ্যৰ মাজতে প্ৰেমৰ প্ৰবাহ অনুভৱ কৰিব পাৰিছে। 'ভ্ৰম', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'মালতী', 'চুমা', 'প্ৰেম' আদি কবিতাটিত প্ৰকৃতি প্ৰেম আৰু মানৱপ্ৰেম একেলগে প্ৰকাশিত হোৱাত এক অনন্য সুন্দৰ ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। এই বিশ্ব ব্ৰহ্মাণ্ডৰ মাজত প্ৰেমৰ মহাশক্তিৰ কথা কবিয়ে উপলব্ধি কৰিয়েই লিখিছে—

মৰু বুৰে শিল পাম বিন্দুৰ পৰশে
প্ৰেম আখ্যা মহাশক্তি জগৎ প্ৰকাশ। (প্ৰেম)

'মালতী' কবিতাত প্ৰকৃতিৰ অনিৰ্বচনীয় ৰূপ সৌন্দৰ্যৰ মাজত মালতীৰ ৰূপৰ সন্ধান এটি চিত্তাকৰ্ষক দিশ। কবিৰ কল্পিত প্ৰিয়া মালতীৰ ৰূপৰ তুলনা কৰিবলৈ কবিয়ে আশ্ৰয় লৈছে প্ৰকৃতিৰ—

পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সঁচিত মোৰ মালতী নাই
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীত তুলনা পায়। (মালতী)

প্ৰকৃতিৰ মনোৰম সৌন্দৰ্যৰ মাজত প্ৰিয়তমাৰ দৈহিক ৰূপৰ লগতে আন্তৰিক প্ৰেম অনুৰাগৰ চিত্ৰ এখন সুন্দৰভাৱে অংকন কৰিছে 'প্ৰিয়তমা' কবিতাত।

কাঁইট নথকা ৰূপহ গোলাপ
বোলে পৃথিৱীত নাই

একোকে নামাতি প্ৰিয়াৰ দুগাল
থাকিব ধৰিলো চাই। (প্ৰিয়তমা)

'প্ৰিয়তমা' কবিতাটো ৰমন্যাসিক কাব্যভূমিত প্ৰেমৰ 'স্বৰূপ প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা এটা আছে। বৰ্ণনাই ইন্দ্ৰিয়গ্ৰাহ্য হৈ উঠিলেও ইন্দ্ৰিয়াতীত অনুভূতিৰ পৰিচায়ক প্ৰিয়তমাৰ দৈহিক লাৱণ্যৰ বৰ্ণনা ইয়াত প্ৰকাশ পালেও কবিৰ দৃষ্টিভঙ্গী কামনাদীপ্ত নহয়। (হেম বৰুৱা, 'ৰমন্যাসবাদ, অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি', পৃঃ ১০৪)¼

হাসব্যঙ্গ কবিতা ৰচনাত কবি সিদ্ধহস্ত আছিল। তেখেতৰ কৃপাবৰী মনটোৱে এনে কবিতাসমূহ পাগত উঠাকৈ বৰ্ণনা কৰিব পাৰিছে। মূলত সমাজ সংস্কাৰ বেজবৰুৱাৰ সাহিত্য কৰ্মৰ উদ্দেশ্য আছিল। সমাজ দেখা কিছুমান সমস্যাক তীব্ৰ বিদ্ৰূপ আৰু শাণিত ব্যঙ্গৰ জৰিয়তে দাঙি ধৰি একোটি গভীৰ বিষয়ৰ দিক্‌দৰ্শন দিবলৈকো তেওঁ প্ৰয়াস কৰিছিল। 'ধোঁৱা-খোৱা' কবিতাত ধোঁৱা-খোৱাৰ ফলত কি হয় তাকে দাঙি ধৰিবলৈ যাওঁতে ব্যঙ্গৰ আশ্ৰয় লৈছে এনেদৰে—

অনন্ত আকাশ মাজে দে ধোঁৱা উৰুৱাই
গ'ল ভোগ, গল শোক, দে ভাগৰ পলুৱাই।
নলি লগা ধোঁৱা খোৱা
কৰি দি ঐ কোৱা খোৱা

টোৰোক ভৈৰৱ নদে বিশ্ব ভাগত কঁপোৱাই (ধোঁৱাখোৱা)।

হাস্যৰস সৃষ্টিৰ বাবে সানমিহলি ভাষাৰ প্ৰয়োগ বেজবৰুৱাই কবিতাত প্ৰয়োগ কৰিছিল। উদাহৰণস্বৰূপে 'বৃদ্ধা চন্দ্ৰাৱলী' সংবাদ কবিতাৰ কথা উল্লেখ কৰিব পাৰি—

অসমীয়া সমাজৰ দুৰ্বলতাসমূহ দাঙি ধৰা কবিতাৰ ভিতৰত 'চালনী আৰু বেজি' অন্য। কবিতাটিত হাঁহি উঠা কথাৰ অৱতাৰণা কৰি অৱশেষত বিদ্ৰূপত পৰিণত হোৱাতো এটি মনকৰিবলগীয়া দিশ। ঠিক সেইদৰে বয়সে বুঢ়া কৰিলেও মনেৰে যুৱক হৈ থাকিব বিচৰা মনোভাৱৰ ব্যঙ্গ কৰি তেওঁ ৰচনা কৰিছে 'পকাচুলি' কবিতাটো।

নীতি উপদেশ আৰু ভগৱৎ প্ৰেমৰ কবিতা কেইটিয়েও বেজবৰুৱাৰ কবিত্ব প্ৰতিভাৰ পৰিচয় প্ৰদান কৰে। এই কবিতাবোৰ প্ৰেম বা স্বদেশ প্ৰেমমূলক কবিতাতকৈ আকাৰত সৰু। জীৱনৰ বাবে প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ অনেক উপদেশ এই কবিতাসমূহক পোৱা যায়। এই কবিতাসমূহ তেওঁৰ জীৱন দৰ্শন প্ৰকাশ পোৱাৰ লগতে সঞ্চিত অভিজ্ঞতাৰো প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যায়। 'ৰেণুকা'ত এনেধৰণৰ চাৰিকুৰি এফাকি কবিতা আছে।

দেখা যায় বেজবৰুৱাই নিজকে সফল কবি বুলি নাভাবিলেও আৰু কেৱল কবিতাৰ সাধনাতে নিমগ্ন নহ'লেও অসমীয়া কাব্য জগতলৈ তেওঁৰ অমূল্য অৱদান আগবঢ়াই গৈছে। 'মালতী' 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'বীণ ব'ৰাগী', 'ধনবৰ ৰতনী' আদি কবিতাই আজিও পাঠকক আকৰ্ষণ কৰে আৰু আগলৈয়ো যে কৰিব সেয়া নিশ্চিত।

**আত্মমূল্যায়ন প্ৰশ্ন**

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত সমাজ জীৱনৰ কি কি দিশ দেখিবলৈ পোৱা যায়?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৪.৪ মফিজুদ্দিন আহমেদ হাজৰিকাৰ কবিতা

ৰমন্যাসিক কবিৰূপে খ্যাত মফিজুদ্দিন আহমদ হাজৰিকা (১৮৭০-১৯৫৮)ৰ কবিতাত লুকাই আছে জীৱনৰ নিগূঢ় ৰহস্যৰ সন্ধান। প্ৰথম কবিতা সংকলন 'জ্ঞানমালিনী'ৰে খ্যাতি ৰাখি যোৱা কবিগৰাকী বৰ্তমানেও 'জ্ঞানমালিনীৰ কবি' নামে সমাদৃত। ১৮৯৫ চনত ৰচনা কৰা কবিতা পুথি 'জ্ঞানমালিনী'ত প্ৰকাশ পাইছে বিশেষ তাৎপৰ্য। বঙলা ভাষাই অসমত গা-কৰি উঠাৰ বেলিকা স্কুল কাছাৰীৰ পৰা অসমীয়া ভাষা আঁতৰোৱাৰে পৰা (১৮৩৫), ১৯০০ চনত 'হেমকোষ'ৰ প্ৰথম প্ৰকাশৰ সময়ছোৱালৈ ঊনবিংশ শতিকাৰ সেই সময়খিনিত অসমীয়া ভাষাৰ বিষয়ে যি আলোচনা হৈছিল, যি ধৰণৰ আলোক সন্ধানী চিন্তা-চৰ্চা হৈছিল, যি ধৰণৰ চেতনা মানুহৰ মন মগজুত ঘণীভূত হৈছিল তাৰেই সুক্ষ্মতম উদ্ভাষিত ৰূপ আছিল 'জ্ঞানমালিনী'।

কবিতাৰ গঠনত চুফীবাদৰ সুৰে অনুৰণন তোলা মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ মাজত নিহিত হৈ আছে বৈষ্ণৱ দৰ্শনৰো আদৰ্শৰ প্ৰভাৱ। মৃত্যুৰ বহুদিনৰ পাছত উদ্ধাৰ হোৱা তথা মৰণোত্তৰভাৱে প্ৰকাশ কাব্য পুথি 'তত্ত্ব পাৰিজাত' (১৯৭০)ত এই দৰ্শন আদৰ্শৰ ভাব পৰিলক্ষিত হয়। 'তত্ত্ব পাৰিজাত'ৰ অন্তৰ্গত 'বাটৰুৱা' কবিতাটিৰ কথাকে এই প্ৰসংগত ক'ব পাৰি। প্ৰতিজন মানুহেই এই পৃথিৱীত একো একোজন পথিক নাইবা বাটৰুৱা। পথিক এজনৰ থাকে একোটা গন্তব্যস্থান। বাটৰ দাঁতিত ক্ষন্তেক জিৰণি লোৱাৰ পিছত বাটৰুৱাই যিদৰে পুনৰ যাত্ৰা আৰম্ভ কৰে, তেনেদৰে মানুহ মাত্ৰেই সংসাৰ বজাৰত বেহানি কৰি লক্ষ্য অভিমুখী

হয়। এই কথাৰ মাজত আছে তত্ত্বৰ সন্ধান। 'বাটৰুৱা'ত কবিয়ে কৈছে—

'অতি ভাগৰত গছৰ তলত
বাটৰুৱা এটি বহি
ভৰ দুপৰীয়া জিৰণি লৈছে
ৰ'দৰ তাপত দহি।'

ৰ'দে দহা বাটৰুৱাৰ মাজত কবিয়ে যেন বিশ্বৰূপৰ এক সুক্ষ্ম দৰ্শন কৰিছে। কবিতাটিৰ সমাৰ্থ অনুধাৱন কৰিলে এনে লাগে যেন মানৱ আত্মাই জগতৰ শক্তিক বাট দেখুৱাইছে।

দৰ্শন, বিজ্ঞান, অলৌকিক মহাশক্তিৰ সন্ধান, অজ্ঞানতাক ভেদি বিশ্বৰ পোহৰত উদ্‌ঘাটন কৰা হৈছে সত্যৰ পৰম প্ৰকাশ। তেখেতৰ কবিতাত প্ৰকাশ পাইছে সৃষ্টিকৰ্তাৰ অপৰূপ সৌন্দৰ্য পৰমাত্মাৰ সন্ধান। ৰহস্যবাদৰ ঘ্ৰাণ থকা 'বাটৰুৱা' কবিতাত প্ৰকাশি উঠা দেখা যায় যে— "ভাৰতীয় ধৰ্ম শাস্ত্ৰৰ মূল শিক্ষা আৰু অন্তৰ শুদ্ধিৰ বাবে অন্তৰ্মুখীন সাধনা অপৰিহাৰ্য।" (অৰ্চনা পূজাৰী, 'প্ৰসংগ ঃ কবিতা', পৃ.২৩) সেয়ে বাটৰুৱাৰ মুখেৰে কথাষাৰ প্ৰতিপন্ন কৰিছে—

'নিদিলে দাপোন ক'লে এই কথা
নিজৰ টোপোলা মেলা।
পাবাগই দাপোন তুমিও এনেকুৱা
যদিহে নকৰা হেলা।

'জ্ঞানমালিনী'ৰ কবিতাসমূহত অৱশ্যে ৰহস্যবাদৰ প্ৰত্যক্ষ প্ৰভাৱ নাই। 'ওখ ভাব' ভাষাৰ লালিত্যৰে সাৱলীলভাৱে ৰচনা কবিতাসমূহৰ মাজেৰে নৈতিকতা, আত্মসংযম, আত্মজ্ঞানৰো প্ৰকাশ ঘটিছে। চুফীসকলে নৈষ্ঠিক নীতি নিয়মৰ জৰিয়তে জীৱনৰ প্ৰতি অনাসক্তগৰাকীয়েহে আল্লাৰ উপলব্ধি কৰিব পাৰে বুলি ভাবে। বৈষ্ণৱ ধৰ্মতো তেনেদৰে একেশ্বৰবাদী ধৰ্ম সাধনাৰ মাজেৰে ঈশ্বৰ প্ৰাপ্তি হয় বুলি বিশ্বাস কৰে। ইয়াতেই মিলন তথা একাত্মতাৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। ঈশ্বৰৰ প্ৰতি থকা দৃঢ় বিস্বাস ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ 'বিশ্বখনিকৰ' কবিতাটিত উপস্থাপন কৰিছে—

'লাগে নেকি পৰমাণ আভজনী মন?
কিন্তু ইমানতো মন
নাহি যদি পতিয়ন,
সোধ, 'কোন সৰজিলে সেই খনিকৰ
তেওঁৰেনো প্ৰভু কোন?
তেওঁৰে বা বিভু কোন?'
লেল্‌পেল্‌ মিছা যুঁজ পাতি তৰকৰ।"

‘জ্ঞানমালিনী’ত বিচিত্ৰ জগতৰ ৰূপৰ বিস্ময় চিত্ৰ, কিন্তু সিবোৰৰ বাহ্যিক আৱৰণ প্ৰত্যক্ষ কৰিয়েই কবি ক্ষান্ত থকা নাই। গুঢ় অৰ্থ একোটা ভিতৰত ৰাখি গৈছে—

‘এই যত ধেমালিৰ
নানা ছয়াময়ালিৰ
আছে আছে মায়া হই এটি বাজিকৰ;

কবিতাসমূহৰ ঠায়ে ঠায়ে গীতিময় ৰূপৰ পয়োভৰ দেখা যায়।

এগৰাকী অনুবাদক ৰূপেও মফিজুদ্দিন আহমেদ হাজৰিকাৰ সুকীয়া পৰিচয় আছে। কোৰাণৰ পদ মূল আৰবী ভাষাত আওৰাই সাৱলীল ভংগীৰে নিভাঁজ অসমীয়া ভাষাত লগে লগে সেইখিনি অনুবাদ কৰি দিয়ে। অনুদিত অংশত তেখেতৰ কথাই মৰ্মস্পৰ্শী গীতৰ ৰূপ ধাৰণ কৰে। অনুবাদৰ শব্দ চয়নত হজৰত আজানপীৰৰ কণ্ঠস্বৰো অনুভূত হয় বুলি একাংশ লোকে ক’ব খোজে।

‘জ্ঞান মালিনী’ তদানীন্তন সময়ছোৱাৰ সমসাময়িক অসমৰ বাস্তৱ পৰিস্থিতিৰ জীৱন্ত দলিল। অৰ্থনীতি, ৰাজনীতি সমাজনীতিৰ ছবিখন প্ৰতিবিম্বিত হোৱা এটি কবিতা ‘মৰিশালীখনি’। সাম্ৰাজ্যবাদীয়ে অসমীয়া কৃষকৰ পৰা খেতিমাটি আজুৰি লোৱা কাৰ্যই অসমৰ অৰ্থনীতিত মাধমাৰ শোধাইছিল। আকাল ভঁৰাল নথকা অসমীয়া খেতিয়ক কম সময়তে ভিকহু হোৱা আদি বৰ্ণনাই ‘মৰিশালীখনি’ত কাব্যিক ৰূপ পাইছে। বৰ্ণবাদী ব্যৱস্থাটোৰ প্ৰতিও বিৰূপ মনোভাৱ দাঙি ধৰা কবিতা ‘মৰিশালীখনি’ৰ মাজেদি বহুমাত্ৰিকতা প্ৰকাশ পাইছে। সাম্ৰাজ্যবাদী ‘বজাৰ’ৰ মায়াময় বিস্তাৰ, সাধাৰণ লোকৰ বিপত্তি আৰু নিৰাপত্তাহীনতাৰো সুৰ বাজি উঠা এটি কবিতা হ’ল— ‘দিনকণা’। সমাদৃত কবিতা ‘দিনকণা’ত হাটৰ কল্পনা আৰু ‘নেৰিবা নেৰিবা’ ভঙ্গীৰ আঁৰত আছে নৱ-বৈষ্ণৱ সংস্কৃতিৰ প্ৰেৰণা। সেই ঐতিহ্য যেন সমসাময়িক জীৱনৰ প্ৰতি কবিৰ বিশিষ্ট সঁহাৰিৰ ধাৰক আৰু বাহক।

ৰূপক, চিত্ৰকল্প, শব্দচয়নৰ ব্যতিক্ৰমী প্ৰয়োগে ‘জ্ঞান মালিনী’ৰ কবি কবিতাক প্ৰদান কৰিছে স্বকীয়তা। পাঠকৰ হিয়া চুই যোৱা ‘বাটৰুৱা’ কবিতাটিৰ কথাকে ক’ব পাৰি। কবিতাটিত ঠানুৱা, দহি, মেটুৰা-মেটুৰি, চেনু, কেঁচাসোণ, বিভোল, কটাহি, কলডিলীয়া, অলৌ-লৌৱা, আৰ্চি, থুলীয়া এনুৱা, নিকাব আদি শব্দৰ ব্যৱহাৰে তেখেতক এগৰাকী উচ্চ পৰ্যায়ৰ দাৰ্শনিক ৰূপেও উপস্থাপন কৰে। তদুপৰি অসমীয়া শব্দৰ প্ৰয়োগতো বুৎপত্তি থকা কবি বুলিব পাৰি।

১৯২৯ চনত গোলাঘাটত বহা অসম সাহিত্য সভাৰ সভাপতিৰ আসন লাভ কৰা মফিজুদ্দিন আহমদ হাজৰিকাই সুদীৰ্ঘ ত্ৰিশ বছৰ কাল (১৯০৪-৩৪) ডিব্ৰুগড় সাহিত্য সভাৰো সম্পাদক আছিল। সাহিত্যিক পেঞ্চন লাভ কৰিবলৈ সক্ষম হোৱা কবিগৰাকী ১৯১৩ চনত শিৱসাগৰত বহা ছাত্ৰ সভাৰো সভাপতিত্ব কৰে। সূক্ষ্ম

অন্তর্দৃষ্টি, সুগভীৰ পৰ্যবেক্ষণ আৰু স্বকীয় ৰচনাশৈলীৰে পাঠক সমাজৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হোৱা মফিজুদ্দিন আহমদ হাজৰিকাৰ একক আৰু অনন্য সৃষ্টিৰাজিয়ে অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ প্ৰধান সুৰ কি আছিল?

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১.৫ সাৰাংশ (Summing Up)

অসমীয়া ৰোমাণ্টিক যুগৰ (প্ৰথম তৰংগ) প্ৰধান কবি তিনিজন— চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱা। এই তিনিজনৰ উপৰি আন এজন উল্লেখযোগ্য কবি হ'ল— মফিজুদ্দিন আহমদ হাজৰিকা। চন্দ্ৰকুমাৰ আগৰৱালাই পোন প্ৰথম বাৰৰ বাবে অসমীয়া কবিতাত ৰোমাণ্টিকতাৰ আগমণ ঘটাই 'বনকুঁৱৰী' কবিতাটোৰ যোগেদি। প্ৰকৃতি বিষয়ক আৰু মানৱ প্ৰেমমূলক এই দুয়োবিধৰ কবিতাই তেওঁ ৰচনা কৰিছিল। হেমচন্দ্ৰ গোস্বামীৰ আটাইবোৰ কবিতাত ৰোমাণ্টিক সাহিত্যৰ লক্ষণ স্পষ্টকৈ দেখা যায়। তেওঁৰ কবিতাত প্ৰেমৰ মনোৰম চিত্ৰ, প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, স্বদেশ প্ৰেম, নিজ ভাষা তথা সংস্কৃতিৰ প্ৰতি থকা আকুলতা স্পষ্টকৈ প্ৰতিফলিত হয়। হেমচন্দ্ৰ গোস্বামী প্ৰথম অসমীয়া ভাষাত চনেট ৰচক। ৰোমাণ্টিক কবিতাৰ সকলো লক্ষণ পোৱা যায় যদিও লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাসমূহক স্বদেশ প্ৰেমমূলক, প্ৰকৃতি আৰু মানৱপ্ৰেমমূলক, হাস্য ব্যংগ্য, নীতি-উপদেশমূলক কবিতা হিচাপে শ্ৰেণীবিভাগ কৰিব পাৰি। তেওঁৰ 'মালতী', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'ধনবৰ ৰতনী' আদি কবিতাই সদায়ে পাঠকক আকৰ্ষণ কৰে। মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত চুফীবাদৰ সুৰে অনুৰণন তুলিছে। তেওঁৰ কবিতাবোৰৰ মাজত বৈষ্ণৱ আদৰ্শৰো প্ৰভাৱ দেখিবলৈ পোৱা যায়।

## ১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া সাহিত্যৰ ৰোমাণ্টিক কবিতাৰ প্ৰথম তৰংগৰ বিষয়ে এটি আলোচনা দাঙি ধৰক

২। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি বিচাৰ কৰি এই যুগৰ প্ৰথম তৰংগৰ কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

৩। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সম্বন্ধে এটি প্ৰবন্ধ লিখক।

৪। অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসত চন্দ্ৰকুমাৰ আগৰৱালাৰ ভূমিকাৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

৫। হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

৬। লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ শ্ৰেণীবিভাজন দেখুৱাই তেওঁৰ কবিতাৰ বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ লিখক।

৭। মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ পৰ্যালোচনা কৰক।

## ১.৭ প্ৰসংগ গ্ৰন্থ (Reference/Suggested Readings)

অৰ্চনা পূজাৰী

নগেন শইকীয় (সম্পা.) ঃ 'আসাম বন্ধু'

হেমবৰুৱা ঃ 'ৰমন্যাসবাদঃ অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি'

মহেশ্বৰ নেওগ ঃ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'

জ্যোতিফুকন গোঁহাই ফুকন ঃ 'অসমীয়া ৰমন্যাসিক কবিত'

নন্দ তালুকদাৰ ঃ 'কবি আৰু কবিতা'

*****

## দ্বিতীয় বিভাগ
## চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়'

**বিভাগৰ গঠানঃ**


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয়

২.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভ-সূচনা আৰু চন্দ্ৰকুমাৰ

২.৪.১ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'

২.৪.২ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী'

২.৫ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সামগ্ৰিক বিচাৰ

২.৬ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়'

২.৬.১ 'অজেয়' কবিতাটিৰ মূলপাঠ

২.৬.২ 'অজেয়' কবিতাৰ সৃষ্টিৰ আঁৰৰ কাহিনী

২.৬.৩ 'অজেয়' এক পৰ্যালোচনা

২.৭ সাৰাংশ (Summing Up)

২.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)

২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম তৰংগৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয় আৰু কাব্যকৃতিৰ বিষয়ে চমুকৈ দাঙি ধৰাৰ লগতে তেওঁৰ এটি আশাবাদৰ শক্তিশালী প্ৰকাশ 'অজেয়' নামৰ কবিতাটিৰ বিশ্লেষণ আগবঢ়োৱা হ'ব।

অসমীয়া কবিতাৰ ইতিহাসত ৰোমাণ্টিক যুগটো আপোন ভাব-শক্তিৰে সমুজ্জ্বল। এই যুগৰ অভ্যুত্থানৰ আঁৰত আছিল কলিকতা প্ৰবাসী এচাম নতুন চিন্তন-মননেৰে প্ৰদীপ্ত তৰুণ অসমীয়া। ১৮৮৮ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা গঠন কৰি জাতীয় ভাষা সাহিত্যৰ কল্যাণ সাধনৰ মহতী প্ৰচেষ্টাৰে ১৮৮৯ চনৰ ৯ মাৰ্চত তেওঁলোকে সভাৰ মুখপত্ৰ 'জোনাকী' প্ৰকাশ কৰিছিল। সাহিত্য যজ্ঞৰ এইসকল সাগ্নিকৰ তুলাচনীত সম্পাদকৰূপে যোগ্যভাৱেই বিবেচিত হৈছিল চন্দ্ৰকুমাৰ আগৰৱালা। যি গৰাকীয়ে 'জোনাকী'ৰ ১ম সংখ্যাতে 'বনকুঁৱৰী' কবিতাৰে পাতনি মেলিছিল অসমীয়া কবিতাৰ ৰোমাণ্টিক যাত্ৰাৰ। চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথমজন কবিয়েই

নহয় অন্যতম সাৰ্থক কবিও। ড° মহেশ্বৰ নেওগৰ কথাৰে — 'অসমীয়া কবিতাৰ ৰোমাণ্টিক ভঙ্গীৰ অনেক বৈশিষ্ট্যতে চন্দ্ৰকুমাৰ মাত্ৰ অগ্ৰসৰ এনে নহয়, তাৰ বহুতোবোৰ লক্ষণে তেওঁতে পূৰ্ণতাও লাভ কৰিছিল।' (অসমীয়া কবিতাৰ কাহিনী, সঞ্চয়ন, পৃ. ১১)

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয় দাঙি ধৰিব পাৰিব,
- চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব,
- চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' নামৰ কবিতাটিৰ সৃষ্টিৰ আঁৰৰ কাহিনী বিচাৰ কৰিব পাৰিব,
- চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' নামৰ কবিতাটিৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

## ২.৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয়

১৮৬৭ চনৰ ২৮ নৱেম্বৰত তেজপুৰৰ কলংপুৰ মৌজাত চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল হৰিবিলাস আগৰৱালা আৰু মাতৃ মলমা দেৱী। হৰিবিলাস আগৰৱালা আছিল সুদূৰ  ৰাজস্থানৰ জয়পুৰৰ 'টাইৰ' গাঁৱৰ পৰা ভাগ্যৰ অন্বেষণত আহি অসমৰ পৰিৱেশত সম্পূৰ্ণ অসমীয়া মন এটাৰ গৰাকী হৈ উঠা নওৰঙ্গৰাম আগৰৱালাৰ দ্বিতীয় পুত্ৰ। এই হৰিবিলাসেই প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাৰ অমূল্য সম্পদ কীৰ্তন, নামঘোষা ছপাত প্ৰকাশ কৰিছিল। চন্দ্ৰকুমাৰৰ স্কুলীয়া শিক্ষা তেজপুৰতে আৰম্ভ হৈছিল যদিও পৰৱৰ্তী কিছু সময়ৰ বাবে তেওঁ কলিকতাৰ হেয়াৰ হাইস্কুলত পঢ়িছিল। অৱশ্যে তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰাই তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সি কলেজত নামভৰ্তি কৰেগৈ। প্ৰেছিডেন্সি কলেজৰ পৰাই তেওঁ এফ.এ. পৰীক্ষাত উত্তীৰ্ণ হয়।

কলিকতাত থকা অৱস্থাত চন্দ্ৰকুমাৰে একে সময়তে ঘৰুৱা ব্যৱসায়ৰ কামো চম্ভালিছিল আৰু কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ দলৰ প্ৰতিষ্ঠিত অ.ভা.উ.সা. সভাৰ হৈ মুখপত্ৰ 'জোনাকী'ৰ একেধাৰে কাৰ্যাধ্যক্ষ, পৃষ্ঠপোষক আৰু সম্পাদকৰ দায়িত্বও সামৰিছিল। আলোচনীখনৰ প্ৰথম সম্পাদক হিচাপে তেওঁৰ ভূমিকা ঐতিহাসিক। উল্লেখযোগ্য যে এই সময়ছোৱাত কবিয়ে আগৰৱালাৰ পৰিৱৰ্তে গুপ্ত উপাধি লেখিছিল।

'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাতে 'বনকুঁৱৰী' কবিতাৰে কবি জীৱনৰ পাতনি মেলা চন্দ্ৰকুমাৰৰ প্ৰথম কাব্যগ্ৰন্থ 'প্ৰতিমা' প্ৰকাশ পাইছিল ১৯১৪ চনত। 'বীণ ব'ৰাগী' ১৯২৩ চনত। ১৯১৮ চনত ডিব্ৰুগড়ৰ পৰা 'অসমীয়া' কাকত প্ৰকাশ কৰি চন্দ্ৰকুমাৰে সংবাদ সাহিত্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯২৪ চনত গুৱাহাটীৰ

খাৰঘূলিত নিউ প্ৰেছ স্থাপন কৰি তাৰে পৰাই 'সাদিনীয়া অসমীয়া' প্ৰকাশ কৰিছিল। ছবছৰৰ পিছত কাকতখন তিনিদিনীয়াকৈ প্ৰকাশ পাইছিল। ১৯৩৭ চনৰ ২ মাৰ্চত গুৱাহাটীত চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যু হয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যুৰ পিছত ১৯৬৭ চনত অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত চন্দ্ৰকুমাৰৰ অপ্ৰকাশিত কেইটামান কবিতা আৰু কিছু গদ্যৰ সমাহাৰ 'চন্দ্ৰামৃত' নামেৰে প্ৰকাশ হয়। 'প্ৰতিমা', 'বীণ ব'ৰাগী' আৰু 'চন্দ্ৰামৃত'ৰ কবিতামুঠিক একত্ৰে সংকলন কৰে ড° নগেন শইকীয়াই 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ' নামেৰে ১৯৯৩ চনত। চন্দ্ৰকুমাৰৰ মৃত্যুত দুখ প্ৰকাশ কৰি অসম সাহিত্য সভাই যথাৰ্থভাবেই লেখিছিল —

আধুনিক অসমীয়া মন্দিৰৰ এগছি পৱিত্ৰ শলিতা নুমাল। অসমীয়া সাহিত্যৰ এক আন্ধাৰৰ কালত জোনৰ পোহৰ বিলাওঁতা এটি 'জোনাকী' আজি মাটিত পৰিল।

## ২.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভ-সূচনা আৰু চন্দ্ৰকুমাৰ আগৰৱালা

'জোনাকী'ৰ প্ৰথম সংখ্যাত 'বনকুঁৱৰী'ৰ মাজেৰে কবিৰ আত্মপ্ৰকাশে অসমীয়া সাহিত্যানুৰাগী আৰু বিদ্বৎমণ্ডলীৰ মাজত নতুন আস্থা আৰু আশাৰ পৰিবেশ নিৰ্মাণ কৰিছিল। 'বনকুঁৱৰী'য়ে সৃষ্টি কৰা এই উৎসাহপ্ৰদ পৰিবেশৰ বৰ্ণনা লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত এনেকৈ কৰিছে —

> 'মনত আছে, এদিন ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি.এ. আৰু মাণিক চন্দ্ৰ বৰুৱাই মোৰ হতুৱাই 'বনকুঁৱৰী' কবিতাটো পঢ়াই শুনি, বিস্ময়-বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলোঁ যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱৰ্ডচৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে।' (মোৰ জীৱন সোঁৱৰণ, পৃ. ৪৮, বেজবৰুৱা গ্ৰন্থাৱলী, ১ ম খণ্ড)

২২ বছৰীয়া ছাত্ৰ চন্দ্ৰকুমাৰৰ এই সাফল্যৰ আঁৰত কি আছিল জানিবলৈ হ'লে কবিৰ কাব্যমানস নিৰ্মাণৰ পৃষ্ঠভূমি জনা দৰকাৰ। পূৰ্বে উল্লেখ কৰাৰ দৰেই চন্দ্ৰকুমাৰ আছিল অসমৰ এক শক্তিশালী সাংস্কৃতিক পৰিয়ালৰ উত্তৰসুৰী। পিতৃ হৰিবিলাসৰ পৰা তেওঁ জন্মসূত্ৰে লাভ কৰিছিল প্ৰৱল সাংস্কৃতিক চেতনা আৰু জাতীয় দায়বদ্ধতা। তদুপৰি এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ আগে-পাছে তেওঁৰ কলিকতাৰ সৈতে এক মানসিক সম্পৰ্ক স্থাপন হৈছিল। কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ ছাত্ৰ হিচাপে প্ৰত্যক্ষ ৰূপত ৰোমাণ্টিক সাহিত্যৰ সোৱাদ লভিবলৈ সক্ষম হোৱা বেজবৰুৱা, চন্দ্ৰকুমাৰ প্ৰভৃতি ছাত্ৰসকলে বঙ্গীয় সাহিত্যৰ মাধ্যমেৰে পৰোক্ষ ৰূপত ৰোমাণ্টিক চিন্তা-চেতনাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। সৰ্বোপৰি আছিল 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জৰিয়তে ভাষা-সাহিত্যৰ সাময়িক দুৰ্গতি গুচাই, সামগ্ৰিক প্ৰগতি আনিবৰ বাবে কৃতসংকল্প অসমীয়া ছাত্ৰ দলৰ এজন হিচাপে

জাতিৰ মঙ্গলাৰ্থে কিবা কৰাৰ তাড়না। সেই ছাত্ৰ দলৰ অগ্ৰগণ্যসকলৰ ভিতৰৰ লক্ষ্মীনাথ বেজবৰুৱা (বেজ) আৰু হেমচন্দ্ৰ গোস্বামীৰ (গোঁসাই)ৰে সৈতে চন্দ্ৰকুমাৰ আগৰৱালা (মাজিউ)ৰ গভীৰতম আৰু মধুৰতম সম্পৰ্ক স্থাপন হয়। যি সংহতি অসমীয়া জাতীয় জীৱনত 'জোনাকী যুগৰ ত্ৰিমূৰ্তি' নামেৰে স্বীকৃত, বন্দিত আৰু চৰ্চিত। চন্দ্ৰকুমাৰৰ কাব্যমানস নিৰ্মাণত নিঃসন্দেহে এই সংযোগ তাৎপৰ্যপূৰ্ণ হৈ উঠিছিল। সামাজিকভাৱে দায়বদ্ধ এটা মন, আধ্যাত্ম চিন্তাত নিবিষ্ট কৰ্মকঠোৰ এক ব্যক্তিত্ব আৰু মাতৃভূমিৰ মঙ্গলাকাংক্ষাই নিয়ন্ত্ৰণ কৰা ভৱিষ্যভাৱনাই কবি চন্দ্ৰকুমাৰক নিৰ্মাণ কৰিছিল। সেয়ে ব্যক্তি চন্দ্ৰকুমাৰক কবি চন্দ্ৰকুমাৰৰ মাজতে বিচাৰি পোৱা যায়।

### ২.৪.১ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'

'বনকুঁৱৰী'ৰ মাজেদি অসমীয়া কবিতাত ৰোমাণ্টিকতাৰ শুভ সূচনা কৰোঁতা চন্দ্ৰকুমাৰৰ প্ৰথম কাব্যগ্ৰন্থ 'প্ৰতিমা' প্ৰকাশ পাইছিল ১৯১৪ চনত। সংকলনটিত মুঠ ৪৬টা কবিতা প্ৰকাশ পাইছিল। 'ৰোমাণ্টিক সাহিত্য মূলতঃ কল্পনাৰ দৃষ্টিৰে জীৱন আৰু জগতৰ প্ৰকাশ। কবিয়ে 'প্ৰতিমা'ৰ প্ৰথম কবিতা 'প্ৰতিমা'ত তেনে ভাবোচ্ছাসৰে ইংগিত দিছে।' (লক্ষ্মীকান্ত মহন্ত, 'অসমীয়া সাহিত্য অধ্যয়ন' পৃ. ২৭১)। সংখ্যাগত দিশত নহয়, 'প্ৰতিমা'ৰ কবিতাসমূহ গুণগত বিচাৰত আছিল অতুলনীয়। এফালে পাশ্চাত্য প্ৰভাৱ আৰু আনহাতে ভাৰতীয় দাৰ্শনিক চিন্তাৰ সমন্বয়ত 'প্ৰতিমা'ৰ কবিতামুঠি হৈ উঠিছে গভীৰ আৰু তীব্ৰ অনুভূতি প্ৰকাশক। বেজবৰুৱাই কবিতা মুঠিৰ শিল্পগত সফলতাৰ প্ৰতি মনোনিৱেশ কৰি কৈছিল — 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।' এই অপূৰ্ব সাহিত্যকৃতিয়েই আগৰৱালাক 'প্ৰতিমাৰ খনিকৰ' পৰিচয় প্ৰদান কৰিলে।

'প্ৰতিমা' শীৰ্ষক কবিতাৰে আৰম্ভ হোৱা 'প্ৰতিমা'ৰ শেষৰ কবিতাটোৰ নাম 'জোনাকী'। গভীৰ নান্দনিক চেতনা সমৃদ্ধ, মানৱতাত বিশ্বাস, পাশ্চাত্য সাহিত্যাদৰ্শ আৰু প্ৰাচ্যৰ ভাবাদৰ্শৰ সু-সমন্বয়ৰে কবি চন্দ্ৰকুমাৰৰ বহু মহত্তম সৃষ্টিও প্ৰতিমাতে সন্নিবিষ্ট হৈ আছে। 'কিশোৰী', 'মাধুৰী', 'মানৱ বন্দনা', 'বনকুঁৱৰী', 'নিয়ৰ', 'জলকুঁৱৰী', 'তেজীমলা' আদি অসমীয়া সাহিত্যৰ শক্তিশালী কবিতাৰ সংগ্ৰহ 'প্ৰতিমা'ৰ বিষয়ে ড° হেমন্ত কুমাৰ শৰ্মাই কৈছে — 'প্ৰতিমা' প্ৰাচ্য আৰু পাশ্চাত্য এই দুই ভাবধাৰাৰে বিকশিত এধাৰি ফুলৰ মালা, তাত আছে বিচিত্ৰ ৰঙৰ সৌন্দৰ্য আৰু আৱেগৰ সৌৰভ। সঁচাকৈয়ে 'প্ৰতিমা' আগৰৱালাৰ এক অপূৰ্ব সৃষ্টি। (চন্দ্ৰকুমাৰৰ কাব্য-প্ৰতিভা ঃ 'প্ৰতিমা, চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ-বিশ্লেষণ, পৃ. ৫৭)

*কলিকতাৰ প্ৰেচিডেন্সী কলেজত পঢ়া কালত চন্দ্ৰকুমাৰ প্ৰবাসী অসমীয়া ছাত্ৰসকলে প্ৰতিষ্ঠা কৰা অ.ভা.উ.সা. অৰ্থাৎ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সৈতে জড়িত হৈ পৰে। সভাৰ মুখপত্ৰ 'জোনাকী'ৰ প্ৰথম সম্পাদক হিচাপে তেওঁ 'জোনাকী'*

*আলোচনীখনৰ প্ৰথম দুটা খণ্ড সম্পাদনা কৰে। 'জোনাকী'ৰ প্ৰথম সংখ্যাতে 'বনকুঁৱৰী' কবিতাৰে অসমীয়া কবিতালৈ ৰোমাণ্টিক চেতনাক আদৰি অনা চন্দ্ৰকুমাৰে ১৯১৪ চনত প্ৰকাশ কৰে প্ৰথম কবিতাপুথি 'প্ৰতিমা' আৰু ১৯২৩ চনত দ্বিতীয়খন কবিতাপুথি 'বীণ ব'ৰাগী'। 'প্ৰতিমাৰ খনিকৰ' ৰূপে পৰিচিত চন্দ্ৰকুমাৰৰ কবিতাৰ মাজত ৰোমাণ্টিক কবিতাৰ সকলোবোৰ লক্ষণেই প্ৰকাশ পাইছিল। ১৯১৮ চনত চন্দ্ৰকুমাৰে ডিব্ৰুগড়ৰ পৰা 'অসমীয়া' কাকত প্ৰকাশ কৰে। ১৯২৪ চনত গুৱাহাটীৰ খাৰঘুলিত নিউ প্ৰেছ স্থাপন কৰে আৰু তাৰ পৰাই 'অসমীয়া' সাদিনীয়া ৰূপত প্ৰকাশ হ'বলৈ ধৰে। ছবছৰৰ পাছত 'সাদিনীয়া অসমীয়া' তিনিদিনীয়াকৈ প্ৰকাশ হৈছিল। কবি, আলোচনীৰ সম্পাদক ৰূপে চন্দ্ৰকুমাৰৰ ভূমিকা তাৎপৰ্যপূৰ্ণ আছিল। ইয়াৰ উপৰি 'বাঁহী'ৰ দৰে আলোচনীকো চন্দ্ৰকুমাৰে পৰৱৰ্তী সময়ত পৃষ্ঠপোষকতা প্ৰদান কৰিছিল। ১৯৫৭ চনত প্ৰকাশিত হয় 'চন্দ্ৰামৃত'।*

### ২.৪.২ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী'

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী' কাব্যগ্ৰন্থৰ নামকৰণ ৯টা ছেদৰ 'বীণ-ব'ৰাগী' শীৰ্ষক সুদীৰ্ঘ কবিতাটিৰ আধাৰতে কৰা হৈছে যদিও গ্ৰন্থখনিৰ প্ৰথম কবিতাটো হৈছে 'মহাত্মা'। ১৯২১ চনত ডিব্ৰুগড়ৰ বাসভৱনত গান্ধীৰ মহৎ ব্যক্তিত্বৰ সান্নিধ্যলৈ আহি সক্ৰিয় ৰাজনীতিৰ পৰা বহু নিলগত অৱস্থান কৰা চন্দ্ৰকুমাৰ গান্ধীৰ প্ৰশস্তি কাব্য ৰচনা কৰিবলৈ অনুপ্ৰাণিত হৈছিল। ৯টা ছেদ যুক্ত 'বীণ-ব'ৰাগী' চন্দ্ৰকুমাৰৰ কাব্য প্ৰতিভাৰ অনুপম স্বাক্ষৰ। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত — 'বীণ-ব'ৰাগী' নামৰ নটা ছেদৰ দীঘলীয়া কবিতাটিতে ৰোমাণ্টিক ভাৱধাৰাৰ বহুবৰ্ণময় ৰূপচ্চটা উদ্ভাসি উঠিছিল।' (কবিতাৰ সৌৰভ, পৃ. ৫৩) চন্দ্ৰকুমাৰৰ কবিতাৰ প্ৰায় সমগ্ৰ লক্ষণ সুদীৰ্ঘ কবিতাটোৰ মাজতে প্ৰকাশিত হৈছিল। সুদীৰ্ঘ কবিতাটোৰ প্ৰথম ছেদত নিঃস্ব আৰ্তজনৰ এজন হৈ উঠিব পৰা কবিৰ মানৱীয়বোধ, দ্বিতীয় ছেদত সমাজ আৰু সমকালৰ নিষ্ঠুৰতা আৰু ভণ্ডামীৰ প্ৰতি বাস্তৱ তীক্ষ্ণ দৃষ্টি, তৃতীয় ছেদত বিপ্লৱী ভাৱনাৰে সমাজখন ন-কৈ গঢ়াৰ ইচ্ছা আৰু মানৱীয় অনুভূতিৰ তীব্ৰতা, চতুৰ্থ ছেদত আধ্যাত্মিক অন্তৰ্দৃষ্টিৰে বিশ্বব্ৰহ্মাণ্ডক নিজৰ অন্তৰ্দেশৰ প্ৰতিফলন ৰূপত কল্পনা, পঞ্চম ছেদত দাৰ্শনিক ৰাহস্যিকৰ অনুসন্ধিৎসাৰে জীৱনৰ পৰম সত্যক স্পৰ্শ কৰাৰ চেষ্টা, ষষ্ঠ ছেদত অধিক দাৰ্শনিক সূক্ষ্মতাৰে অন্তৰ ৰাজ্যতে মহাযাত্ৰাৰ ৰাজপথ আৱিষ্কাৰৰ প্ৰযত্ন, সপ্তম ছেদত পৰমজনৰ ওচৰত সম্পূৰ্ণ ৰূপে নিজকে সমৰ্পণ, অষ্টম ছেদত অন্তৰ্মুখীতাৰে আত্মা-পৰমাত্মাৰ ব্যাখ্যা আৰু নৱম ছেদত পাৰ্থিৱ নহয় অপাৰ্থিৱ এক আধ্যাত্মিক উপলব্ধিহে প্ৰকৃত সুখৰ উৎস ৰূপত ঘোষণা কৰা হৈছে। চন্দ্ৰকুমাৰৰ অনুভূতিৰ বিশালতা আৰু বোধৰ গভীৰতা ইয়াত স্পষ্ট।

গ্ৰন্থখনিৰ অন্যান্য কবিতাসমূহৰ ভিতৰত 'আনন্দতীৰ্থ'ত 'বীণ-ব'ৰাগী'ৰ ভাবৰ প্ৰতিধ্বনি স্পষ্ট। 'প্ৰপঞ্চ', 'সেৱা লহৰী', 'পশুবল', 'আৰু কিয়?', 'যাত্ৰা', 'অন্নদান',

'লটি-ঘটি', 'নঙঠা ফকিৰ', 'নতুন বছৰ' আদি কবিতাত তেওঁৰ কাব্য ভাৱনাৰ স্বৰূপ-বৈচিত্ৰ্য প্ৰতিফলিত হৈছে।

'প্ৰতিমা'ৰ দৰেই 'বীণ-ব'ৰাগী'ও চন্দ্ৰকুমাৰৰ কাব্য কুশলতাৰ অনুপম স্বাক্ষৰ। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাত — 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী' দুজোপা সোণৰ-ৰূপৰ ফুল গছৰ দৰে জকমকাই অসমীয়া সাহিত্যত কবিতাৰ মূল্য ভাষাত সোণসেৰীয়া আৰু ভাৱত হীৰা মূলীয়াকৈ থৈছে।' (চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ ৰচনাৱলী, পৃ. ৬৭৩)

কেৱল ঐতিহাসিক বিচাৰতে নহয় শিল্পগত বিচাৰতো অসমীয়া কবিতাৰ প্ৰথমজন ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ স্থান অসমীয়া সাহিত্যৰ ইতিহাসত একক আৰু অনন্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

'প্ৰতিমাখন সৰু হ'লেও নিভাঁজ সোণৰ' — উক্তিটোৰ তাৎপৰ্য বিচাৰ কৰক।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

## ২.৫ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সামগ্ৰিক বিচাৰ

চন্দ্ৰকুমাৰৰ কবিতা প্ৰাচ্য আৰু পাশ্চাত্য ভাৱ-দৰ্শনৰ শক্তিশালী সমন্বয়। এফালে ৱৰ্ডচৱৰ্থ, ক'লেৰিজ, কীট্‌ছ, শ্যেলিৰ ৰোমাণ্টিক ভাবাদৰ্শৰ প্ৰভাৱত নতুন ভাব, বিষয়, ৰূপ, ৰসৰে পুৰণিৰ পৰা আঁতৰি অহাৰ প্ৰস্তুতি আনফালে বৈষ্ণৱ সাহিত্য সংস্কৃতি প্ৰদত্ত সনাতন প্ৰমূল্য আৰু জীৱনবোধৰ অনিবাৰ্য প্ৰভাৱে চন্দ্ৰকুমাৰৰ কাব্য মানস নিৰ্মাণ কৰিছিল। পশ্চিমীয়া আদৰ্শক অনুসৰণ কৰোঁতে একে সময়তে ৰোমাণ্টিক কবিতাত ঐতিহ্যলব্ধ ভাবাদৰ্শ কিদৰে সক্ৰিয় হৈ আছে এই বিষয়ে প্ৰকাশ গোস্বামীয়ে লেখিছে —

> আগৰৱালাৰ দীঘল কবিতা 'বীণ-ব'ৰাগী'ৰ মূল ভাববস্তু মানৱপ্ৰেম, কিন্তু কবিতাটিৰ শেষৰ ফালে কবিৰ সেই মানৱ প্ৰীতিয়ে এক আধ্যাত্মিকতাৰ স্তৰ লাভ কৰিছে আৰু অসমৰ বৈষ্ণৱ ধৰ্মীয় আদৰ্শই এই ক্ষেত্ৰত তেওঁক প্ৰভাৱিত কৰিছে। কবিতাটিৰ শেষৰ ফালে আমি দেখা পাওঁ ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ সোঁতেদি ব'ৰাগীয়ে আগুৱাই গৈ দুখহাৰী পতিতপাৱন জগত স্বামীৰ সান্নিধ্য বিচাৰিছে আৰু তাৰ ফলত মহাপ্ৰয়াণৰ যাত্ৰী বীণ-ব'ৰাগীৰ চকুত সমগ্ৰ জগতখনেই নতুন ৰূপত প্ৰতিভাত হৈছে। তদুপৰি, বীণ-ব'ৰাগী নামটোৱেই অসমৰ লোক জীৱনৰ লগত গভীৰভাৱে সম্পৃক্ত। একেদৰে

আগৰৱালাৰ আন এটি উল্লেখযোগ্য কবিতা 'নিয়ৰ'ত কবিৰ সৌন্দৰ্যপ্ৰিয়তাই প্ৰধান ভাববস্তু ৰূপে প্ৰকাশ লাভ কৰিছে, কিন্তু কবিতাটিৰ মূল ভাবশক্তি জীৱনৰ ক্ষণস্থায়িত্ব। জীৱনৰ ক্ষণস্থায়িত্ব সম্পৰ্কীয় এনে ভাবশক্তি আমাৰ লোকগীততো ধ্বনিত হৈছে। (অসমীয়া ৰোমাণ্টিক কবিতাৰ ঐতিহ্য, ঐতিহ্য অসমীয়া সাহিত্য, পৃ. ২০৬)

মানুহ, প্ৰকৃতি আৰু জীৱনক কবিতাত বিভিন্ন দৃষ্টিৰে পৰ্যবেক্ষণ আৰু ৰূপায়ণ কৰোঁতে প্ৰাচীন ভাৰতীয় চিন্তাধাৰা আৰু বৈষ্ণৱ ঐতিহ্যৰ লগত পশ্চিমৰ নতুন ভাব-চিন্তা-অনুভূতিৰ সু-সমন্বয় সাধন কৰি চন্দ্ৰকুমাৰে ঊনবিংশৰ অসমীয়া কবিতালৈ নতুনত্ব আনিলে। কেৱল নতুনত্ব অনাই নহয়, এই নতুন কাব্যধাৰাক প্ৰতিষ্ঠাও কৰি গ'ল।

### ২.৬ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়'

আমি ইতিমধ্যেই আলোচনা কৰিছো যে চন্দ্ৰকুমাৰৰ কবিতাৰ আশাবাদৰ শক্তিশালী প্ৰকাশ হৈছে 'অজেয়' কবিতাটো। এই অনুচ্ছেদত কবিতাটিৰ ৰচনাৰ পটভূমি দাঙি ধৰি এটি পৰ্যালোচনা আগবঢ়োৱা হ'ব।

### ২.৮.১ 'অজেয়' কৱিতাটিৰ মূলপাঠ

হে নিয়তি, তই যদিও দুখৰ
        পিহনি-শিলত থই
ভাঙিলি মোৰ জীৱন-শস্য
        চুৰ্ণ-বিচুৰ্ণ কই,
বাৰু চাবি মোৰ চকুলোৰে তাকে
        সানি-পুটকি লই
বান্ধিম আশাৰ পিঠা-পনা লাৰু
        —ভুঞ্জি নিচুকিব অই।
সহস্ৰ হৃদয়—যালৈ নেমেলে
        পথাৰৰ শস্যয়ো থোক,
তিতিকি কেতুৰি বন-খাৰধিও
        মিলক বা নিমিলক?
হে নিয়মত, তই
        ফুটন্ত জীৱন মোৰ
ভসম কৰিলি ধূলি উৰুৱালি
        গছকি পেলালি ওৰ,

চা হেৰ চা
চাওঁতে চাওঁতে উপচি পৰিল
    ফুলে-পাতে (মোৰ) কুঞ্জলতা
স্নিগ্ধ প্ৰেমৰ জীৱন-দায়িনী
    শাখা-প্ৰশাখা-যুতা,
সহস্ৰ হৃদয় জিৰাব ইয়াতে
    —ফুলিব মৰুৰ মাজে
য'ত নাছিল একোৱেই কঠুৱা কালৰ
    কাঁইট-কলিত বাজে !

**২.৬.২ 'অজেয়' কবিতাৰ সৃষ্টিৰ আঁৰৰ কাহিনী**

চন্দ্ৰকুমাৰৰ জীৱনৰ এটি দুখাবহ ঘটনা 'অজেয়' সৃষ্টিৰ আঁৰত বৰ্তমান। চন্দ্ৰকুমাৰৰ তিনিজন পুত্ৰ আছিল। নবীন কুমাৰ, অৰুণ কুমাৰ আৰু তৰুণ কুমাৰ। দ্বিতীয় পুত্ৰ অৰুণ কুমাৰে বিলাতলৈ যাবলৈ বিচাৰিছিল। কিন্তু তেওঁৰ চৰিত্ৰত চিত্ত চঞ্চলতা দেখি চন্দ্ৰকুমাৰে পুত্ৰক বিলাতলৈ পঠাবলৈ মান্তি হোৱা নাছিল। অৰুণে নিজা উদ্যোগতে ইটালীয়ান জাহাজ এখনৰ কৰ্মচাৰীৰ সৈতে বন্ধুত্ব কৰি সেই জাহাজৰ নাৱিক হিচাপে বিদেশ ভ্ৰমণৰ সুযোগ উলিয়াই লৈছিল। কিন্তু জাহাজ এৰাৰ আগমুহূৰ্তত মাকলৈ মনত পৰাত তেওঁ উভতি আহে। কিন্তু বিলাত যাত্ৰাৰ বাবে পুনৰ পিতৃৰ অনুমতি বিচাৰি দেউতাকৰ সঁহাৰি নাপায় ক্ষুব্ধ হৈ অৰুণে আত্মহত্যাৰ পথ বাছি লয়। এই কথাই কৰ্তব্য কঠোৰ চন্দ্ৰকুমাৰৰ মনত গভীৰ আঘাত দিয়ে। কিন্তু তেওঁ বিচলিত নহয়। এই বিষয়ে 'চন্দ্ৰকুমাৰক যেনেকৈ জানো' শীৰ্ষক ৰচনাত পদ্মধৰ চলিহাই লেখিছে —

> 'এদিন ৰাতিপুৱা শুনিলো চন্দ্ৰকুমাৰৰ মাজিউ পুতেক অৰুণ কুমাৰে কিবা গুপুত কাৰণত ডিঙিত চিপজৰী লগাই আত্মহত্যা কৰিলে। বাতৰিটো পাই বিনা মেঘে বজ্ৰাঘাতৰ নিচিনা লাগিল। বাই চাইকেল লৈ এজন বন্ধুৰে সৈতে ওলালোগৈ চন্দ্ৰকুমাৰৰ খলিহামাৰীৰ বাসভৱনত। আমি ভাবিছিলো বুঢ়া বয়সত এই দাৰুণ সন্তাপ পাই চন্দ্ৰকুমাৰ নিশ্চয় অতি বিহ্বল আৰু কাতৰ হৈছে। কিন্তু গৈ দেখো তেওঁ বঙলাৰ বাৰান্দাত তহল দি নিৰ্বিকাৰ চিত্তেৰে আছে। মোক দেখি 'অ' চলিহা, আঁহা' বুলি সাদৰে মাতিলে। আমি সমবেদনাসূচক কথা ক'বলৈ নৌপাওঁতেই তেওঁ শ্ৰীমদ্ভাগৱত গীতাৰ স্তোত্ৰ কিছুমান গাই আমাকহে বুজনি দিবলৈ ধৰিলে। (পদ্মধৰ চলিহা, চন্দ্ৰকুমাৰক যেনেকৈ জানো', শশী শৰ্মা (সম্পা.) চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা, পৃ. ১২)

চন্দ্ৰকুমাৰৰ পিতৃ হৃদয় আঁহত হৈছিল তাত সন্দেহ নাই কিন্তু নীৰৱে গীতাৰ কৰ্মযোগ আৰু জ্ঞানযোগৰ আদৰ্শ সাৰোগত কৰি লোৱা চন্দ্ৰকুমাৰে সত্যক গ্ৰহণ কৰিব জানিছিল। জীৱনৰ নঞৰ্থক পৰিস্থিতিক ইতিবাচক চিন্তাৰে গ্ৰহণ কৰিছিল। সেয়ে পুত্ৰৰ মৃত্যুৰ এই অনাকাংক্ষিত মুহূৰ্তটিত ৰোমাণ্টিক দুখবিলাসতকৈ বাস্তৱৰ কঠোৰতাত মূৰ দাঙি উঠাৰ সংকল্পহে কবিতাৰ মাজেদি ধ্বনিত হৈছিল।" 'অজেয়' নামৰ কবিতাটি পঢ়িলে বুজিব পাৰি যে জুইত পুৰিলে সোণ উজ্জ্বল হোৱাৰ দৰে নিয়তিৰ দুখৰ পিহনি শিলত কষ্ট ভোগ কৰা কবিয়ে জীৱনত নতুন উৎসাহ পাইছে। দৰাচলতে অসমীয়া সাহিত্যত 'অজেয়'ৰ সৈতে তুলনা কৰিব পৰা কবিতা বিৰল।" (যতীন্দ্ৰ নাথ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ ধাৰা, চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা, পৃ. ১২৮)

**২.৬.৩ 'অজেয়' এক পৰ্যালোচনা**

'অজেয়' আৰম্ভ হৈছে বাস্তৱিক দুখৰ প্ৰসংগৰে।

হে নিয়তি, তই যদিও দুখৰ
পিহনি শিলত থই
ভাঙিলি মোৰ জীৱন শস্য
চূৰ্ণ-বিচূৰ্ণ কই,

নিয়তিক অৰ্থাৎ ভাগ্যক উদ্দেশ্য কৰি কবিয়ে কৈছে যে তেওঁৰ জীৱনৰ শস্যক ভাগ্যই দুখ যন্ত্ৰণাৰ পিহনি শিলত থৈ চূৰ্ণ-বিচূৰ্ণ কৰি পেলাইছে। শইচ অৰ্থাৎ সহ হৈছে সম্ভাৱনাৰ প্ৰতীক, ভৱিষ্যতৰ প্ৰতীক। মানুহে সন্তানৰ মাজত নিজৰ ভৱিষ্যত দেখা পায়। নিজকে নিজৰ সন্তানৰ মাজত থৈ যাবলৈ বিচাৰে, থৈ যায়। দুৰ্ভাগ্যবশতঃ চন্দ্ৰকুমাৰৰ এজন ডেকা পুত্ৰই আত্মহত্যাৰ পথ বাছি লৈছিল। সন্তানৰ মৃত্যু পিতৃৰ বাবে আছিল তেওঁৰ ভৱিষ্যতৰ কঠিয়াক পিহনি শিলত গুড়ি কৰি কণ-কঠিয়া মৰাৰ দৰে। কিন্তু কবিয়ে দুখেৰে আৰম্ভ কৰিলেও সেই দুখৰ মাজৰ পৰাই পুনৰ ন-আশাবাদেৰে সাৰ পাই উঠিছে। কবি 'অজেয়'। দুখ আৰু ভাগ্যৰ বিড়ম্বনাক জয় কৰি তেওঁ তাৰ মাজৰ পৰাই নতুন জীৱনৰ সন্ধান কৰিব খুজিছে।

কবিয়ে লিখিছে জীৱন শস্যৰ সেই অৱশিষ্টক দুখৰ চকুলোৰে সানি পুতকি তেওঁ আশাৰ পিঠা-পনা, লাৰু তৈয়াৰ কৰিব। যি দুখিত হৃদয়ক সান্ত্বনা দিব —

বাৰু চাবি মোৰ চকুলোৰে তাকে
সানি-পুটকি লই
বান্ধিম আশাৰ পিঠা-পনা লাৰু
ভুঞ্জি নিচুকিব অই।

আশাবাদী চন্দ্ৰকুমাৰে দুখৰ মাজৰ পৰাই জীৱনৰ সান্ত্বনা বিচাৰি ল'ব খুজিছে। কবিয়ে এইখিনিতে ব্যক্তিগত অনুভৱক সমূহৰ ৰূপ দি তুলিছে। চন্দ্ৰকুমাৰৰ সফলতা আৰু

অভিনৱত্ব তাতেই। কবি এনে সহস্ৰজনৰ এজন হৈ উঠিছে যাৰ জীৱন-শস্য কিয় পথাৰৰ শস্যৰ সঁহাৰিও জীৱনত নাই। ‘তিতিকি কেতুৰি - বন খাৰধি’ৰে যাৰ জীৱন তিক্ত বিৰক্ত-ৰিক্ত। সেই সকলোৰে মাজৰ এজন হৈ চন্দ্ৰকুমাৰে ন-কৈ আশাৰ সন্ধান কৰিছে।

সহস্ৰ হৃদয় যাঁলৈ নেমেলে
পথাৰৰ শস্যয়ো থোক
তিতিকি কেতুৰী বন-খাৰধিও
মিলক বা নিমিলক।

আশাবাদী কবিক বাৰে বাৰে বাস্তৱৰ দুখ-যন্ত্ৰণাই আগছি ধৰিছে —

হে নিয়তি তই
যদিও দুখৰ অগনি কুণ্ডত
ফুটন্ত জীৱন মোৰ
ভছম কৰিলি ধূলি উৰুৱালি
গছকি পেলালি ওৰ,

নিয়তিয়ে তেওঁৰ সম্ভাৱনাৰ শইচ উন্মূলিত হওঁতেই তাক শেষ কৰি পেলালে। গছকি-মোহাৰি ধূলিলৈ ৰূপান্তৰ কৰিলে। উপমাৰ ইমান কুশল ব্যৱহাৰ। কিন্তু কবিয়ে হাৰ মানিব নোখোজে। যদিও অংকুৰিত হ’ব খোজা তেওঁৰ জীৱন শস্য নিয়তিয়ে ধ্বংসাৱশেষত পৰিণত কৰিলে ন-আশাৰে কবিয়ে কৈ উঠিছে —

চা হেৰ’ চা —
চাওঁতে চাওঁতে উপচি পৰিল
ফুলে-পাতে (মোৰ) কুঞ্জলতা।
স্নিগ্ধ প্ৰেমৰ জীৱন দায়িনী
শাখা-প্ৰশাখা যুতা

কবিৰ জীৱন পুষ্প তাৰ মাজৰ পৰাই লহপহকৈ বাঢ়ি আহিল। ফুল-পাতেৰে পৰিপূৰ্ণ হৈ উঠিল। কেৱল নিজৰ বাবে নহয়; সমূহৰ বাবে হৈ উঠিল, যি বৃক্ষই মানুহক জীৱন দায়িনী স্নিগ্ধ প্ৰেমৰ সন্ধান দিব। মানুহক দিব আশ্ৰয়। মৰুৰ মাজত, সম্ভাৱনাহীনতাৰ মাজত কঠুৱা কাঁইটৰ সম্ভাৱনাৰ বাস্তৱতাক ওফৰাই জীৱন ফুল হৈ ফুলিব।

সহস্ৰ হৃদয় জিৰাব ইয়াতে
ফুলিব মৰুৰ মাজে
য’ত নাছিল একোৱেই কঠুৱা কালৰ
কাঁইট কলিত বাজে।

সমগ্ৰ কবিতাত বাস্তৱিক দুখবোধক ওফৰাই ন-কৈ জীৱনক গ্ৰহণ কৰাৰ দৰ্শন স্পষ্ট। বহু সময়ত ইয়াক ৰোমাণ্টিক দুখবাদ বা বাস্তৱ বিবৰ্জিত বিকল্পৰ সন্ধান যেন লাগে। কিন্তু ব্যক্তিত্বশালী চন্দ্ৰকুমাৰৰ কবিতাৰ পৃষ্ঠভূমি বা কবি মানস নিৰ্মাণৰ আঁৰৰ কাহিনী জানিলে

বুজিব পাৰি সেয়াযে ৰোমাণ্টিক দুখবিলাস বা বাস্তৱ বিমুখিতা নহয়। গীতাৰ দৰ্শনে স্তিতধী আৰু কৰ্তব্য কঠোৰ কৰি তোলা মানুহজনৰ জীৱনক গ্ৰহণ কৰাৰ দৰ্শনহে।

চন্দ্ৰকুমাৰে কবিতাটো ৰচনা কৰিছিল ১৪-৪-২৯ তাৰিখে। (তথ্য উৎস ঃ চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ) 'বাঁহী'ত কবিতাটো প্ৰথম প্ৰকাশ হৈছিল। কবিতাটোৰ সম্পৰ্কে জ্যোতিপ্ৰসাদে লেখিছে — 'অৰুণৰ জীৱন আৰু মৰণৰ সৈতে এই কবিতাৰ সম্বন্ধ আৰু ই চন্দ্ৰকুমাৰৰ চৰিত্ৰৰ এপিঠি মুকলি কৰি দিছে আমালৈ। সেই কাৰণেই চন্দ্ৰকুমাৰৰ চৰিত্ৰৰ সেই পিঠি বুজিবলৈ অৰুণৰ জীৱন আৰু তাৰ মৰণৰ কাহিনী চন্দ্ৰকুমাৰৰ জীৱনীত ইমান লাগতিয়াল আৰু অপৰিহাৰ্য বুলি আমি বিবেচনা কৰো। চন্দ্ৰকুমাৰৰ 'অজেয়' কবিতাৰ পৰাই এই বিষয়ে চন্দ্ৰকুমাৰৰ মনত হোৱা প্ৰতিক্ৰিয়াৰ পৰিচয় পোৱা যায়। (ৰচনাৱলী, পৃ. ৬৯৫)

কিন্তু কেৱল চন্দ্ৰকুমাৰৰ ব্যক্তিগত জীৱনৰ এপিঠি বুলিয়েই নহয় নান্দনিক দৃষ্টিভঙ্গীৰ পৰাও কবিতাটোৰ মূল্য সুকীয়া। প্ৰথম কথা ভাবৰ অত্যুচ্চতা। জীৱনক গ্ৰহণ কৰাৰ চন্দ্ৰকুমাৰৰ দৰ্শন য'ত প্ৰকাশিত হৈছে। ই ভাঙিও পোটোকা পৰিব নোখোজা মানুহৰ অপৰাজেয় মনোভাৱৰ স্বৰূপ প্ৰকাশ কৰিছে। দ্বিতীয়তে ব্যক্তিগত বিষয়ক সাৰ্বজনীক কৰি তুলিব পৰা কুশলতা। ব্যক্তিগত দুখত আৰম্ভ হৈয়ে শেষলৈ কবিতাটো দুৰ্ভাগ্যপীড়িত নিঃস্বজনৰ কণ্ঠ হৈ উঠিছে। তৃতীয়তে ৰোমাণ্টিক কবিৰ উদ্ভাৱনী দক্ষতাৰে, ৰূপক-প্ৰতীকৰ প্ৰয়োগেৰে, অনুভূতি আৰু কল্পনাৰ তীব্ৰতাৰে বিষয়ক অন্তস্পৰ্শী কৰি তোলাৰ দক্ষতা। এই সকলো মিলি 'অজেয়' হৈ উঠিছে অসমীয়া কবিতাত আশাবাদৰ সফল স্বাক্ষৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

'অজেয়' কবিতাৰ মাজেদি আশাবাদী দৰ্শন কেনেদৰে প্ৰকাশ পাইছে।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ২.৭ সাৰাংশ (Summing Up)

অসমীয়া ৰোমাণ্টিক সাহিত্যৰ বাটকটীয়া হ'ল চন্দ্ৰকুমাৰ আগৰৱালা। তেওঁৰ 'বনকুঁৱৰী' নামৰ কবিতাটিৰ যোগেদি অসমীয়া ৰোমাণ্টিক সাহিত্যৰ আৰম্ভণি ঘটে। কবিতাটি জোনাকী কাকতৰ প্ৰথম সংখ্যাত প্ৰকাশ পাইছিল। তেওঁৰ দুখন কবিতাপুথি প্ৰকাশ পাইছিলে— প্ৰতিমা আৰু বীণ-ব'ৰাগী। ১৯১৪ চনত প্ৰতিমা আৰু ১৯২৩ চনত বীণ-ব'ৰাগী প্ৰকাশিত হৈছিল। প্ৰতিমাত সৰ্বমুঠ ৪৬ টা কবিতা আছিল। আগৰৱালা

দেৱৰ কবিতা প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱদৰ্শনৰ শক্তিশালী সমন্বয়। তেওঁৰ এটি উল্লেখযোগ্য কবিতা হ'ল 'অজেয়'। অজেয় কবিতাটিৰ সৃষ্টিৰ দিশত তেওঁৰ জীৱনৰ এটি দুখাবহ ঘটনা জড়িত হৈ আছে। বিষয়বস্তুৰ ফালৰপৰা এই কবিতাটি প্ৰবল আশাবাদৰ কবিতা। ব্যক্তিগত দুখত আৰম্ভ হৈ দুৰ্ভাগ্য পীড়িত জনৰ কণ্ঠ হৈ কবিতাটি প্ৰকাশিত হৈছে। এই কবিতাটি অসমীয়া কবিতাত আশাবাদৰ সফল স্বাক্ষৰ।

## ২.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)

১। চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয় দাঙি ধৰি অসমীয়া সাহিত্যত ৰমন্যাসৰ উন্মেষৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা সম্পৰ্কে পৰ্যালোচনা কৰক।

২। চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যগ্ৰন্থ সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

৩। 'অজেয়' কবিতাটি ৰচনাৰ পটভূমি ব্যাখ্যা কৰি কবিতাটিত দুখবাদ কেনেদৰে আশাবাদলৈ পৰিৱৰ্তিত হৈছে পৰ্যালোচনা কৰি দেখুওৱাক।

৪। 'অজেয়' কবিতাৰ মূলভাৱ আলোচনা কৰক।

৫। 'অজেয়' কবিতাৰ কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক।

৬। 'অজেয়' কবিতাটিৰ বিষয়বস্তু পৰ্যালোচনা কৰক।

## ২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। তালুকদাৰ, নন্দ ঃ 'কবি আৰু কবিতা', বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, জুলাই, ১৯৯৫

২। তামুলী, লক্ষ্মীনাথ (সংকলক আৰু সম্পাদক) ঃ 'ঊষা', অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ, চেপ্তেম্বৰ, ২০০৮

৩। দাস, শোণিত বিজয়, বায়ন, মুনিন (সম্পা.) ঃ 'কথা বৰেণ্য 100', কথা গুৱাহাটী, ২০০৬,

৪। নাথ, ধ্ৰুৱজ্যোতি (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ আৰু বিশ্লেষণ', বনলতা, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০০০

৫। নেওগ, মহেশ্বৰ (সম্পা.) ঃ 'সঞ্চয়ন', সাহিত্য অকাডেমী, পঞ্চদশ মুদ্ৰণ, ২০০৩

৬। পূজাৰী, ৰাজেন আৰু কন্দলী, মুকুল (সম্পা.) ঃ 'আধুনিক অসমীয়া ভাষা সাহিত্যৰ কেইজনমান পুৰোধা', অসম সাহিত্য সভাৰ একসপ্ততিতম দেৰগাঁও অধিবেশনৰহৈ এন.এল. পাব্লিকেচনচ, পাণবজাৰ, গুৱাহাটী, ২০১১

৭। ফুকন, কবীন ঃ 'চন্দ্ৰকুমাৰ আগৰৱালা', সাহিত্য অকাডেমী, ২০০৩

৮। বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক) ঃ 'ঐতিহ্যঃ অসমীয়া সাহিত্য', হেৰিটেজ আচাম, প্ৰথম প্ৰকাশ, মে' ২০০৭

৯। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ 'কবিতাৰ সৌৰভ', বনলতা, অক্টোবৰ, ১৯৯৬

১০। শইকীয়া, নগেন (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ', বনলতা, ১৯৯৩

১১। শইকীয়া, নগেন (সম্পা.) ঃ 'জোনাকী' (একত্ৰ সংকলন), অসম সাহিত্য সভা, জানুৱাৰী, ২০০১

১২। শৰ্মা, বেণুধৰ (সম্পা.) ঃ 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী', অসম সাহিত্য সভা, ১৯৭২

১৩। শৰ্মা, সত্যেন্দ্ৰনাথ (মুখ্য সম্পাদক) ঃ 'জ্যোতিপ্ৰসাদ ৰচনাৱলী', অসম প্ৰকাশন পৰিষদ, চতুৰ্থ সংস্কৰণ, ১৯৯৯

১৪। শৰ্মা, শশী ঃ 'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা', অসম সাহিত্য সভা

১৫। হাজৰিকা, অতুল চন্দ্ৰ ঃ 'বেজবৰুৱা গ্ৰন্থাৱলী', প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ

*****

## তৃতীয় বিভাগ
## চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য

**বিভাগৰ গঠনঃ**


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'মানৱতাবাদ'

৩.৪ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'প্ৰকৃতি-প্ৰীতি'

৩.৫ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'সৌন্দৰ্য্য চেতনা'

৩.৬ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'স্বদেশপ্ৰেম'

৩.৭ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'বিপ্লৱবাদ'

৩.৮ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'আধ্যাত্মিকতাবাদ'

৩.৯ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'আশাবাদ'

৩.১০ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'প্ৰেম'

৩.১১ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'সংশয়বাদ'

৩.১২ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'দুখবাদ'

৩.১৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'অতিলৌকিকতাবাদ'

৩.১৪ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'ব্যঙ্গৰ ধাৰ'

৩.১৫ সাৰাংশ (Summing Up)

৩.১৬ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.১৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচয় দাঙি ধৰাৰ লগতে তেওঁৰ 'অজেয়' নামৰ কবিতাটিৰ পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত তেওঁৰ কবিতাৰ সামগ্ৰীক বৈশিষ্ট্যসমূহ পুংখানুপুংখভাৱে আলোচনা কৰা হ'ব।

চন্দ্ৰকুমাৰৰ কাব্য পৰিক্ৰমা ১৮৮৯ চনৰ ৯ মাৰ্চ ('বনকুঁৱৰী'ত প্ৰকাশ) ৰ পৰা ১৯২৩ চন পৰ্যন্ত ('বীণ-ব'ৰাগী'ৰ প্ৰকাশ) বুলি ধৰি ল'ব পাৰি। এই কাব্য পৰিক্ৰমাত কবি চন্দ্ৰকুমাৰৰ কাব্য মানসৰ বিভিন্ন পৰ্বান্তৰৰ ছবি তেওঁৰ কবিতাসমূহৰ মাজত বিচাৰি পাব পাৰি। ৰোমাণ্টিক সাহিত্যৰ সকলোবোৰ দিশ তেওঁৰ বিভিন্ন কবিতাৰ মাজত বিচাৰি পোৱা যায়। তেওঁৰ প্ৰতিমা কাব্যগ্ৰন্থখনৰ বিভিন্ন কবিতা এফালে পাশ্চাত্যৰ প্ৰভাৱ আৰু আনফালে ভাৰতীয় দাৰ্শনিক চিন্ত্ৰ সমন্বয়ত গভীৰ আৰু তীব্ৰ অনুভূতি প্ৰকাশক হৈ উঠিছে। 'বীণ-ব'ৰাগী' কবিজনাৰ অনুভূতিৰ বিশালতা আৰু বোধৰ গভীৰতা অতি স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ বিষয়বস্তু সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব,
- ৰমন্যাসবাদৰ বিভিন্ন দিশসমূহ তেওঁৰ কবিতাত কেনেদৰে সম্পৃক্ত হৈ আছে তাক পৰ্যালোচনা কৰি চাব পাৰিব,
- সমাজৰ ভণ্ডামিৰ প্ৰতি পৰিস্ফুট হোৱা ব্যংগ অনুধাৱন কৰিব পাৰিব,
- চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰকাশ পোৱা প্ৰেম, সংশয়, দুখ, অলৌকিকতা, প্ৰকৃতি প্ৰীতি, বিপ্লৱ, স্বদেশপ্ৰেম আদিৰ বিষয়ে পুংখানুপুংখভাৱে জানিব পাৰিব।

## ৩.৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'মানৱতাবাদ'

চন্দ্ৰকুমাৰৰ কবিতাৰ প্ৰধান সুৰটো হৈছে মানৱতাবাদৰ সুৰ। ভাৰতীয় সাহিত্য দৰ্শনৰ বিভিন্ন স্তৰত মানুহক শ্ৰেষ্ঠৰূপে বিবেচনা আৰু বন্দনা কৰি অহা হৈছে। সেই পটভূমিৰ পৰা উঠি অহা চন্দ্ৰকুমাৰক প্ৰভাৱিত কৰিছে কোঁটে (Comte)ৰ 'Religion of humanity' ৰ দৰ্শন আৰু ইংৰাজী ৰোমাণ্টিক কবিতাৰ উদাৰ মানৱিকতাবাদে। ৰোমাণ্টিক কাব্য ভাবনাৰ মূল উৎস নিৰ্বিশেষ সাধাৰণ মানুহৰ ওচৰত কবি চন্দ্ৰকুমাৰো থিয় হৈছে। মানুহৰ শ্ৰেষ্ঠত্বক ঘোষণা কৰাৰ উপৰি পূজা আৰু সেৱাৰ পাত্ৰ হিচাপে মানুহৰ প্ৰশস্তি কৰিছে 'মানৱ বন্দনা'ৰ দৰে সাৰ্থক কবিতাত —

মানুহেই লগ, মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ,

মানুহক দেৱতাৰ আসন দি সেৱাৰ যোগ্য বুলি বিবেচনা কৰা বাবেই মানুহৰ শঠতা, নীচতা আৰু ভণ্ডামীয়ে কবিক বিমূঢ় আৰু ক্ষুব্ধ কৰিছিল। 'বীণ-ব'ৰাগী'ত দুখীয়া, নিঃস্বজনৰ কাষলৈ নামি আহি এনে সহস্ৰ ব্যথাতুৰৰ যন্ত্ৰণাক বীণৰ এডাল তন্ত্ৰিত কবিয়ে গাঁঠিব খুজিছিল। এজনৰ দুখক 'বীণ-ব'ৰাগী' হৈ প্ৰতিধ্বনিত কৰিব খুজিছিল সহস্ৰজনৰ প্ৰাণত—

একৰ দুখক এশত ভগাই
পাতলোৱা দুখ ভাৰ,
মানুহ প্ৰাণৰ এশ সুঁতি আনি
বোওঁৱা একেটি ধাৰ,
গোৱা দেৱী গোৱাঁ প্ৰাণৰ কথাটি
শুনক জগতে গোৱাঁ।
গোৱাঁ আজি মোৰ প্ৰাণৰ ধাউতি
প্ৰাণে প্ৰাণে মিলি গোঁৱা।

(বীণ ব'ৰাগী, ১ম ছেদ, )

মানুহৰ ওপৰত মানুহৰ মমত্বহীনতা আৰু নিষ্ঠুৰতাত কবি যেন ক্ষুন্ন হৈ উঠিছিল। 'মানুহে মানুহে এনেহে মৰম চকুলো পৰে সুঁৱৰি' বুলি 'তেজীমলা'ৰ মুখেৰে মানৱীয় হৃদয়হীনতাক কটাক্ষ কৰিছিল। কিন্তু শেষ পৰ্যন্ত মানুহৰ ওপৰত বিশ্বাস আৰু আস্থা হেৰুৱাই পেলোৱা নাছিল। মানুহৰ ভিতৰত পুনৰ শুভবোধৰ জাগৃতি ঘটিব, মানুহ মানৱীয়ত্বৰে পৰিপূৰ্ণ হৈ উঠিব, মানুহে পৃথিৱীতে সৰগ স্থাপন কৰিব এই বিশ্বাস কবিৰ আছিল। কাৰণ কবিয়ে গভীৰভাৱে বিশ্বাস কৰিছিল — 'সৰগ নোহে দূৰ-দূৰণিৰ, বাহিৰৰো নোহে জানা।' কবিয়ে নিজেও মানুহৰ এক কণ্ঠ হ'ব খুজিছিল —

'মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত।'

(নৱম ছেদ, বীণ ব'ৰাগী')

'যুগমীয়া শোক' কবিতাত নিজৰ হেৰোৱা সন্তানৰ স্মৃতি সুঁৱৰি মানুহক ভাল পাবলৈ সংকল্প কৰিছিল —

'মানুহক ভাল পাম ভাবি আই তোকে
খেমিম সকলো চিন্তি তোৰেই মুখকে।

'জীৱন - উচ্ছাস'ৰ দৰে কবিতাতো জীৱনৰ উদ্দেশ্য — 'বিশ্বৰ মঙ্গল নিদান' বুলি উল্লেখ কৰা কবিয়ে মানৱপ্ৰেমৰ সূক্ষ্মতা আৰু গভীৰতাকে প্ৰকাশ কৰিছিল।

### ৩.৪ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'প্ৰকৃতি-প্ৰীতি'

সাহিত্যত প্ৰকৃতিৰ উপস্থিতি পূৰ্বতেও আছিল। কিন্তু ৰোমাণ্টিক কবিসকলে প্ৰকৃতিত আৰোপ কৰিছিল অনুভূতি উদ্দীপক বিশেষ সত্তা। প্ৰাচীন কবিতকৈ এই প্ৰকৃতি ৰোমাণ্টিক কবিৰ বাবে বেছি বিশ্বস্ত আৰু নিৰাপদ হৈ উঠিছিল। প্ৰথম কবিতাতে 'বনকুঁৱৰী' চৰিত্ৰত চন্দ্ৰকুমাৰে আৰোপ কৰিছিল প্ৰকৃতিৰ সমগ্ৰ ৰূপ সৌন্দৰ্য। প্ৰকৃতিৰ অবিনশ্বৰতাক তেওঁ উপলব্ধি কৰিছিল —

'ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল

(প্ৰকৃতি, পৃ. ১৪ )

ৱৰ্ডছৱৰ্থৰ 'ডেফডিল্‌ছ' কবিতাৰ প্ৰতিধ্বনি ইয়াত শুনিবলৈ পেৰা গৈছে।

প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ যেন চন্দ্ৰকুমাৰে শৈশৱৰে পৰা বুকুত বহন কৰি আনিছিল—

'দিয়াঁ মোক এৰি, চাওঁগৈ ঘূৰি
ফুলা সৰিয়হ ডৰা।
সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা—

তাহানিৰ সেই সপোন দিনৰ
ল'ৰালি কালৰে পৰা।

(ফুলা সৰিয়হ ডৰা, )

প্ৰকৃতিৰ প্ৰতি তেওঁৰ আস্থা আৰু বিশ্বাস 'তেজীমলা' কবিতাত তেজীমলাৰ ৰূপান্তৰৰ মাজেদি প্ৰকাশিত হৈছে। জনপ্ৰিয় আৰু অন্তস্পৰ্শী —লোককথাৰ তেজীমলাজনীৰ লাও, জৰা টেঙা আৰু পদুম ফুলৰ ৰূপ লোৱাৰ কাহিনীক প্ৰকৃতি সত্বাৰ আশ্ৰয় দানৰ ৰূপকলৈ তেওঁ সলনি কৰিছে। প্ৰকৃতিৰ জীৱন সত্তাৰ অংগ (life of her life) মানুহে প্ৰকৃতিৰ কোলাত নিৰ্ভয় আশ্ৰয় লাভ কৰিছে।

প্ৰকৃতিৰ সৈতে মানুহৰ এই অভিন্ন আত্মীয়তাৰ ছবি তেওঁ আঁকিছিল 'বীণ ব'ৰাগী'ৰ চতুৰ্থ ছেদতো।

'মোৰেই জগৎ খন মোকেই মাতিছে
গৃহস্থলৈ আলহীৰ আসন পাতিছে
... ... ...
মোৰেই সেন্দূৰ তেল মোৰ মূৰত ঘঁহে
মোৰ পৰা ধাৰলৈ নিয়া ৰূপেই মোক মোহে।'

(চতুৰ্থ ছেদ, 'বীণ-ব'ৰাগী')

প্ৰকৃতিত প্ৰতিফলিত হয় মানুহৰেই অন্তৰ সৌন্দৰ্য। প্ৰকৃতিত মানুহে নিজৰেই প্ৰতিচ্ছবি বিচাৰি পায়। প্ৰকৃতিলৈ উভতি যোৱাৰ মাজেদি লাভ কৰে পাৰ্থিৱ বিষাদগ্ৰস্ততা অথবা মানৱ জীৱনৰ দুৰ্ভাগ্যৰ পৰা মুক্তি। 'নিয়ৰ'ৰ দৰে কবিতাত প্ৰকৃতিৰ সামান্য উপস্থিতিকো অসামান্য কৰি তোলা কবিৰ 'সৰা পাহি' প্ৰপঞ্চ, জলকুঁৱৰী, জোনাকী আদি কবিতাত প্ৰকৃতি প্ৰাণময় হৈ উঠিছে। মানুহ আৰু প্ৰকৃতিৰ অভিন্ন আন্তৰিকতাৰ উপলব্ধি আৰু প্ৰকৃতিৰ অংশ হিচাপে মানুহ সম্পৰ্কে দাৰ্শনিক দৃষ্টিভঙ্গীতো কবিৰ সৈতে ৱৰ্ডছৱৰ্থৰ সাদৃশ্য বৰ্তমান।

### ৩.৫ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'সৌন্দৰ্য্য চেতনা'

চন্দ্ৰকুমাৰৰ কবিতাৰ অন্যতম লক্ষণ হ'ল সৌন্দৰ্যপ্ৰাণতা। সত্যই শিৱ, শিৱই সুন্দৰ বুলি বিশ্বাস কৰা চন্দ্ৰকুমাৰে আস্থা ৰাখিছিল মানৱীয় অন্তৰৰ মুকলি সৌন্দৰ্যত —

'মুকলি মনৰ মানৱী মূৰ্তি
নিষ্কলংক মাধুৰীমা।'

বাহ্যিক সৌন্দৰ্য মানুহৰ অন্তৰ সৌন্দৰ্যৰে বহিঃপ্ৰকাশ বুলি তেওঁ বিশ্বাস কৰিছিল — 'মোৰ পৰা ধাৰলৈ নিয়া ৰূপৰেই মোক মোহে।' (বীণ-ব'ৰাগী, চতুৰ্থ ছেদ)

কবি আছিল প্ৰকৃতিৰ ৰূপমুগ্ধ। জীৱন আৰু মানুহৰ প্ৰতি ইতিবাচক চিন্তাৰে পৰিপূৰ্ণ চন্দ্ৰকুমাৰৰ 'সুখগীত' কবিতাতো সেয়ে সৌন্দৰ্যৰ প্ৰতি অন্তহীন হেঁপাহ প্ৰকাশ পাইছে—

নখে মাটি লেখা খোজে তলমূৰ হই
নুফুৰিবা পৃথিৱীত পখিলা নেচাই।

(সুখগীত,)

তেওঁৰ সৌন্দৰ্য তৃষ্ণাৰ অপূৰ্ব স্মাৰক 'মাধুৰী' আৰু 'কিশোৰী'। আধা ফুটা আৰু সম্ভাৱনাৰ ইংগিত বহন কৰা, ধৰা দিওঁ ধৰা দিব নোখোজা সৌন্দৰ্যৰ অপূৰ্ব মায়াত বন্দী চন্দ্ৰকুমাৰৰ অমৰ ছন্দ —

ফুটোঁ ফুটোঁ কৰি কেনে নুমলী কলিটি
সামৰি আধেক, মেলি আধেক প্ৰাণটি.
খন্তেক লুকাই, পুনু ভুমুকনি মাৰি,
লাজ ধেমালিৰ আঁৰে ছোৱালী কিশোৰী।'

(কিশোৰী)

আকৌ
চাওঁ নে নেচাওঁকৈ
মৰমৰ দেহিটি
দেৱী নে মানৱী ঐ
মাধুৰীৰ ছবিটি।

(মাধুৰী)

কবিৰ দৃষ্টিত এই অপূৰ্ণতাৰ পৰা পূৰ্ণতালৈ যাত্ৰাই মানুহৰ সুন্দৰৰ সাধনা —

সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে ঘোৰ কাল যৱনিকা।

(সৌন্দৰ্য)

তাতেই নিহিত থাকে অসুন্দৰতাকো সুন্দৰৰ স্পৰ্শৰে অতিক্ৰম কৰাৰ প্ৰয়াস —

বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ।
আৰাধি সুন্দৰ হায় হ'ম নে সুন্দৰ?

(সুন্দৰ)

চন্দ্ৰকুমাৰৰ সৌন্দৰ্য চেতনাৰ সৈতে ইংৰাজ কবি কীটছৰ সৌন্দৰ্টৰ সাধনাৰ তুলনা কৰা হয়। 'Grecian Urn' কবিতাত কীটছে কোৱাৰ দৰেই সত্য আৰু সুন্দৰক চন্দ্ৰকুমাৰৰ কবিতাটো অভেদ ৰূপত কল্পনা কৰা হৈছে —

'জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।'

### ৩.৬ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'স্বদেশপ্ৰেম'

চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী'ৰ সম্পাদকীয়তে ৰাজনীতি চিন্তাৰ বাহিৰ প্ৰদেশত উপস্থিতিৰ কথা ঘোষণা কৰিছিল। প্ৰত্যক্ষ ৰাজনীতিৰ পৰা দূৰৈত অৱস্থান কৰিলেও

ভাৰতৰ কল্যাণ চিন্তাই চন্দ্ৰকুমাৰক পৰিচালিত কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামত ৰাজপথলৈ সক্ৰিয়তাৰে নামি নাহিলেও ১৯২১ চনত চন্দ্ৰকুমাৰৰ বাসগৃহত গান্ধীৰ উপস্থিতিয়ে তেওঁৰ ব্যক্তিত্বলৈ বিশেষ পৰিৱৰ্তন আনে আৰু পৰোক্ষভাৱে তেওঁ আন্দোলনৰ অংশীদাৰ হৈ পৰে। অতুল চন্দ্ৰ হাজৰিকাৰ কথাৰে — 'শ্ৰীৰামচন্দ্ৰৰ পাদস্পৰ্শত অহল্যা পাষাণী মুক্ত হোৱাৰ নিচিনাকৈ মহাত্মাৰ মোহন মন্ত্ৰত চন্দ্ৰকুমাৰ মানুহটোৰে নতুনকৈ সাৰ পাই উঠিল।' (কৰ্মযোগী চন্দ্ৰকুমাৰ, পৃ. ১১৬)

চন্দ্ৰকুমাৰৰ এই মানসিক পৰ্বান্তৰৰ প্ৰকাশ ঘটিল 'নঙঠা ফকীৰ' কবিতাত —

সত্যত অটল আস্থা নিছলা শৰীৰ
লুকাবলৈ একো নাই নঙঠা ফকিৰ।
০ ০ ০
বহল বুকুত ঠাই তেত্ৰিছ কোটিৰ।
ভাৰত-দেৱতা তুমি নঙঠা ফকিৰ।।
(নঙঠা ফকিৰ)

তেত্ৰিছ কোটি ভাৰতীয়ৰ অন্তৰ জয় কৰা গান্ধীৰ প্ৰশস্তি কবিৰ জাতীয় চেতনাৰ পৰিচয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'সেৱা লহৰী' (ল'ৰা-ছোৱালীৰ গান) শীৰ্ষক কবিতাটোত প্ৰকাশ পোৱা ভৱিষ্যপুৰুষৰ নৈতিক চৰিত্ৰ নিৰ্মাণৰ মঙ্গলাকাংক্ষাও স্বদেশপ্ৰেমৰ অন্য প্ৰকাশ।

### ৩.৭ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'বিপ্লৱবাদ'

অৰ্থনৈতিক-সামাজিকভাৱে এক নিৰাপদ স্থানত সুৰক্ষিত থকাৰ পিছতো চন্দ্ৰকুমাৰ দুখীয়া-নিছলা-পীড়িতজনৰ কাষত সহমৰ্মিতাৰে থিয় হ'ব পাৰিছিল। আৰ্তজনৰ হৃদয়ানুভূতি সহৃদয়তাৰে উপলব্ধি কৰি 'বীণ-ব'ৰাগী'ৰ কবিয়ে মানুহে মানুহ ৰূপে স্বীকৃতি পাব পৰা এখন নতুন সমাজৰ কল্পনা কৰিছে। নিজৰ সীমাবদ্ধতা সম্পৰ্কে উপলব্ধি কৰিও পুৰাতন এই বিশ্বশৃংখলা সলনি কৰি দিয়াৰ ইচ্ছা প্ৰকাশ কৰিছে চন্দ্ৰকুমাৰে —

আঙুলি বুলাব জনা হ'লে আজি
পেলালোহেঁতেন ছিঙি
হিমালয় চূড়া বুৰালোহেঁতেন
উছালি কলীয়া পানী।
(বীণ-ব'ৰাগী, ২য় ছেদ)

অৱশ্যে 'বীণ ব'ৰাগী'ৰ বিপ্লৱবাদক শ্যেলীৰ Ode to west wind-ৰ প্লেটনিক আস্থাৰ সৈতে তুলনা কৰি কোৱা হৈছে — 'শ্যেলীৰ দৰে অসমীয়া কবিৰো অসম্ভৱৰ লগত সমৰ আহ্বান দিয়াৰ চপল অস্পৰ্ধা পৰিলক্ষিত হয়। শ্যেলীৰ চিন্তাৰ দৰে অসমীয়া কবিৰ কল্পনাতো গৰিমা আছে।' (চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পাশ্চাত্যৰ প্ৰভাৱ, তাৰিণীকান্ত ভট্টাচাৰ্য, পৃ. ১৩৮)

যজ্ঞেশ্বৰ শৰ্মাই আকৌ এই বিদ্ৰোহক 'সাত্বিক আৰু ভকতীয়া বিদ্ৰোহ।' (পৃ. ১৬২) বুলি কৈছে। ৰোমাণ্টিক ভাবোচ্ছাসৰ প্ৰকাশ ঘটিলেও কিন্তু চন্দ্ৰকুমাৰৰ বিপ্লৱী ভাবনাৰ আঁৰত বাস্তৱৰ সহজ সত্য উপলব্ধি জড়িত হৈ আছে।

**৩.৮ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'আধ্যাত্মিকতাবাদ'**

গীতাৰ দৰ্শনেৰে অনুপ্ৰাণিত চন্দ্ৰকুমাৰৰ আত্মদৰ্শন আৰু আত্মোপলব্ধিৰ পথ আছিল কৰ্ম। তেওঁৰ আধ্যাত্মিক দৰ্শন ধৰ্মকেন্দ্ৰিকো নাছিল। ধৰ্মগুৰুৰ ভেম-ভণ্ডামী-স্থূলতা বুজিব পৰা চন্দ্ৰকুমাৰে সুখ-শান্তিৰ অনন্ত ৰাজপথৰ সন্ধান পাইছিল নিজৰ ভিতৰতে। 'বীণ-ব'ৰাগী' শীৰ্ষক ৯ টা ছেদৰ সুদীৰ্ঘ কবিতাটোত বিশেষকৈ ষষ্ঠ, সপ্তম, অষ্টম আৰু নৱম ছেদত এই আধ্যাত্ম উপলব্ধিৰ সূক্ষ্মতা অনুভৱ কৰিব পাৰি। কবিৰ বিশ্বাস —

অন্তৰৰ চকু মেলা মোৰ বন্ধু
দিব্য দৃষ্টিৰে ফুৰা,
শুধ দাপোণত শুধ প্ৰতিবিম্ব
বাহিৰ ভিতৰ জোৰা।

(অষ্টম ছেদ)

'বীণ-ব'ৰাগী'ৰ এই সুৰৰ অনুৰণন তীব্ৰ ৰূপত শুনা গৈছে 'আনন্দ তীৰ্থ' কবিতাত—

হিয়াৰ মাজেই অনন্তৰ পথ
যাত্ৰী আমি আগবাঢ়োঁ,
আনন্দৰ তীৰ্থ সবাতো উত্তম
উলাহত খোজকাঢ়োঁ।

০ ০ ০

আহাঁ কোন যাবা দিগন্তৰ শেষ
আহাঁ শুধ আশা লৈ,
অন্তৰ বাসনা মন মলিয়ন
দলিয়াই পেলাই থৈ।

'জীৱন উচ্ছাস' কবিতাত ভাৰতীয় দৰ্শনৰ জীৱ আৰু জগতৰ ব্যাখ্যা আৰু জন্মান্তৰবাদৰ তাত্বিক ব্যাখ্যাও প্ৰকাশ পাইছে। 'বিশ্ব ভাৱৰীয়া'তো জন্মান্তৰবাদৰ তত্ব আৰু ভাৰতীয় দৰ্শনৰ মৰ্মকথা প্ৰকাশিত হৈছে। 'প্ৰপঞ্চ', 'পশুবল' আদি কবিতাতো সত্য আৰু ন্যায়ৰ পথেৰে মানৱাত্মাৰ চৰম বিকাশ আৰু পূৰ্ণতা প্ৰাপ্তিৰ সম্ভাৱনীয়তাৰ কথা কাব্যিক ভাষাৰে বৰ্ণনা কৰিছে। 'মই' কবিতাৰ মাজতো এনে ৰাহস্যিক পূৰ্ণতাৰ ইংগিত আছে —

সংসাৰ মোৰেই পূৰ্ণ দেখোঁ
আছোঁ মাথোঁ নিৰঞ্জন মই।

নাই তুমি কেওঁ আৰু নাই,
পাৰা যদি হোৱাঁ মোতে লয়।
(মই)

গভীৰ আধ্যাত্মভাবনা সৰ্বজনগ্ৰাহ্য সৰলতাৰে প্ৰকাশ কৰিব পৰাটো কবিৰ বিশেষ কুশলতা।

**৩.৯ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'আশাবাদ'**

চন্দ্ৰকুমাৰৰ কবিতাৰ আশাবাদ গভীৰ আধ্যাত্মিক চেতনাৰ পৰাই জন্ম হৈছিল। কৰ্তব্য কঠোৰ চন্দ্ৰকুমাৰে কৰ্মৰ মাজেদি ব্যক্তিগত সমস্যাৰ সমাধান বিচাৰিছিল। কৰ্মতেই বিচাৰি পাইছিল মানৱৰ মঙ্গলাকাংক্ষাৰ পথো। ইতিবাচক দৃষ্টিভঙ্গীৰে জীৱনক গ্ৰহণ কৰাৰ চন্দ্ৰকুমাৰৰ যি দৰ্শন সি চন্দ্ৰকুমাৰক মানুহ আৰু মানুহৰ ভৱিষ্যতৰ ওপৰতেই আশাবাদী কৰি তুলিছিল। 'অজেয়', 'সুখগীত', 'নতুন বছৰ' আদি কবিতা তাৰ সাৰ্থক উদাহৰণ। 'বীণ-ব'ৰাগী'তো মানুহৰ প্ৰতি অহা অনাস্থা আৰু ক্ষোভ অতিক্ৰম কৰি গৈছে এই আশাবাদেৰেই। 'পশুবল' কবিতাৰ শেষতো এইজনা চন্দ্ৰকুমাৰেই প্ৰকাশ পাইছে—

এতিয়াও সউ মাৰ যোৱা নাই
ধৰ্মৰ ৰাঙলী বেলি
মৰমৰ টানে আনিব সাঙুৰি,
মাতাঁ দুই বাহু মেলি।

মানুহৰ সমাজৰ পৰা আশাবাদ প্ৰকৃতি জগত পৰ্যন্ত প্ৰসাৰিত হৈ আছে —

ভৱিষ্যৰ এপিঠি মুকলি
আজি হ'ল তোমাৰ আগত
নদী-বন, পৰ্বত-আকাশে
আশাৰ বাতৰি প্ৰচাৰিত।
(নতুন বছৰ,)

ত্যাগৰ মাজেদি পৰম প্ৰাপ্তিৰ সম্ভাৱনাও চন্দ্ৰকুমাৰৰ আশাবাদী মনৰে প্ৰকাশ —

হাত নেপাতিবা আশা ভঙ্গ হ'ব
ধৰিবা সকলো কাম,
পাত নেফালিবাঁ ধৰ্ম নাশ হ'ব,
ল'বাহে সকলো নাম।
নেচাই নেথাকিবাঁ বুদ্ধি খৰ্ব হ'ব
লভিবা সকলো জ্ঞান,

নিদি নেথাকিবা আটাইকে আটিব

করিবা সকলো দান।

(আত্মদান)

জ্যোতিপ্ৰসাদৰ ভাষাত — 'সাধাৰণ যি কবি বাস্তৱ সংসাৰত সোমাই বাস্তৱতাৰ স্বৰূপ দেখি নিজৰ আদৰ্শত বিশ্বাস হেৰুৱাই উটি-বুৰি কৰবালৈ গৈ নিজৰ অস্তিত্বকে হেৰুৱাই পেলাই তাক চন্দ্ৰকুমাৰে বাস্তৱৰ সকলো কদৰ্যতা জিনি সুন্দৰৰ আদৰ্শ লৈ ধাৱমান হৈ সংসাৰৰ বাস্তৱতাৰ পঙ্কৰ পৰা উঠি চিন্তা সাগৰৰ ওপৰলৈ ওপঙি আহি মহামহত্বৰ বেলিৰ পোহৰত ফুলি বিকশি নিজৰ সৌৰভ সাহিত্যৰ পদুম বননিত বিলাই দশোদিশ আমোলাই থৈ যাব পাৰিছে।' (জ্যোতিপ্ৰসাদ ৰচনাৱলী, পৃ.৬৯৩)

### ৩.১০ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'প্ৰেম'

প্ৰেমৰ প্ৰসংগই চন্দ্ৰকুমাৰৰ কবিতাত কম সময়ৰ বাবে কিন্তু শক্তিশালী ৰূপত ভুমুকি মাৰি গৈছে। 'শান্তি' কবিতাত প্ৰেমক জীৱনৰ স্পৰ্শমণি ৰূপত ঘোষণা কৰা হৈছে —

যি প্ৰেমেই তোমাৰ সম্বল

সেয়ে স্পৰ্শমণি সংসাৰৰ।

কিবা চোৰাঁ হাততে ৰতন

প্ৰেমেই যে শান্তি জগতৰ।।

(পৃ. ১১)

সেয়ে 'চিৰ লগৰীয়া' কবিতাত জীৱনৰ সঙ্গীক উদ্দেশ্য কৰি কবিয়ে কৈছে —

জীৱনক মধুৰেৰে পূৰ কৰিবলৈ

ক'ৰ পৰা পালোঁ এই মোহিনী প্ৰতিমা

সংসাৰত দুখে সুখে লগৰীয়া মোৰ

পৰম বান্ধৱ এই আশ্বাস আত্মা।

সুন্দৰৰো সুন্দৰ সংসাৰ দুদিনীয়া

প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰ লগৰীয়া।

'জীৱনৰ লগৰীয়া'ত নিজৰ সৰ্বস্ব সমৰ্পণৰ আনন্দৰে কবি হৃদয় পৰিপূৰ্ণ হৈ উঠিছে—

সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম

প্ৰাণৰ আকাঙক্ষা মোৰ হ'ব একেমুখী।

মানৱী জনম হ'ব সৌভাগ্যেৰে পূৰ

আনন্দৰ নিজৰণি তুমি প্ৰাণ মোৰ।

এই কথা ক'বই পাৰি যে চন্দ্ৰকুমাৰৰ প্ৰেম ব্যক্তিৰ পৰা সমষ্টিলৈ। ক্ষুদ্ৰত্বৰ পৰা বিশালতালৈ ধাৱিত।

### ৩.১১ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'সংশয়বাদ'

চন্দ্ৰকুমাৰৰ কবিতাত বাস্তৱ আৰু আদৰ্শৰ সামঞ্জস্য সন্ধানী কবিগৰাকীক দেখা গৈছে 'সংশয় ৰহস্য' আৰু 'জীৱন উচ্ছাস'ৰ দৰে কবিতাত।

খপিয়াবলৈ এৰি, একত আশ্ৰয়
শতমুখী এৰো বাসনা।
আকাশ কুসুম মালা সপোনত গঁথা
লোৱা সবে মিলি দিগঙ্গনা
যেন নাপাহৰো জীৱন জীৱন
বিশ্বৰ মঙ্গল নিদান।
যি কাম আগতে দেখো মই শিৱময়
সেয়ে মোৰতো প্ৰমাণ।

(জীৱন উচ্ছাস)

'জীৱনৰ দলি'তো একেই সংশয় ভৰা প্ৰশ্ন —

কিহে নো ভুলালে, কিহৰ ৰাগীত
ইমান বলিয়া হ'লোঁ
মোক সামৰিব কোন লগৰীয়া?
মই যে অকলে ৰ'লোঁ?

'সংশয় ৰহস্য' ত ভঙা-গঢ়া, সজা-পতা, হৰা-জিকা, হাঁহি-কান্দোনৰ বিচিত্ৰ সংসাৰ জালত সত্য কি এই দ্বন্দ্বই কবিক আগুৰি ধৰিছে —

ভঙা গঢ়া, সজা পতা, হৰা জিকা যুঁজ,
দিনে-ৰাতি হাঁহি-কান্দোনৰ ৰোল।
সঁচা-মিছা কিনো, ধৰিম এৰিম কাক?
সকলো বিষম ভ্ৰমৰ ঘোৰ।

### ৩.১২ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'দুখবাদ'

ৰোমাণ্টিক কবিতাৰ অন্যতম লক্ষণ বিষাদ চেতনায়ো চন্দ্ৰকুমাৰৰ কাব্যভাবনাৰ এক অংশ আৱৰি আছে। অৱশ্যে ইয়াৰ সৈতে কোনো ৰোমাণ্টিক কল্পনাবিলাস জড়িত নাছিল। মানুহৰ সীমাহীন দুখ, যন্ত্ৰণা, মানুহৰেই শঠতা-নীচতা-নিষ্ঠুৰতাইহে সৃষ্টি কৰিছে এই দুখবোধৰ। গতিকে ই ব্যক্তিগত বিষাদ নহয়। কবিৰ ভগ্নীৰ মৃত্যুত লেখা 'আশীৰ্বাদ', পুত্ৰ-কন্যাৰ মৃত্যুত লেখা 'যুগমীয়া শোক' আৰু 'অজেয়' আদি কবিতা ব্যক্তিগত দুখৰ আধাৰত ৰচিত হ'লেও ইয়াত কবিয়ে ব্যক্তিগত দুখবোধক সাৰ্বজনীক ৰূপ দিবলৈ সমৰ্থ হৈছে। সুখৰ সন্ধানত ঘূৰি বাৰে বাৰে দুখৰ মুখামুখি হোৱা এই সংসাৰত মানৱৰ কল্যাণাকাংক্ষা আৰু ভালপোৱাই এক উদ্ধাৰৰ উপায় —

মানুহক ভাল পাম ভাবি আই তোকে,
ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে।
(যুগমীয়া শোক)

'সন্ধিয়া', 'অতৃপ্তি' আদি কবিতাৰ মাজতো এই বিষাদ চেতনা বিভিন্ন ৰূপত প্ৰকাশিত হৈছে।

'আজলী ছোৱালী, হায় সংসাৰ ধাৰ
নৌ ধৰোঁতেই গ'ল, ইচ্ছা বিধতাৰ।
(সন্ধিয়া)

জনপূৰ্ণ নিৰ্জনত কতা লগৰীয়া?
বিশ্ব সংসাৰত হায় অকলশৰীয়া।
(অকলশৰীয়া)

কিন্তু 'অতৃপ্তি'ৰ পৰা মুক্তি সম্ভৱ নহয়। কাৰণ সংসাৰ অতৃপ্তিৰ ঘৰ।

### ৩.১৩ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'অতিলৌকিকতাবাদ'

দেৱযোনী প্ৰাণীৰ বিচিত্ৰ জগত এখনৰ সৈতে কবি চন্দ্ৰকুমাৰে 'বনকুঁৱৰী'তে অসমীয়া পাঠকৰ সহজ সম্পৰ্ক স্থাপন কৰি দিছিল। অবিশ্বাসক স্ব-নিৰ্বাসিত কৰি পাঠক নিমজ্জিত হৈছিল 'বনকুঁৱৰী'ৰ দৰে অসমীয়া পাঠক মনৰ একেবাৰে অপৰিচিত চৰিত্ৰৰ সৈতে —

মৰকত মণি জিলিকে শিৰত—
দেৱী হ'ব বনকুঁৱৰী।
মুকুতাৰে অঁৰা লগতে ইজনা
জলৰ দেৱী নীয়ৰী।
(বনকুঁৱৰী, পৃ, ৪৫)

একেদৰেই —

জলৰ কুঁৱৰী কুঁৱলী সাজেৰে
পৰ্বত জীয়াৰী হেন।
গলত হীৰক, খোপাত মাণিক
হাঁহিত মুকুতা পান্তি,
নীলোৎপল হাতে চৰণৰ পাশে
শঙ্খৰ ধৱল কান্তি।
(জলকুঁৱৰী)

'ভয়ক চকাই' যোৱা অতি প্ৰাকৃত জগতখনৰ ছবিৰ মাজতো গভীৰ বাস্তৱৰ প্ৰকাশত কলেৰিজৰ 'ৰাইন অৱ দি এনচিয়েণ্ট মেৰিনাৰ'ৰ দৰে কবিতাৰ সাদৃশ্য তুলনীয়।

### ৩.১৪ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত 'ব্যঙ্গৰ ধাৰ'

চন্দ্ৰকুমাৰৰ সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতাই কঠোৰ বাস্তৱৰ বহু অপ্ৰিয় সত্যও উন্মোচিত কৰিছিল। গতিকে সংখ্যাত একেবাৰে সীমিত হ'লেও 'মৌনী শিশুপাল' আৰু 'চাকৰি স্তোত্ৰ' কবিতা দুটাত সমকালৰ প্ৰতি তীক্ষ্ণ ব্যঙ্গ ধৰা পৰিছে। 'বাঁহী'ত প্ৰকাশিত তেওঁৰ প্ৰথম ব্যঙ্গ কবিতা 'কবিতা স্তোত্ৰ'ত বিষয়ৰ সৈতে উপযুক্ত শব্দচয়ন আৰু ছন্দ প্ৰয়োগেৰে তেওঁ লেখি উলিয়াইছে —

মূৰ্খ কুলী মাৰিকে, বাবু কুল পালিকে,
গৃহস্থালি নাশিকে, প্ৰৱসুৰা তাৰিকে,
নমামি চাকৰিকে !
সম-বঙ্গ ভেদিকে, লোটা ঘটী ধাৰিকে,
কলম চালিকে, পৰীক্ষা দায়িকে
সুসভ্য কাৰিকে, অসভ্য হানিকে,
নমামি চাকৰিকে।

'মৌনী শিশুপাল' কবিৰ দ্বিতীয়টো ব্যঙ্গ কবিতা আৰু এই কবিতাত ব্যঙ্গৰ ধাৰ অধিক তীব্ৰ আৰু তীক্ষ্ণ।

আজি আছে, কালি নাই এনে হেন ৰজা
কচুপাতৰ পানী যেন টলমল বুজা।
কলিৰ প্ৰাণীৰ চোৰা কিমত আক্ৰোশ
ক্ষমতা পাইলে অজৰামৰ সদৃশ।
নেদেখন্ত আছে কাল 'ৰাজ্য গৰিহণা'
চুলিত ধৰিয়া যমৰূপী বিভৎসনা।
'হৌছ টেক্স' লেট -টেক্স' আৰু ওৱাটাৰ
তদুপৰি আছে আউৰ টেক্স 'পাৰানাৰ'
অসংখ্য আছয় আৰু 'লৈছন' বিস্তৰ
সংক্ষেপে কহিলো অন্ত কৰে সাধ্য কাৰ?

### ৩.১৫ সাৰাংশ (Summing Up)

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰধান সুৰটো হৈছে মানৱতাৰ সুৰ। বিভিন্ন কবিতাৰ মাজেৰে কবিয়ে মানৱপ্ৰেমৰ সূক্ষ্মতা আৰু গভীৰতা প্ৰকাশ কৰিছে। সৌন্দৰ্য্যপ্ৰাণতা তেওঁৰ কবিতাৰ অন্য এটি অন্যতম লক্ষণ। সত্যই শিৱ, শিৱই সুন্দৰ বুলি তেওঁ বিশ্বাস কৰিছিল। স্বদেশপ্ৰেম আৰু বিপ্লৱবাদে তেওঁৰ কবিতাক বিশেষভাৱে আৱৰি ৰাখিছে। আনহাতে গীতাৰ দৰ্শেনেৰে অনুপ্ৰাণিত চন্দ্ৰকুমাৰ আগৰৱালাৰ আত্মদৰ্শন আৰু

আত্মোপলব্ধিৰ পথ আছিল কৰ্ম। কৰ্মই আছিল তেওঁৰ দৰ্শনৰ মূল উপজীব্য। প্ৰেমৰ প্ৰসঙ্গইও তেওঁৰ কবিতাত শক্তিশালী ৰূপত ভূমুকি মাৰিছিল। এই প্ৰেম আছিল ব্যক্তিৰ পৰা সমষ্টিলৈ— ক্ষুদ্ৰত্বৰ পৰা বিশালতালৈ। ৰোমাণ্টিক দুখবাদ আৰু অতিলৌকিকতা আছিল তেওঁৰ কবিতাৰ এটি অন্যতম বৈশিষ্ট্য। আনহাতে তাকৰীয়া কেইটামান কবিতাত সমকালৰ প্ৰতি তীক্ষ্ণ ব্যঙ্গ দেখিবলৈ পোৱা যায়।

### ৩.১৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১¼ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিকতাৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক।

২। 'মানৱতাবাদ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰধান সুৰ'— কথাষাৰি ব্যাখ্যা কৰক।

৩। প্ৰেম আৰু প্ৰকৃতিপ্ৰীতি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত কেনেদৰে দেখিবলৈ পোৱা যায় পৰ্যালোচনা কৰক।

৪। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পৰিস্ফুটিত হোৱা সৌন্দৰ্য্যচেতনা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৫। স্বদেশপ্ৰেম আৰু বিপ্লৱবাদ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰক।

### ৩.১৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। তালুকদাৰ, নন্দ ঃ 'কবি আৰু কবিতা', বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, জুলাই, ১৯৯৫

২। তামুলী, লক্ষ্মীনাথ (সংকলক আৰু সম্পাদক) ঃ 'ঊষা', অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ, চেপ্তেম্বৰ, ২০০৮

৩। দাস, শোণিত বিজয়, বায়ন, মুনিন (সম্পা.) ঃ 'কথা বৰেণ্য 100', কথা গুৱাহাটী, ২০০৬,

৪। নাথ, ধ্ৰুৱজ্যোতি (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ আৰু বিশ্লেষণ', বনলতা, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০০০

৫। নেওগ, মহেশ্বৰ (সম্পা.) ঃ 'সঞ্চয়ন', সাহিত্য অকাডেমী, পঞ্চদশ মুদ্ৰণ, ২০০৩

৬। পূজাৰী, ৰাজেন আৰু কন্দলী, মুকুল (সম্পা.) ঃ 'আধুনিক অসমীয়া ভাষা সাহিত্যৰ কেইজনমান পুৰোধা', অসম সাহিত্য সভাৰ একসপ্ততিতম দেৰগাঁও অধিবেশনৰহৈ এন.এল. পাব্লিকেচনচ, পাণবজাৰ, গুৱাহাটী, ২০১১

৭। ফুকন, কবীন ঃ 'চন্দ্ৰকুমাৰ আগৰৱালা', সাহিত্য অকাডেমী, ২০০৩

৮। বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক) ঃ 'ঐতিহ্যঃ অসমীয়া সাহিত্য', হেৰিটেজ আচাম, প্ৰথম প্ৰকাশ, মে' ২০০৭

৯। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ 'কবিতাৰ সৌৰভ', বনলতা, অক্টোবৰ, ১৯৯৬

১০। শইকীয়া, নগেন (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ', বনলতা, ১৯৯৩

১১। শইকীয়া, নগেন (সম্পা.) ঃ 'জোনাকী' (একত্ৰ সংকলন), অসম সাহিত্য সভা, জানুৱাৰী, ২০০১

১২। শৰ্মা, বেণুধৰ (সম্পা.) ঃ 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী', অসম সাহিত্য সভা, ১৯৭২

১৩। শৰ্মা, সত্যেন্দ্ৰনাথ (মুখ্য সম্পাদক) ঃ 'জ্যোতিপ্ৰসাদ ৰচনাৱলী', অসম প্ৰকাশন পৰিষদ, চতুৰ্থ সংস্কৰণ, ১৯৯৯

১৪। শৰ্মা, শশী ঃ 'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা', অসম সাহিত্য সভা

১৫। হাজৰিকা, অতুল চন্দ্ৰ ঃ 'বেজবৰুৱা গ্ৰন্থাৱলী', প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ

*****

# চতুৰ্থ বিভাগ
# হেমচন্দ্ৰ গোস্বামীৰ কবিতা 'পুৱা'

**বিভাগৰ গঠানঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ হেমচন্দ্ৰ গোস্বামীৰ পৰিচয়
৪.৪ হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সাধাৰণ আলোচনা
৪.৫ হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' কবিতাটিৰ মূলপাঠ
৪.৬ 'পুৱা' কবিতাটিৰ পৰ্যালোচনা
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সামগ্ৰিক বৈশিষ্ট্যসমূহ পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' নামৰ কবিতাটিৰ আলোচনা আগবঢ়োৱা হ'ব। এই প্ৰসংগতে বিভাগটিৰ আৰম্ভণিতে হেমচন্দ্ৰ গোস্বামীৰ পৰিচয় দাঙি ধৰি তেওঁৰ কবিতাৰ এটি সাধাৰণ পৰ্যালোচনা আগবঢ়োৱা হৈছে।

হেমচন্দ্ৰ গোস্বামী আছিল অসমীয়া ৰোমাণ্টিক কাব্য আন্দোলনৰ ত্ৰিমূৰ্তিৰ অন্যতম। তেওঁৰ কাব্য সংকলন আছিল 'ফুলৰ চাকি'। পৰৱৰ্তী সময়ত বেণুধৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী' গ্ৰন্থখনত 'অন্যান্য কবিতা' শীৰ্ষকেৰে অন্যান্য কেতবোৰ কবিতা প্ৰকাশ পায়। 'পুৱা' কবিতাটি 'জোনাকী' নামেৰে তৃতীয় ভাগৰ প্ৰথম সংখ্যা জোনাকী কাকতত প্ৰকাশ পাইছিল। কবিতাটিৰ পৰৱৰ্তী নামকৰণ 'পুৱা' নামটোত নিহিত হৈ আছে আন্ধাৰৰ শতেক বাধা অনিবাৰ্যভাৱে জয় কৰি নতুন পোহৰ কঢ়িয়াই অনাৰ ৰূপক।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- হেমচন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'ব পাৰিব,

● হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সামগ্ৰিক বৈশিষ্ট্য সম্পৰ্কে অনুধাৱন কৰিব পাৰিব,

● 'পুৰা' কবিতাটিৰ মূলপাঠৰ লগত পৰিচিত হ'ব পাৰিব,

● 'পুৰা' কবিতাটিৰ বিষয়বস্তু অনুধাৱন কৰি পৰ্যালোচনা কৰি চাব পাৰিব।

**৪.৩ হেমচন্দ্ৰ গোস্বামীৰ পৰিচয়**

অসমীয়া সাহিত্যৰ ইতিহাসত 'জোনাকী যুগৰ ত্ৰিমূৰ্তি'ৰ অন্যতম পণ্ডিত হেমচন্দ্ৰ গোস্বামী এক গুৰুত্বপূৰ্ণ আসনত সমাসীন।

১৮৭২ চনৰ ৮ জানুৱাৰীত গোলাঘাট জিলাৰ (তেতিয়াৰ মহকুমা) ঢেকিয়াল মৌজাৰ গৌৰাঙ্গ সত্ৰত হেমচন্দ্ৰ গোস্বামীৰ জন্ম। তেওঁৰ পিতৃ আছিল ডম্বৰুধৰ গোস্বামী আৰু মাতৃ আছিল ঘনকান্তি দেৱী। দুৰ্ভাগ্যবশতঃ ১১ বছৰ বয়সতে গোস্বামীৰ পিতৃৰ বিয়োগ ঘটাত শৈশৱত পৰিয়ালটি কিছু সমস্যাৰ সন্মুখীন হৈছিল। সেয়ে মাতৃয়ে তেওঁক নগাঁৱৰ আত্মীয়ৰ ঘৰত থাকি পঢ়াশুনা কৰিবলৈ পঠায় আৰু সেই সময়ৰ নগাঁৱৰ উন্নত সাংস্কৃতিক-বৌদ্ধিক পৰিমণ্ডলে মেধাবী হেমচন্দ্ৰক বিশেষভাৱে সমৃদ্ধ কৰি তোলে। ১৮৮৮ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কলিকতাত পঢ়িবলৈ যায়। সেই বছৰতে জন্ম হোৱা 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম হেমচন্দ্ৰ গোস্বামীয়ে কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়ি বি.এ. ডিগ্ৰী লাভ নকৰাকৈয়ে উভতি আহি গুৱাহাটীৰ সোণাৰাম হাইস্কুলত প্ৰধান শিক্ষক নিযুক্ত হয়। গোস্বামীৰ সাহিত্যিক, বৌদ্ধিক মানস নিৰ্মাণত নগাঁৱৰ পৰিবেশ, কলিকতাৰ বিদ্যুৎসাহী ছাত্ৰ সমাজে গঢ়ি তোলা ভাষিক জাতীয়তাৰ পৰিমণ্ডল আৰু সৰ্বশেষত এডৱাৰ্ড গেইটৰ সান্নিধ্যৰ প্ৰভাৱ আছিল তাৎপৰ্যপূৰ্ণ।

গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা 'আসাম বন্ধু'তে কবি হিচাপে আত্মপ্ৰকাশ কৰা গোস্বামীৰ সাহিত্যকৃতিৰ বৈচিত্ৰ্য আৰু গভীৰতা মন কৰিবলগীয়া। ছাত্ৰ হেমচন্দ্ৰই অ.ভা. উ.সা. সভাতেই 'অসমীয়া ভাষা' শীৰ্ষক যুগান্তকাৰী প্ৰবন্ধ পাঠেৰে অসমীয়া ভাষা আৰু সাহিত্যৰ বিষয়ত ন-কৈ দৃষ্টিপাত কৰাই নহয় ভাষাটোক সময়োচিত মৰ্যাদাও প্ৰদান কৰিছিল। অ.ভা.উ.সা.সভাৰ মুখপত্ৰ 'জোনাকী'ৰ তেওঁ দ্বিতীয়গৰাকী সম্পাদক আছিল। দ্বিতীয়টো অসমীয়া ৰোমাণ্টিক কবিতা 'কাকো আৰু হিয়া নিবিলাওঁ'ৰ স্ৰষ্টাও আছিল। কাব্য সংকলন 'ফুলৰ চাকি'ৰ প্ৰণেতাজনৰ অসমীয়া সাহিত্যৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান

আছিল তাৎপৰ্যপূৰ্ণ। পণ্ডিত গোস্বামীয়ে কৰ্ণেল পি.টি. আৰ. গৰ্ডনৰ পৃষ্ঠপোষকতাত হেমচন্দ্ৰ বৰুৱা প্ৰণীত অসমীয়া অভিধান 'হেমকোষ' প্ৰকাশত বিশেষ ভূমিকা পালন কৰিছিল (১৯০০)। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখাৰ্জীৰ নিৰ্দেশনাত বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ পাঠ্যক্ৰমৰ অভাৱ দূৰ কৰিবলৈ সাতটা খণ্ডৰ 'অসমীয়া সাহিত্যৰ চানেকি' সংকলনৰ (১৯২৯) দায়িত্ব মূৰ পাতি লৈছিল। অসমীয়া ভাষা শীৰ্ষক প্ৰবন্ধৰ মাজেদি পণ্ডিত গোস্বামীয়েই প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যৰ ইতিহাসৰ যুগ বিভাজন কৰি দেখুৱাইছিল। বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা পুৰণি পুথিৰ সংক্ষিপ্ত পৰিচয় সম্বলিত A Descriptive Catalogue of Assamese Manuscripts (১৯২৭) প্ৰকাশ কৰিছিল। দৰং ৰাজবংশাৱলী (১৯১৭), কথাগীতা (১৯১৮), পুৰণি অসম বুৰঞ্জী (১৯২২), কামৰূপতন্ত্ৰ (১৯২৮)ৰ সম্পাদনাৰ দৰে মূল্যৱান কৰ্মই গোস্বামীৰ পাণ্ডিত্যৰ স্বাক্ষৰ বহন কৰিছিল। 'জোনাকী'ৰ উপৰি দ্বিতীয়খন অসমীয়া শিশু আলোচনী 'অৰুণ'ৰ(১৯১৫) সম্পাদনাৰ দায়িত্বও পালন কৰিছিল। জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম গোস্বামীৰ সাহিত্য সাধনা আৰু জাতীয় দায়বদ্ধতাৰ স্বীকৃতি স্বৰূপে ১৯২০ চনৰ অসম সাহিত্য সভাৰ তেজপুৰ অধিবেশনৰ সভাপতিৰ আসনত তেওঁক অভিষিক্ত কৰা হৈছিল। পণ্ডিত গোস্বামীৰ এই বহুমাত্ৰিক প্ৰতিভাৰ প্ৰতি লক্ষ্য ৰাখি মালিনী গোস্বামীয়ে মন্তব্য কৰিছে —

> 'একেজন মানুহে জ্ঞানৰ ইমানবোৰ ক্ষেত্ৰত সফলতাৰে বিচৰণ কৰিব পৰাটো প্ৰকৃতপক্ষে আশ্চৰ্যৰ বিষয়। প্ৰতিভা-প্ৰসূত প্ৰেৰণাৰ লগতে প্ৰয়োজন সাপেক্ষ দায়বদ্ধতাই তেখেতক সাহিত্য চৰ্চাৰ বাবে উদ্বুদ্ধ কৰিছিল।' (আধুনিক ভাষা-সাহিত্যৰ কেইজনমান পুৰোধা, পৃ. ৬১)

পণ্ডিত গোস্বামীৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি অসম সাহিত্য সভাই সাহিত্যিক বেণুধৰ শৰ্মাৰ সম্পাদনাত 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী' প্ৰকাশ কৰি উলিয়ায়। অৱশ্যে গোস্বামীৰ 'জীৱন চৰিত' ৰচনা আৰু সিঁচৰতি হৈ থকা সাহিত্যকৰ্মসমূহ সংগ্ৰহ-সম্পাদনাৰ কাম সামৰিয়েই বেণুধৰ শৰ্মা চকুৰ ৰোগত চিকিৎসাধীন হ'ব লগা হোৱাত গ্ৰন্থখনিৰ 'আগকথা' লেখিছিল অসম সাহিত্য সভাৰ তেতিয়াৰ সভাপতি তীৰ্থনাথ শৰ্মাই। প্ৰজ্ঞা আৰু প্ৰতিভাৰ আকৰ গোস্বামীৰ সাহিত্যকৰ্মৰ শ্বাশ্বত মূল্যৰ কথা সুঁৱৰি তেওঁ লেখিছিল —

> 'অসমীয়া সাহিত্যৰ চৰ্চা আজি বহুগুণে বাঢ়িছে। সাহিত্য চৰ্চাৰ সমল, ইতিহাসৰ উপাদান আৰু সুযোগ-সুবিধাও পণ্ডিত গোস্বামীৰ কালতকৈ বেছিকৈ পাইছোঁ।

তথাপি এই কথা ক'ব লাগিব যে পুৰণি বুৰঞ্জী আৰু সাহিত্যৰ ঐতিহাসিক চৰ্চাৰ বেলিকা হেম গোঁসায়ে পোনাই দিয়া বাটেদিয়ে আমি বিশেষ ফালৰি নকটাকৈ আগবাঢ়ি আছোঁ। আমি যিসকল অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপক আছিলো বা আছোহঁক, সৰহ ক্ষেত্ৰত হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া সাহিত্যৰ চানেকি', হাতে লিখা পুথিৰ বৰ্ণনাত্মক সূচী আৰু সংগ্ৰহ, তাম্ৰশাসন, শিলালিপিৰ পাঠ আৰু আন প্ৰবন্ধবিলাকত ভৰ নিদিলে আমাৰ কাম নিসিজে।'

তদুপৰি, অসমীয়া সাহিত্যৰ উচ্চতৰ অধ্যয়ন আৰু চৰ্চাৰ আদিগুৰু হিচাপে তেওঁ ভূমিকাকো ইয়াত যথাযোগ্যভাৱে প্ৰশংসা কৰা হৈছে।

অসমৰ এই বিস্ময়কৰ সাহিত্য চেতনাৰ অকাল মৃত্যু হৈছিল ১৯২৮ চনৰ মে' মাহৰ ২ তাৰিখে গুৱাহাটীৰ নিজা বাসভৱনত।

*ঊনবিংশৰ বিস্ময়কৰ সাহিত্য প্ৰতিভা পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ অসমীয়া সাহিত্যলৈ অৱদান বহুমাত্ৰিক। গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু'তে কবি জীৱনৰ পাতনি মেলা গোস্বামীৰ একমাত্ৰ কবিতা পুথি 'ফুলৰ চাকি'। তেওঁৰ 'প্ৰিয়তমাৰ চিঠি' প্ৰথম অসমীয়া চনেট কবিতা। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ত তেওঁ পাঠ কৰা 'অসমীয়া ভাষা' শীৰ্ষক প্ৰবন্ধতে প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ শুভ সূচনা কৰিছিল। অসমীয়া সাহিত্যৰ উচ্চতৰ অধ্যয়ন আৰু চৰ্চাৰ বাট কাটোতা গোস্বামীয়ে কেইবাখনো গুৰুত্বপূৰ্ণ অসমীয়া গ্ৰন্থৰ সংগ্ৰাহক, সংকলক আৰু সম্পাদক। তেওঁৰ প্ৰত্নতাত্ত্বিক দৃষ্টি আছিল সুদূৰপ্ৰসাৰী।*

### ৪.৪ হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সাধাৰণ আলোচনা

প্ৰচুৰ মেধাসম্পন্ন হেমচন্দ্ৰ গোস্বামীয়ে পাৰিবাৰিক কাৰণত ১৮৮৩ চনত ঢেকিয়ালৰ পৰা গৈ নগাঁও হাইস্কুলৰ পঞ্চম শ্ৰেণীত নাম লগাইছিল আৰু তেওঁৰ সাহিত্যিক মানস নিৰ্মাণত নগাঁৱৰ সেই সময়ৰ শক্তিশালী বৌদ্ধিক বাতাৱৰণৰ প্ৰভাৱ অনিবাৰ্যভাৱেই পৰিছিল। পঞ্চম শ্ৰেণীৰ ছাত্ৰ হেমচন্দ্ৰই গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু'ত 'ক্ষেতি' শীৰ্ষক প্ৰবন্ধ লেখিছিল। 'আসাম বন্ধু'তে কবি হেমচন্দ্ৰ গোস্বামীৰো নাম প্ৰকাশ ঘটিছিল। পৰৱৰ্তী সময়ত প্ৰজ্ঞা আৰু প্ৰতিভাৰ দ্যুতিৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পৰিচয় এনেকৈ সন্মুখলৈ আহি পৰিল যে কবি হেমচন্দ্ৰ গোস্বামী এই পাণ্ডিত্যৰ বিশালতাৰ আঁৰত যেন লুকাই

পৰিল। 'ফুলৰ চাকি'ৰ কবি আৰু প্ৰথম অসমীয়া চনেটৰ ৰচক হিচাপে 'প্ৰিয়তমাৰ চিঠি'ৰ মাজেদি অৰশ্যে গোস্বামীয়ে অসমীয়া কবিতাৰ ইতিহাসত সদায় চৰ্চিত হৈ আছে।

'ফুলৰ চাকি' প্ৰকাশ হৈছে ১৯০৭ চনত। গ্ৰন্থখনিৰ 'প্ৰথম প্ৰকাশত গ্ৰন্থকাৰৰ সূচনা' শীৰ্ষক ব্যক্তিগত অনুভৱত গোস্বামীয়ে লেখিছে — 'ইয়াৰ ভিতৰৰ কেইবাটাও কবিতা লেখকৰ ১৩-১৪ বছৰ বয়সতে লেখা আৰু তেতিয়া লেখকে আৰ্হি ল'বৰ নিমিত্তে অসমীয়া ভাষাত গীতি কবিতা (Lyrical) আৰু চৈধ্যপদী কবিতাৰ (Sonnet) চানেকিও নাছিল। তেনেস্থলত তাত কিবা দোষ থাকিলে পাঠকসকলে যেন মাৰ্জনা কৰিব। কবিতাকেইটা লেখা কাল অনুক্ৰমে সজোৱা হৈছে। (হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী)

'ফুলৰ চাকি' প্ৰকাশৰ পিছত 'উষা' আলোচনীত তাৰ সমালোচনা প্ৰকাশিত হৈছিল। সমালোচকৰ নাম উল্লেখ নথকা আলোচনাটিত কোৱা হৈছিল —

> 'প্ৰায়বিলাক কবিতাৰে ৰচনা শুৱলা বুলিব লাগে আৰু গোটাচেৰেকৰ ভাব বৰ গধুৰ হৈছে। প্ৰেম ভাবৰ কবিতাকেইটাৰ লালিত্যৰ সোৱাদ বেছিকৈ ওলাইছে। 'প্ৰিয়তমাৰ চিঠি' শীৰ্ষক কবিতাটি অসমীয়া ভাষাত প্ৰথম চনেটৰ আৰ্হি আৰু ইয়াৰ ভাব এনে শুৱলা যে, কবিতাটিৰ ভালেমান বগৰীজেঙ্গীয়া খহটা শব্দকো সি পদুমৰ পাহি যেন মিহি কৰি তুলিছে। 'এপাহি পদুম', 'কাকুতি', 'ধৰা-পৰা' এইবিলাক কবিতাই কবিৰ কোমল ভাব ভালকৈ ফুটাইছে।'
> (উষা, দ্বিতীয় ভাগ, পঞ্চম সংখ্যা)

'ফুলৰ চাকি'ৰ কবিতাকেইটিয়ে সেইবাবে কবিৰ মানসিক পৰ্বান্তৰৰো এটা সুস্পষ্ট ছবি ধৰি ৰাখিছে। ইয়াৰে 'বিশ্বাস', 'জাহাজ', 'মন', 'সংসাৰত সুখ নাই', 'স্তুতি', 'বিজুলী', 'প্ৰকৃতি', 'প্ৰকৃতিৰ স্তুতি', 'মেঘদূত', 'দীপাৱলী' আৰু এটি কটাক্ষ' কবিতাকেইটি ১৮৮৫-১৮৮৭ চনৰ 'আসাম বন্ধু'ত প্ৰকাশিত। 'পেট' প্ৰকাশ হৈছিল 'আসাম তৰা'ত ১৯৮৮ চনত। 'জাতীয় সংগীত' প্ৰকাশ পাইছিল 'উষা'ত ১ম বছৰ ১ম সংখ্যাত ১৯০৭ চনত। 'কবি আৰু বিজ্ঞান', 'কাকো আৰু হিয়া নিবিলাওঁ', 'আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা', 'পুৱা', 'কাকুতি', 'এপাহি পদুম', 'প্ৰিয়তমাৰ চিঠি', 'হঁহা-কন্দা', 'ধৰা পৰা', '৺ ৰত্নেশ্বৰ মহন্ত', এই কবিতাকেইটি প্ৰকাশ পাইছিল 'জোনাকী'ত।

ৰচনাৱলীত সন্নিবিষ্ট 'অন্যান্য কবিতা' শীৰ্ষকেৰে প্ৰকাশিত কবিতাসমূহ হৈছে 'বাঁহী' আলোচনীত প্ৰকাশিত 'মোহন বাঁহী', 'বৰ কানীয়া', 'মুক্তামালা' আৰু 'ধনঞ্জয় ঢোল'। লক্ষেশ্বৰ শৰ্মাৰ মৃত্যু উপলক্ষে আৰু মাধৱদেৱৰ তিথি উৎসৱত ৰচিত গীত দুটি প্ৰকাশ হৈছিল 'উষা'ত। শিশু আলোচনী 'অকণ'ত প্ৰকাশ হৈছিল '৺মাণিক চন্দ্ৰ বৰুৱা', 'সৰস্বতীৰ

তুতি', 'ঠেক মন' (অসম্পূৰ্ণ) মাধৱদেৱৰ ক-খ ফলা (অসম্পূৰ্ণ) আৰু 'বৰদৈচিলা'। গ্ৰন্থখনিত 'সংসাৰ সুখৰ ঠাই' শীৰ্ষক ৰত্নেশ্বৰ মহন্তৰ কবিতা এটাও সন্নিবিষ্ট কৰা হৈছে। গোস্বামীয়ে লেখা 'সংসাৰত সুখ নাই' শীৰ্ষক কবিতাটোৰ প্ৰতিবাদ স্বৰূপে লেখা কবিতাটি ৰত্নেশ্বৰ মহন্তৰ ইচ্ছা অনুসাৰে হেমচন্দ্ৰ গোস্বামীয়ে একেলগে প্ৰকাশ কৰিছিল। 'প্ৰকৃতিৰ স্তুতি' কবিতাটো বাইবেলৰ ১৯সংখ্যক ডেভিডৰ গীতৰ ভাঙনি। 'জাতীয় সংগীত' আৰ্থাৰ এলেন হিউমৰ ইংৰাজীৰ পৰা কৰা অনুবাদ। সংকলনটিত 'আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা' আৰু 'ৰত্নেশ্বৰ মহন্ত' শীৰ্ষক দুটি শোক কবিতাও প্ৰকাশ পাইছে। সংখ্যাত তাকৰীয়া বাবে তেওঁৰ কবিতাত বৈচিত্ৰ্য বিচাৰি পাবলৈ টান। কিন্তু তেওঁৰ প্ৰথমৰ ফালৰ 'বিশ্বাস', 'জাহাজ', 'মন' আদি কবিতাকেইটিত কোমল বয়সৰ হ'লেও কবিৰ পৰ্যবেক্ষণৰ সূক্ষ্মতা, অৰ্ন্তদৃষ্টিৰ গভীৰতা ধৰা নপৰাকৈ নাথাকে। ৰোমাণ্টিক যুগৰ কবি হিচাপে তেওঁৰ কবিতাত সেই যুগৰ কাব্য ভাবনাৰো স্বৰূপ প্ৰকাশ পাইছে। 'আসাম বন্ধু'ত প্ৰকাশিত কবিতাতে প্ৰকৃতিৰ সৌন্দৰ্য আৰু মাহাত্ম্যৰ বন্দনা কৰিছিল কবিয়ে। সেয়ে পৰৱৰ্তী 'পুৱা'।

সংসাৰৰ আদি শক্তি বিশ্বৰ জননী
ভূলোক স্বলোক ভূৱলোক প্ৰসবিনী,
ব্ৰহ্মাণ্ডৰ মূলাধাৰ
অনন্ত দেহ তোমাৰ,
অনন্ত আকাশো ধৰা বুকুৰ চুকত,
ঈশ্বৰৰ ছায়া তুমি মৰ্ত্য ভুৱনত।

(প্ৰকৃতি)

পৰৱৰ্তী 'পুৱা', 'এপাহি পদুম' আদি কবিতাত এই প্ৰকৃতি চেতনা অধিক সাৰ্থক প্ৰকাশ ঘটিছে।

'হঁহা-কন্দা', 'কাকো আৰু হিয়া নিবিলাওঁ'ত প্ৰকাশিত হৈছে প্ৰেমৰ বিচিত্ৰস্বৰূপ—

মানুহে নাপায় ভাল,
ল'লো জানি চিৰকাল,
কিন্তু ঘূৰি ভাবিলোঁ মনত,
সকলো কি এনেকুৱা,
দেখোঁ বাৰু কেনেকুৱা,
ভালপোৱা নাই নে বনত?

(কাকো আৰু হিয়া নিবিলাওঁ)

'আসাম বন্ধু'তে প্ৰকাশিত হেমচন্দ্ৰ গোস্বামীৰ 'জাহাজ' এটা দেশপ্ৰেমমূলক কবিতা য'ত অন্যান্য দেশৰ তুলনাত স্বদেশৰ দুৰ্বলতা, নিঃস্বতা দেখি কবি ব্যথিত হৈছে —

সকলো দেশতে মধ্যাহ্ন আলোক
চোৱাঁ অসমত আজিও নিশা,
সকলো দেশতে বসন্ত হাঁহিছে
চোৱাঁ অসমত ঘোৰ বাৰিষা।

'ফুলৰ চাকি'ৰ শোক কবিতাকেইটিও দেশপ্ৰেমেৰে অন্য প্ৰকাশ তদুপৰি দেশৰ ভৱিষ্যত শিশুসকলৰ বাবে সাহিত্য ৰচনাৰ প্ৰেৰণাও দেশপ্ৰেমৰ পৰাই সৃষ্ট।

ৰোমাণ্টিক আশাবাদো হেমচন্দ্ৰ গোস্বামীৰ কবিতাত প্ৰকাশিত হৈছে —

দুখৰ কোলাত আমি সুখ বন্থৱাম,
দুখৰ তেজেৰে আই লেখনি ধুৱাম।
দেখিলে দুখৰ ছায়া,
মাতিম সুখৰ মায়া,
আশাৰ তৰীৰে দুখ- সাগৰ তৰিম,
নিৰ্জীৱ প্ৰাণত ঘূৰি শক্তি সঞ্চাৰিম,

হেমচন্দ্ৰ গোস্বামীয়ে ' পেট'ৰ দৰে হাস্যৰসাত্মক কবিতাও লেখিছিল। য'ত পেটৰ তাড়নাতে মানুহে কৰা বিচিত্ৰ লীলাৰ কাহিনী বৰ্ণনা কৰিছে —

চাবাছ চাবাছ পেট ভাল মজা কৰিলি
সংসাৰৰ মাজে ভাই, তয়ে আচল বলী।

'বাঁহী'ত প্ৰকাশিত 'বৰ কানিয়া'য়ো তেওঁৰ বুদ্ধিদীপ্ত সামাজিক ব্যঙ্গৰ স্বৰূপ প্ৰকাশ কৰিছে।

পেট্ৰাৰ্কীয় চনেটৰ আৰ্হি প্ৰথমবাৰৰ বাবে 'প্ৰিয়তমাৰ চিঠি'ৰ দ্বাৰা অসমীয়া সাহিত্যত প্ৰতিষ্ঠা কৰি যোৱা কবিৰ 'অকণ'ত প্ৰকাশিত শিশু কবিতাকেইটিও কাব্য বিচাৰত বিশেষভাৱে উল্লেখযোগ্য। 'বাঁহী'ত প্ৰকাশিত 'মুক্তামালা'ই বেজবৰুৱাৰ 'ৰেণুকা'ৰ কবিতামুঠিৰ দৰেই অনুপম ৰসানুভূতি দান কৰিছে —

মানুহে কি কব বুলি এৰে নিজ হিত।
তাৰমান মূৰ্খ নাই এই পৃথিৱীত।।
০ ০ ০
আজিৰ দিনটো জানা সৰ্বস্ব তোমাৰ।

শক্তি মতে কৰা তাৰ সজ ব্যৱহাৰ।।

০ ০ ০

আৰ্জ্জিছা যি জীৱনত অভিজ্ঞতা-ফল।
কৰা তাক উন্নতিৰ বাটৰ সমল।

প্ৰত্নতাত্ত্বিক গৱেষণা, পুৰণি পুথিৰ সংগ্ৰহ আৰু সম্পাদনাৰ কামত এশাসুধীয়াকৈ লাগি পৰাত গোস্বামীৰ কবিতা চৰ্চাই হয়তো যথোচিত মনোযোগ লাভ নকৰিলে কিন্তু সীমিত সংখ্যক কবিতাৰ মাজেদিয়েই হেমচন্দ্ৰ গোস্বামীয়ে এক সুকীয়া পৰিচয় ৰক্ষা কৰিছে। এই সীমিত সংখ্যক কবিতাৰ ভিতৰত 'পুৰা' এক অনন্য সৃষ্টি।

**আত্মমূল্যায়ন প্ৰশ্ন**

হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ প্ৰধান বিষয়বস্তু কি?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৪.৫ হেমচন্দ্ৰ গোস্বামীৰ 'পুৰা' কবিতাটিৰ মূলপাঠ

গহীন পুৰতী নিশা, নিতাল জগত
কতো নাই জোনাকৰ চিন,
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা,
সুৰা-ভুলা জীৱনৰ বীণ।

জীৱনৰ যুঁজ এৰি কাম-কৰ্ম্মী দুয়ো
শঁতাইছে যুঁজৰ ভাগৰ
বিয়পি অসীম বিশ্ব আন্ধাৰ এলাহ,
গতিহীন স্থিতি জগতৰ।

কোনোবা দেশৰপৰা ধীৰ সোঁত বলি
আহিছে এখনি জুৰ নৈ

ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা
বাজিছে বুকুত ৰৈ ৰৈ।

জোনাক জোনাক বুলি জীৱন বিচাৰী
আন্ধাৰত প্ৰকৃতি আতুৰ
জোনাক-জীৱন খুজি ওপঙি ফুৰিছে
নিফুট আকুল এটি সুৰ।

কাতৰ সুৰত পমি নিয়ম-বিহোঁতা
প্ৰকৃতিৰ প্ৰবোধি মনক
দিবলৈ মনে মনে জোনাক-জাননী
পাচিছে পুৰাৰ বতাহক।

স্বৰ্গৰ বাতৰি পাই অপেক্ষি জোনাক
প্ৰকৃতিৰ উত্ৰাৱল চিত
বহিছে শীতল বায়ু, নাচিছে লতাই
ফুল-কলি হাঁহিছে থুপিত।

দুটিমান জোনাকৰ সোণোৱালী ৰেখ
লাহে লাহে ভৈয়াম নামিছে
সৃষ্টি-পাতনিৰ সেই জীৱন্ত ছবিটি
ঘূৰি আহি ভুমুকি মাৰিছে।

লোকালোক সাগৰত উটি-বুৰি ফুৰা
জীৱনৰ পৱিত্ৰ ভাবটি
আধা আলো আধা ছাঁত ফুলোঁ ফুলোঁ কৰি
প্ৰকৃতিক ধৰিছে সাবটি।

জিলিঙনি এটি আহি পদুম-বনত
স্বৰগৰ ৰহণ ঢালিছে
অকলশৰীয়া দুটি পদুম-কলিয়ে
চুমা খাই হালিছে-জালিছে।

স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহযুৰি
প্ৰেমৰ আলচ ভূলি গৈ
চিত্ৰৰ পুতলী প্ৰায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।

আকৌ ঘুমটি ত্যজি নিজম চেতনা
লাহে লাহে সজাগ হইছে
পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে
বীণখনি হাতত লইছে।

বৰষাঁ অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ম্ময়ী জোনাকী সৰিতা
বজোৱাঁ অনন্ত কাল পঞ্চমত তুলি
বীণাপাণি কোমল কবিতা।

**৪.৬ 'পুৱা' কবিতাটিৰ পৰ্যালোচনা**

'পুৱা' গোস্বামীৰ শক্তিশালী কবিতা। 'পুৱা' নামটোতে নিহিত হৈ আছে আন্ধাৰৰ শতেক বাধা অনিবাৰ্যভাৱে জয় কৰি নতুন পোহৰ কঢ়িয়াই অনাৰ ৰূপক। কবিতাটো 'জোনাকী' নামেৰে ১৮১২-১৩ শকৰ তৃতীয় ভাগৰ ১ম সংখ্যা জোনাকীত প্ৰকাশ হৈছিল। 'পুৱা'ৰ সম্পৰ্কে নন্দ তালুকদাৰৰ ভাষাত — 'পুৱা' কবিতা নৱন্যাস আন্দোলনৰ প্ৰভাতী সঙ্গীত। (কবি আৰু কবিতা, পৃ.৮৭) 'জোনাকী'ৰ প্ৰকাশে অসমীয়া মানুহক মানসিক পোহৰেৰে নতুন পুৱাৰ সন্ধান দিব, হয়তো এনে আশাবাদেই আছিল কবিতাটোৰ পিছৰ প্ৰেৰণা।

গহীন পুৰতী নিশা, নিতাল জগত
ক'তো নাই জোনাকৰ চিন;
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা,
সুৰ-ভুলা জীৱনৰ বীণ।

পুৱতি নিশাৰ গহীন পৰিবেশ। জোনাকীৰ পোহৰ ক্ৰমে শেষ হৈ আহিছে। জগত সংসাৰ নিতাল-নিস্তব্ধ। সুৰ পাহৰি নিতাল মৰা জীৱনৰ বীণখনে সাৰ পাই উঠা নাই তেতিয়াও।

জীৱনৰ যুঁজ এৰি কাম-কৰ্মী দুয়ো
শঁতাইছে যুঁজৰ ভাগৰ;
বিয়পি অসীম বিশ্ব আন্ধাৰ এলাহ,
গতিহীন স্থিতি জগতৰ।

প্ৰাত্যহিক জীৱন যুঁজৰ অন্তত কৰোতায়ে কেৱল যুঁজৰ ভাগৰ পলোৱা নাই, কামো যেন নিতাল মাৰি শুই আছে। সমগ্ৰ বিশ্ব আন্ধাৰ আৰু এলাহে আৱৰি ধৰিছে। জগত যেন থমকি ৰৈছে। এই নিৰৱতাক অধিক গভীৰ কৰি দিবলৈকে যেন —

কোনোবা দেশৰ পৰা ধীৰ সোঁত বলি
আহিছে এখনি জুৰ নৈ;
ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা
বাজিছে বুকুত ৰৈ ৰৈ।

কোনোবা দেশৰ পৰা যেন ধীৰ গতিৰে এখনি জুৰ নৈ বৈ আহিছে আৰু ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা কবিৰ বুকুত বাজি ৰৈছে।

জোনাক জোনাক বুলি জীৱন বিচাৰি
আন্ধাৰত প্ৰকৃতি আতুৰ;
জোনাক জীৱন খুজি ওপঙি ফুৰিছে
নিফুট আকুল এটি সুৰ।

প্ৰকৃতিত সন্ধান চলিছে জীৱনৰ। আন্ধাৰত আতুৰ প্ৰকৃতিয়েও কৰিছে জীৱনময় জোনাকৰ সন্ধান। ক'ৰবাত যেন জোনাকী জীৱনৰ আকূতি এটি নিফুট সুৰ হৈ মুঞ্জৰি উঠিছে—

কাতৰ সুৰত পমি নিয়ম বিহোঁতা
প্ৰকৃতিৰ প্ৰবোধি মনক
দিবলৈ মনে মনে জোনাক-জাননী
পাচিছে পুৱাৰ বতাহক।

প্ৰকৃতিৰ এই পোহৰ পিয়াসী কাতৰ সুৰে নিয়ম বিহোতা অৰ্থাৎ সৃষ্টিকৰ্তাৰ অন্তৰ স্পৰ্শ কৰিছেগৈ। প্ৰকৃতিক সান্ত্বনাৰ বাণী শুনাই, পোহৰৰ জাননী দিবলৈ পুৱাৰ বতাহক দায়িত্ব অৰ্পণ কৰিছে।

স্বৰ্গৰ বাতৰি পাই অপেক্ষি জোনাক
প্ৰকৃতিৰ উত্ৰাৱল চিত;

বহিছে শীতল বায়ু নাচিছে লতাই

ফুল কলি হাঁহিছে থুপিত।

এই স্বৰ্গীয় বাৰ্তাই জোনাকৰ অপেক্ষাত থকা প্ৰকৃতিৰ চিত্ত উত্ৰাৱল কৰি তুলিছে। প্ৰকৃতিৰ এই উলাহ শীতল বায়ুৰ প্ৰবাহ, লতাৰ নাচোন, থুপিত হাঁহি থকা ফুল কলিৰ মাজত প্ৰকাশিত হৈছে।

দুটিমান জোনাকৰ সোণোৱালী ৰেখ

লাহে লাহে ভৈয়াম নামিছে;

সৃষ্টি পাতনিৰ সেই জীৱন্ত ছবিটি

ঘূৰি আহি ভূমুকি মাৰিছে।

লাহে লাহে পোহৰৰ জিলিঙনি দেখা গৈছে। জোনাকত সোণালী ৰেখা দুডালমান ভৈয়ামলৈ নামি আহিছে। সৃষ্টি পাতনিৰে পৰা ঘটি অহা সেই অনিবাৰ্য সংঘটন সূৰ্যোদয়ৰ অনুপম জীৱন্ত ছবিখন কবিয়ে বৰ কুশলতাৰে আঁকিছে।

লোকালোক সাগৰত উটি-বুৰি ফুৰা

জীৱনৰ পবিত্ৰ ভাবটি;

আধা-আলো আধা ছাঁত ফুলোঁ ফুলোঁ কৰি

প্ৰকৃতিক ধৰিছে সাবটি।

জীৱনৰ এটি পবিত্ৰ অনুভূতিয়ে পোহৰ-ছাঁত প্ৰকৃতিক সাৱটি ধৰিছে। য'ত জীৱনৰ সংগীত আছে।

জিলিঙনি এটি আহি পদুম বনত

স্বৰগৰ ৰহন ঢালিছে

অকলশৰীয়া দুটি পদুম কলিয়ে

চুমা খাই হালিছে-জালিছে।

পোহৰচ্ছটাই কঢ়িয়াই অনা এই জীৱনৰ সঙ্গীত শুনি পদুম কলি দুটাও সম্ভাৱনাবোৰ সাকাৰ হোৱাৰ আনন্দত উচ্ছসিত হৈ উঠিছে। কাৰণ সূৰ্যৰ পোহৰতহে পদুম প্ৰস্ফুটিত হয়। ই যে পদুমৰ বাবে পূৰ্ণতাৰ বাতৰি কঢ়িয়াই আনিছে।

পোহৰৰ উপস্থিতিয়ে প্ৰকৃতিক প্ৰাণময় কৰি তুলিছে। পোহৰ পৰি পদুম বনত সৰগীয় অনুভূতি জাগৃত হৈছে। পদুম কলি দুটি নিসঙ্গতাৰ পৰা মুক্ত হৈ পৰস্পৰ স্নেহালিংগনত মতলীয়া হৈছে।

স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহযুৰি

প্ৰেমৰ আলচ ভুলি গৈ

চিত্ৰৰ পুতলী প্ৰায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।

সৰগীয় পোহৰৰ জেউতি দেখি ৰাজহাঁহ যুৰিয়েও যেন পৰস্পৰ প্ৰেম নিৱেদন কৰিবলৈ পাহৰি গৈ মুগ্ধ হৈ ছবিৰ পুতলাৰ দৰে পৰস্পৰক চাই থৰ লাগিছে।

আকৌ ঘুমটি ত্যাজি নিজম চেতনা।
লাহে লাহে সজাগ হইছে;
পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে
বীণখনি হাতত লইছে।

টোপনিৰ পৰা সংসাৰে সাৰ পাই উঠিছে। পাহৰা সুৰটি পুনৰ বজাবলৈ বীণখনি হাতত তুলি লৈছে। নিজম চেতনা পুনৰ বাংময় হৈছে।

বৰষা অনন্তকাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ম্ময়ী জোনাকী সবিতা;
বজোৱা অনন্ত কাল পঞ্চমত তুলি
বীণাপাণি কোমল কবিতা।

কবিয়ে জোনাকী সবিতাক — সূৰ্যক অনন্তকাল জ্ঞানৰ পোহৰ বৰ্ষণ কৰিবলৈ অনুৰোধ জনাইছে। বীণাপাণিৰ কোমল কবিতাৰে পঞ্চমসুৰত সুৰ তুলিবলৈ।

**আত্মমূল্যায়ন প্ৰশ্ন**

'পুৰা' কবিতাৰ মূল তাৎপৰ্য কি?

........................................................................................

........................................................................................

........................................................................................

........................................................................................

........................................................................................

## ৪.৭ সাৰাংশ (Summing Up)

'পুৰা' কবিতাটিৰ প্ৰাৰম্ভিক স্তৰত নাম আছিল 'জোনাকী'। জোনাকী আছিল ৰোমাণ্টিক কবিসকলৰ বাবে জ্ঞানৰ পোহৰৰ প্ৰতীক। 'জোনাকী'ৰ প্ৰথম সম্পাদকীয়ত

চন্দ্ৰকুমাৰে কৈছিল— 'ন-কৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম।' (মোৰ জীৱন সোঁৱৰণ, বেজবৰুৱা গ্ৰন্থাৱলী, পৃ. ৪৭) সেই মানসিক পোহৰৰ ব্যঞ্জনা 'জোনাকী' কবিতাত ফুটি উঠিছিল। চিত্ৰময় কবিতাটোৰ পৰৱৰ্তী নামকৰণ হৈছে 'পুৱা'। য'ত সপোন এটাৰ সাকাৰ হোৱাৰ পথ প্ৰশস্ত হৈ উঠিছিল।

### ৪.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)

১। হেমচন্দ্ৰ গোস্বামীৰ পৰিচয় দাঙি ধৰি তেওঁৰ জীৱন আৰু দৰ্শন সম্পৰ্কে আলোচনা কৰক।

২। হেমচন্দ্ৰ গোস্বামীৰ সাহিত্য কৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৩। হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ এটি সামগ্ৰিক পৰ্যালোচনা দাঙি ধৰক।

৪। 'পুৱা' কবিতাৰ মাজেদি প্ৰকাশ পোৱা আশাবাদী চিন্তাৰ প্ৰকাশ কিদৰে ঘটিছে?

৫। 'পুৱা' কবিতাৰ মূলভাৱ লিখক।

৬। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সাহিত্যকৃতিৰ পৰিচয় দি 'পুৱা' কবিতাৰ কাব্যিক সৌন্দৰ্য লিখক।

### ৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। তালুকদাৰ, নন্দ ঃ 'কবি আৰু কবিতা', বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, জুলাই, ১৯৯৫

২। তামুলী, লক্ষ্মীনাথ (সংকলক আৰু সম্পাদক) ঃ 'ঊষা', অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ, চেপ্তেম্বৰ, ২০০৮

৩। দাস, শোণিত বিজয়, বায়ন, মুনিন (সম্পা.) ঃ 'কথা বৰেণ্য 100', কথা গুৱাহাটী, ২০০৬,

৪। নাথ, ধ্ৰুৱজ্যোতি (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ আৰু বিশ্লেষণ', বনলতা, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০০০

৫। নেওগ, মহেশ্বৰ (সম্পা.) ঃ 'সঞ্চয়ন', সাহিত্য অকাডেমী, পঞ্চদশ মুদ্ৰণ, ২০০৩

৬। পূজাৰী, ৰাজেন আৰু কন্দলী, মুকুল (সম্পা.) ঃ 'আধুনিক অসমীয়া ভাষা সাহিত্যৰ কেইজনমান পুৰোধা', অসম সাহিত্য সভাৰ একসপ্ততিতম দেৰগাঁও অধিবেশনৰহৈ এন.এল. পাব্লিকেচনচ, পাণবজাৰ, গুৱাহাটী, ২০১১

৭। ফুকন, কবীন ঃ 'চন্দ্রকুমাৰ আগৰৱালা', সাহিত্য অকাডেমী, ২০০৩
৮। বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক) ঃ 'ঐতিহ্যঃ অসমীয়া সাহিত্য', হেৰিটেজ আচাম, প্ৰথম প্ৰকাশ, মে' ২০০৭
৯। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ 'কবিতাৰ সৌৰভ', বনলতা, অক্টোবৰ, ১৯৯৬
১০। শইকীয়া, নগেন (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ', বনলতা, ১৯৯৩
১১। শইকীয়া, নগেন (সম্পা.) ঃ 'জোনাকী' (একত্ৰ সংকলন), অসম সাহিত্য সভা, জানুৱাৰী, ২০০১
১২। শৰ্মা, বেণুধৰ (সম্পা.) ঃ 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী', অসম সাহিত্য সভা, ১৯৭২
১৩। শৰ্মা, সত্যেন্দ্ৰনাথ (মুখ্য সম্পাদক) ঃ 'জ্যোতিপ্ৰসাদ ৰচনাৱলী', অসম প্ৰকাশন পৰিষদ, চতুৰ্থ সংস্কৰণ, ১৯৯৯
১৪। শৰ্মা, শশী ঃ 'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা', অসম সাহিত্য সভা
১৫। হাজৰিকা, অতুল চন্দ্ৰ ঃ 'বেজবৰুৱা গ্ৰন্থাৱলী', প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ।

*****

## পঞ্চম বিভাগ
## লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা 'মালতী'

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্ম
৫.৪ কবি লক্ষ্মীনাথ বেজবৰুৱা
৫.৫ বেজবৰুৱাৰ কবিতা 'মালতী'
৫.৫.১ 'মালতী' কবিতাটিৰ মূলপাঠ
৫.৫.২ 'মালতী' কবিতাৰ বিষয়বস্তু
৫.৫.৩ 'মালতী' কবিতাত ৰোমান্টিক কবিতাৰ লক্ষণ
৫.৬ সাৰাংশ (Summing Up)
৫.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত হেমচন্দ্ৰ গোস্বামীৰ 'পুৰা' কবিতাটিৰ বিশ্লেষণ আগবঢ়াই অহা হৈছে। এই বিভাগটিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'মালতী' নামৰ কবিতাটিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

অসমীয়া সাহিত্যৰ সাহিত্যৰথী হিচাপে পৰিচিত লক্ষ্মীনাথ বেজবৰুৱা আছিল অসমীয়া সাহিত্যৰ এটা যুগৰ বলিষ্ঠ কণ্ঠ। সাহিত্যৰ সকলো শিতানতে তেওঁৰ অৱদান আছিল অনবদ্য। কবিতা হওঁক বা নহওঁক এই বুলিয়ে তেওঁ কবিতা ৰচনা কৰিছিল। তেওঁৰ এটি ৰোমান্টিক ভাবাদৰ্শ প্ৰতিফলিত হোৱা শ্ৰেষ্ঠ কবিতা হ'ল 'মালতী'। এই বিভাগটিত 'মালতী' কবিতাটোৰ বিষয়বস্তু আৰু কবিতাটিত প্ৰতিফলিত হোৱা ৰোমান্টিক ভাৱাদৰ্শৰ বিষয়ে আলোচনা কৰা হ'ব। বিভাগটিৰ আৰম্ভণিতে লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় দাঙি ধৰি সাহিত্যকৃতিৰ পৰিচয় জ্ঞাপন কৰাৰ লগতে কবি হিচাপে বেজবৰুৱা দেৱক বিচাৰ কৰাৰ চেষ্টা কৰা হৈছে।

### ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্ম বৰ্ণনা কৰিব পাৰিব,
- কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাক বিচাৰ কৰিব পাৰিব,
- 'মালতী' কবিতাৰ বিষয়বস্তু অনুধাৱন কৰিব পাৰিব,
- 'মালতী' কবিতাত ৰোমান্টিক কবিতাৰ লক্ষণ বিশ্লেষণ কৰি চাব পাৰিব।

**৫.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্ম**

আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণ কৰি এটি যুগক প্ৰতিনিধিত্ব কৰা লক্ষ্মীনাথ বেজবৰুৱাই (১৮৬৪-১৯৩৮) এটি বৈষ্ণৱ পৰিয়ালত জন্মলাভ কৰি অসমৰ বিভিন্ন চহৰত শৈশৱ জীৱন অতিবাহিত কৰি তেওঁৰ জ্ঞানৰ সৌধ নিৰ্মাণ কৰিছিল। বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা আছিল এগৰাকী পণ্ডিত, বিদ্যানুৰাগী আৰু সামাজিক কাম-কাজত নেতৃত্ব দিয়া ব্যক্তি। দীননাথ বেজবৰুৱা চৰকাৰী চাকৰিয়াল হোৱাৰ বাবে এঠাইৰ পৰা আনঠাইলৈ বদলি হৈ থাকিব লাগিছিল। বৰপেটাত দুই কি তিনিবছৰ থকাৰ পিছত তেজপুৰলৈ এক্সট্ৰা এছিষ্টেন্ট কমিছনাৰ হিচাপে তেওঁক বদলি কৰে। ইয়াৰ পিছত লখিমপুৰ আৰু গুৱাহাটীলৈ বদলি কৰাৰ পিছত ১৮৭৩ খ্ৰীঃতঃ চাকৰিৰ পৰা অৱসৰ লৈ শিৱসাগৰতে স্থায়ীভাৱে থাকিবলৈ লয়। প্ৰায় ৯ বছৰ বয়সলৈকে লক্ষ্মীনাথে বৰপেটা, তেজপুৰ, লখিমপুৰ আৰু গুৱাহাটীত পিতৃ-মাতৃ আৰু ককাই-ভাইৰ সৈতে পাৰ কৰে। এয়া আছিল লক্ষ্মীনাথ বেজবৰুৱাৰ বাবে বিচিত্ৰ অভিজ্ঞতা, বিচিত্ৰ প্ৰকৃতি, বিচিত্ৰ মানুহৰ সংগ লাভ কৰাৰ সুযোগ। মোৰ জীৱন সোঁৱৰণত বেজবৰুৱাই এই ঠাইসমূহত লাভ কৰা অভিজ্ঞতাৰ বিষয়ে বিস্তৃতভাৱে অৱলোকন কৰিছে। শৈশৱতে লাভ কৰা আধ্যাত্মিক শিক্ষা, যৌথ পৰিয়ালৰ অভিজ্ঞতা, চৌদিশৰ প্ৰকৃতি, অসমৰ লোক-জীৱন আৰু লোকসংস্কৃতিৰ বিভিন্ন দিশে প্ৰভাৱ পেলোৱাৰ বাবেই তেওঁৰ পৰৱৰ্তীকালৰ সৃষ্টিশীল লেখাসমূহৰ মাজত, তাত্ত্বিক প্ৰবন্ধ আৰু সমালোচনাৰ মাজত সেই ভাব, চিন্তাৰ প্ৰতিফলন ঘটিছে। ছাত্ৰ হিচাপে লক্ষ্মীনাথ বেজবৰুৱা মজলীয়া বিধৰ আছিল যে সেই কথা গম পোৱা যায়-'মোৰ জীৱন সোঁৱৰণৰ' পৰাই। পাঠ্যক্ৰমতকৈ, স্কুলৰ চাৰিবেৰৰ-মাজত থকাতকৈ-প্ৰকৃতিৰ মাজত, সমনীয়াৰ লগত খেলা-ধূলা, দুষ্টামি কৰি ভাল পাইছিল। বাইছ বছৰ বয়সতহে (১৮৮৬ খ্ৰীষ্টাব্দত) দ্বিতীয় বিভাগত তেওঁ এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰিছিল। উচ্চ শিক্ষাৰ বাবে বেজবৰুৱা কলিকতালৈ যায় আৰু তাৰ পৰাই বি.এ পাছ কৰি ইংৰাজীত এম.এ আৰু আইন পঢ়ে যদিও আধৰুৱাকৈ অধ্যয়ন সমাপ্ত কৰে। বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞাসুন্দৰী দেৱীক ১৮৮১ চনত বিয়া কৰায়। কোনো চৰকাৰী চাকৰিৰ প্ৰতি মন নেমেলি বিখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাৰ লগত আৰু পিছলৈ বাৰ্ড নামৰ ইংৰাজ কোম্পানীৰ লগত আৰু জীৱনৰ শেষৰফালে উৰিষ্যাৰ সম্বলপুৰত স্বাধীনভাৱে তেওঁ কাঠৰ ব্যৱসায় কৰে।

বেজবৰুৱা কলিকতাত অধ্যয়ন কৰিবলৈ যোৱা সময় চোৱাত কলিকতাত বিভিন্ন দিশত পৰিবৰ্তনৰ অলেখ ঘটনা-পৰিঘটনা সৃষ্টি হৈছিল। সেইবিলাকৰ ভিতৰত- ৰাজা ৰাম মোহন ৰাইৰ সংস্কাৰমুখী চিন্তাধাৰাৰ লগতে ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয়ৰে নৱজাগৰণৰ পৰিৱেশৰ কথা ক'ব লাগিব। নতুন মানৱতাবাদী দৃষ্টি ভংগী, পাশ্চাত্য সাহিত্যৰ অধ্যয়ন, দেশাত্মবোধ আদিয়ে বৌদ্ধিক, সামাজিক আৰু সংস্কৃতিক ক্ষেত্ৰখনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিলে। বংগদেশত সকলো দিশতে আত্ম আৱিষ্কাৰ আৰু আত্ম প্ৰতিষ্ঠাৰ প্ৰচেষ্টা দেখা গ'ল। ইংৰাজী ভাষা, সাহিত্যৰ অধ্যয়ন, স্কুল, কলেজ আদিত

ইংৰাজী শিক্ষাৰ বিভিন্ন দিশক গুৰুত্ব প্ৰদান কৰাৰ ফলস্বৰূপে বংগৰ নৱজাগৰণক এক নতুন মাত্ৰা প্ৰদান কৰিলে। ১৮৫৭ খ্ৰীঃত কলিকতা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা বিদ্যায়তনিক আৰু বৌদ্ধিক পৰিবৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিলে। কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ যোৱা ছাত্ৰসকল পৰিচত হ'ল সেইসময়ৰ বিখ্যাত কবি, দাৰ্শনিক, সমালোচক, ঔপন্যাসিক, নাট্যকাৰ আদিৰ সাহিত্যৰ সৈতে; বিশেষকৈ-ভাৰ্জিন, হোমাৰ, মিল্টন, পাৰ্লগ্ৰেভ, শ্বেইক্সপীয়েৰ, হিউম, বেকন, স্কট, ৱ'ৰ্ডছৱৰ্থ, শ্যেলী, কীটছ্, বাইৰন, লৰ্ড টেনিছন, বিদ্যাসাগৰ, মাইকেল মধুসুদন দত্ত, ৰবীন্দ্ৰনাথ ঠাকুৰ আদিৰ সাহিত্য কৰ্মৰ সৈতে। এওঁলোকৰ সাহিত্যকৃৰ্তিৰ অধ্যয়নে অসমীয়া ছাত্ৰসকলৰ সন্মুখত নতুন জগত একোখন উন্মোচন কৰিলে।

"পাশ্চাত্য সাহিত্য দৰ্শন আৰু অন্যান্য চিন্তামূলক ৰচনাই অসমীয়া ছাত্ৰসকলৰ মনত বংগৰ নৱজাগৰণৰ সমান্তৰভাৱেই সাঁচ বহুৱালে। এফালে ভাৰতীয় দৰ্শনিক ঐতিহ্য আৰু সাহিত্য ঐতিহ্যৰ প্ৰভাৱ আনহাতে অসমীয়া ভাষা-সাহিত্য, ধৰ্মীয় সংস্কৃতিৰ ঐতিহ্যৰ প্ৰভাৱ। এই আটাইবিলাকে অসমীয়া সাহিত্যত ৰোমাণ্টিক আন্দোলন গঢ় লৈ উঠাত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিলে।" (শইকীয়া, নগেন, অবিস্মৰণীয় বেজবৰুৱা প্ৰবন্ধ, লক্ষ্মীনাথ বেজবৰুৱা, সম্পা, অৰিন্দম বৰকটকী, অজিত ভৰালী,পৃ ২২) কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ গৈ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় ঘটে চন্দ্ৰকুমাৰ আগৰৱলা আৰু হেমচন্দ্ৰ গোস্বামীকে প্ৰমুখ্য কৰি কেইবাজনো অসমীয়া ব্যক্তিৰ সৈতে। ১৮৮৮ চনত কলিকতাত প্ৰবাসী অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভা (অ.ভা.উ.সা) গঠন কৰে। ১৮৮৯ চনত এই সভাৰ মুখপত্ৰ স্বৰূপে জোনাকী আলোচনীয়ে প্ৰকাশ লাভ কৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত ফেব্ৰুৱাৰী মাহৰ পৰা প্ৰকাশিত এই আলোচনীয়ে অসমীয়া সাহিত্যত নৱজাগৰণৰ সূচনা বিয়পাই দিয়ে। অসমীয়া সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ বাটকাটি দিলে-এই জোনাকী আলোচনীয়ে। চন্দ্ৰকুমাৰ আগৰৱালা লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী-এই সাহিত্যিক আন্দোলনত ত্ৰিমূৰ্তি স্বৰূপে জিলিকি উঠিল। মূখ্যতঃ বেজবৰুৱা আছিল এই আন্দোলনৰ সকলো দিশতে গুৰি ধৰোঁতা। প্ৰায় পাঁচোটা দশকজুৰি চলা এই সাহিত্যিক আন্দোলনটোৰ মুকুটবিহীন সম্ৰাটস্বৰূপে পৰিগণিত হ'ল লক্ষ্মীনাথ বেজবৰুৱা।

"লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৰ্মৰ মাজেদি অসমীয়া জাতীয় চেতনা মানৱিকবাদ আৰু ঐতিহ্যলব্ধ আদৰ্শবাদ এই তিনওটাই শক্তিশালী সাহিত্যিক প্ৰকাশ লাভ কৰিলে যদিও এই জাগৰণৰ সমস্ত দায়িত্ব বেজবৰুৱাই অকলে লোৱা নাছিল বা তেনে কৰাটো সম্ভৱো নাছিল তথাপি তেওঁৰ সাহিত্যিক ব্যক্তিত্বই সমগ্ৰ যুগটোক প্ৰতিনিধিত্ব কৰে।

বেজবৰুৱাই অসমীয়া সাহিত্যৰ এই আধুনিক যুগটোক প্ৰতিনিধিত্ব কৰাৰ উপৰিও অসম আৰু অসমীয়া ভাষা সাহিত্যৰ প্ৰাচীন যুগটোক পোহৰলৈ অনাটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।" (শইকীয়া, নগেন, উল্লিখিত গ্ৰন্থ, পৃ . ২৩)

লক্ষ্মীনাথ বেজবৰুৱা আছিল একেধাৰে কবি, নাট্যকাৰ, গল্পকাৰ, সমালোচক, সংগ্ৰাহক-সংকলক, সম্পাদক, ঔপন্যাসিক, ব্যংগ সাহিত্যিক। অসমীয়া চুটিগল্পৰ জনক হিচাপে তেওঁ জনাজাত।  তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ জীৱন সোঁৱৰণ' সেই সময়ৰ সমাজ জীৱন আৰু সাংস্কৃতিক জীৱনৰ দলিলস্বৰূপ। সৰুতেই ঘৰত লাভ কৰা বৈষ্ণৱ পৰিৱেশৰ বাবেই তেওঁৰ গুৰু দুজনাৰ প্ৰতি আছিল অসীম শ্ৰদ্ধা। তেওঁলোকৰ ৰচনাৱলীৰ অমৃত মন্থন কৰি নতুন দৃষ্টিভংগীয়ে পাঠকক বিলাই দিবলৈ তেওঁ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। জোনাকীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাতে প্ৰকাশিত 'লিতিকাই' নামৰ প্ৰহসনখনৰ জৰিয়তেই বেজবৰুৱাই সাহিত্যিক জীৱনত প্ৰৱেশ কৰে। এই যাত্ৰা মৰণৰ আগলৈকে তেওঁ নিৰলসভাৱে কৰি গৈছিল। স্বদেশ আৰু স্বজাতিৰ উন্নতিয়েই আছিল বেজবৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ। ড° বাণীকান্ত কাকতিয়ে সেয়ে কৈছিল-"স্বদেশ প্ৰীতি বেজবৰুৱা সাহিত্যৰ মূলমন্ত্ৰ।"

বেজবৰুৱাৰ বিশাল সাহিত্যৰাজিক এনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি-কবিতাৰ পুথি কদমকলি,গল্পপুথি-জোনবিৰি, সুৰভি, সাধুকথাৰ কুঁকি; প্ৰহসন-লিতিকাই, নোমল, পাচনি, চিকৰপতি নিকৰপতি; বুৰঞ্জীমূলক নাটক-জয়মতী, বেলিমাৰ, চক্ৰধ্বজ সিংহ, উপন্যাস-পদুমকুঁৱৰী; হাস্যৰসাত্মক ৰচনাৰ সংগ্ৰহ কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰবৰুৱাৰ ওভতনি, বৰবৰুৱাৰ ভাৰৰ বুৰবুৰণি, বৰবৰুৱাৰ বুলনি; জীৱনীমূলক গ্ৰন্থ - শ্ৰী শংকৰদেৱ, শ্ৰী শংকৰদেৱ-মাধৱদেৱ, ডাঙৰীয়া দীননাথ বেজবৰুৱা; আত্মজীৱনী - মোৰ জীৱন সোঁৱৰণ; তত্ত্বমূলকগ্ৰন্থ-তত্ত্বকথা, কৃষ্ণকথা, ভাগৱত কথা।

দেখা যায় বেজবৰুৱাদেৱে অসমীয়া সাহিত্যৰ সকলো দিশতে স্বকীয় প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। তেখেতৰ ৰচনাৰ মূল বীজমন্ত্ৰ আছিল গভীৰ স্বদেশ প্ৰেম। তাকে কৰিবলৈ যাওঁতে তেওঁ কেতিয়াবা বীণ ব'ৰাগীৰ জৰিয়তে, কেতিয়াবা ঐতিহাসিক নাটকৰ জৰিয়তে, কেতিয়াবা ব্যঙ্গৰ চলেৰে কৃপাবৰী ৰূপেৰে, কেতিয়াবা ক্ষুৰধাৰ সমালোচক ৰূপে অৱতীৰ্ণ হৈছিল। সকলো ৰচনা তেওঁৰ পাগত উঠিছিল বুলি ক'ব নোৱাৰিলেও প্ৰতিটো বিভাগতে ঐতিহাসিক মূল্য আছিল । অসমৰ জনগনক নিজৰ ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰতি সচেতন কৰি তোলাত আৰু গুৰু দুজনাৰ আদৰ্শক সৰলকৈ দাঙি ধৰাত তেখেতৰ ভূমিকা অনস্বীকাৰ্য। প্ৰবাসত থাকিও অসমীয়া সমাজৰ সকলো দিশৰ ভূ ৰখা-সাহিত্যিকজনে অবাটে বাট বুলিব খোজা ডেকাৰ বিষয়ে যিদৰে চুটি গল্প লেখিছিল ঠিক সেইদৰে-সমাজ সংস্কাৰ, নাৰীৰ স্বাধীনতা, অসমীয়া নাৰীৰ স্বাভিমান, নৈতিক দিশ সম্পৰ্কে সচেতন হৈয়ো সৃষ্টি কৰ্মত ব্ৰতী হৈছিল। গীতেৰে, কবিতাৰে ক'ব নোৱাৰা কথাবোৰ ক'বলৈকে তেওঁ আশ্ৰয় লৈছিল-কৃপাবৰী ৰূপটোৰ। য'ত তেওঁ আছিল স্বাধীন। স্বাধীন আৰু মুকলিমুৰীয়া ব্যক্তিয়ে কোনো কথাতেই কেৰেপ নকৰে। আমাৰ কৃপাবৰেও একোলৈকে কেৰেপ নকৰি সমাজৰ দোষবোৰ দাঙি ধৰিছিল।

বেজবৰুৱা আছিল বহু প্ৰতিভাৰ অধিকাৰী। অসমৰ কাৰ্টুনৰ ইতিহাসতো তেখেতৰ এখন সুকীয়া আসন আছে। স্বাধীন  ভাৱে ব্যৱসায় কৰি সেই তাহানিতে অসমৰ ডেকা

চামক তেখেতে হাতে কামে আৰ্হি দেখুৱাই গৈছিল পৰমুখাপেখি নহ'বৰ বাবে। অসমৰ নতুন পুৰুষক কাম কৰিবৰ বাবে আহ্বান জনাইছিল। নিজৰ সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে প্ৰয়াস কৰিছিল। যি সময়ত অসমৰ মধ্যবিত্ত আৰু শিক্ষিত এচাম মানুহে বিহুক লৈ কুৰুচি সম্পন্ন অভিমত প্ৰকাশ কৰিছিল সেই সময়তে বেজবৰুৱাই বিহুৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আকৰ্যণ প্ৰকাশ কৰিছিল। বুঢ়ী আইৰ সাধুৰ পাতনিখনৰ মাজেদি বেজবৰুৱাদেৰে লোক সাহিত্য সংগ্ৰহত ল'বলগীয়া বিজ্ঞানসন্মত পদ্ধতিৰ বিষয়ে-অৱলোকন কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য অধ্যয়ন কৰিলে তেওঁ যে গভীৰভাৱে মানৱতাবাদী আছিল সেই কথা স্পষ্ট হৈ পৰে। 'আমালৈ নেপাহৰিবা', 'কন্যা', 'ৰতনমুণ্ডা', 'ললিতী কাকতি' আদি গল্প নতুন চামে পঢ়িলে-তেওঁৰ জীৱন দৰ্শন জানিব পাৰিব। বেজবৰুৱাৰ জীৱনবোধ গঢ় লৈ উঠিছিল-বৈষ্ণৱ দৰ্শন, পাশ্চাত্য মানৱিকতাবাদ- এই দুয়োটাৰে সু-সমন্বয়ত। অসমীয়া ভাষাৰ মৰ্যাদা প্ৰতিষ্ঠা কৰোৱাত, অসমীয়া ভাষা-সাহিত্যৰ বিকাশ সাধন কৰোৱাত, অসমীয়া মানুহৰ দোষ-দুৰ্বলতা, ফোপোলা স্বৰূপ দেখুৱাই দি জাতিটোৰ ভাষিক সাংস্কৃতিক আৰু সামাজিক ভেটি সুদৃঢ় কৰি জাতীয় চৈতন্যৰ জাগৰণ ঘটোৱাত বেজবৰুৱাৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

**আত্মমূল্যায়ন প্ৰশ্ন**

কি কি বিষয়ত বেজবৰুৱাই সাহিত্য ৰচনা কৰিছিল ?

..................................................................................................

..................................................................................................

..................................................................................................

**৫.৪ কবি লক্ষ্মীনাথ বেজবৰুৱা**

এশ বছৰৰ অসমীয়া কবিতা গ্ৰন্থৰ পাতনিত গ্ৰন্থখনৰ সম্পাদক হোমেন বৰগোহাঞিয়ে শতাব্দীটোৰ (১৮৮৯-১৯৮৯) দহজন সৰ্বশ্ৰেষ্ঠ কবিৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ নাম উল্লেখ কৰা নাই। ইয়াৰ পৰিৱৰ্তে মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত উল্লেখ কৰিছে "বেজবৰুৱাৰ কেইটিমান কবিতা সোণপানীৰে বন্ধাই থ'ব লগীয়া।" হোমেন বৰগোহাঞিয়ে শতিকাৰ দহজন সৰ্বশ্ৰেষ্ঠ কবিৰ নাম তালিকাত নাম নোলোৱা আৰু মহেশ্বৰ নেওগে বেজবৰুৱাৰ কেইটিমান কবিতা সম্পৰ্কে কোৱা মন্তব্যত আমাৰ ক'বলগীয়া বিশেষ নাই, কিয়নো দুয়োটি কথাই যুক্তিসন্মত। বেজবৰুৱাই কেৱল কবিতা ৰচনাতে মনোনিৱেশ নকৰি সাহিত্যৰ অন্যান্য শাখালৈয়ো দৃষ্টি নিক্ষেপ কৰিছিল যাৰ ফলস্বৰূপে চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে কবিতা সৃষ্টিৰ লগত নিবিড়ভাৱে জড়িত হ'বলৈ সুবিধা পোৱা নাছিল বা আহৰিও নাছিল। বেজবৰুৱাৰ সকলো কবিতাৰ গুণগত মান যদিও উচ্চ নাছিল তথাপিও কবিতা সম্পৰ্কে তেওঁৰ ধাৰণা যে স্পষ্ট আছিল

সেই কথা অসম সাহিত্য সভাৰ সভাপতি স্বৰূপে প্ৰদান কৰা অভিভাষণত ফুটি উঠিছে - "সাহিত্য ঘাইকৈ কাব্য-সাহিত্যে এক বিশাল বস্তু। কাব্য-সাহিত্যই দুই পাখি মেলি অনন্ত অসীমক আঁকোৱালি ধৰে। 'ভূমৈব সুখমল্পে নাস্তি'। ই ভূমাক অৰ্থাৎ অলপৰ বিপৰীতক, মুক্তিক, সুন্দৰক আৰু শক্তিক আশ্ৰয় কৰে। সেই দেখি কবিত্বৰ ঘাই কথা হৈছে, সকলো সংকীৰ্ণতাৰ পৰা সৰ্বতোভাৱে মুক্ত হোৱাটো কবিৰ ভাৱ বিশ্বভাৱ, যি ভাৱক জাতি-বৰ্ণ নিৰ্বিশেষে নিজৰ বস্তু বুলি সকলোৱে উপভোগ কৰে। অৱশ্যে সেই কবি যি দেশৰ মানুহ, সেই দেশৰ আচাৰ, ব্যৱহাৰ, ভাৱ-ভাষা-ভঙ্গী তেওঁৰ কবিতাৰ ৰচনাত তেওঁৰ সহায়ক হ'বই লাগিব। কিন্তু সেই বিশেষত্ববোৰ প্ৰতিবন্ধক নহয়। বিশেষত্বৰ মাজেদিয়েই কবিয়ে নিখিল বিশ্ব ভাৱক প্ৰকাশ কৰে। চিৰন্তন সত্যক চিৰ নবীন কৰি দেখুৱায়। দেশ কালৰ ভিতৰৰ বস্তুৰ মাজেদিয়ে গৈয়েই কবিয়ে বিশ্বক স্পৰ্শ কৰে; অলপৰে ভিতৰতে ভূমাৰ আভাস দিয়ে; অনন্ত অসীমক সীমাবদ্ধ শান্ত কৰি দেখুৱাইও তাতে অনন্ত অসীম মহানৰ ইঙ্গিত-আভাস স্পষ্ট কৰি তোলে।" (ভাষণাৱলী, ১ ম ভাগ, অসম সাহিত্য সভা, পৃ. ১২৮) এই ভাষণত নিজৰ অঞ্চলৰ লোক-সাহিত্য, লোক-সংস্কৃতিৰ প্ৰতিও যে কবিসকল সচেতন হোৱা প্ৰয়োজন তাৰো ইঙ্গিত আছে।

বেজবৰুৱা সচেতন কবি নাছিল। ১৯১৩ চনত প্ৰথম প্ৰকাশিত 'কদম কলি'ৰ পাতনিত বেজবৰুৱাই লিখিছে -"কবিতা হয় যদি হওক, নহয় যদি নহওক বুলি মাজে সময়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ'ল, কবি হ'বৰ দুৰাশা কৰি নহয়।" ইয়াত অন্য এটি দিশো স্পষ্ট, তেওঁৰ কবিতাখিনিক নিজে পদ্য বুলি ক'ব খুজিলেও পদ্য আৰু কবিতাৰ পাৰ্থক্য সম্পৰ্কে তেওঁ সচেতন আছিল।

বেজবৰুৱাৰ কবিতাৰ আলোচনা প্ৰসংগত হেম বৰুৱাই যথাৰ্থভাৱেই উল্লেখ কৰিছে- "বেজবৰুৱাৰ কাব্য-সাধনাৰ জগত দুখন ; এখন হৈছে সচেতন কাব্য কৌশলৰ জগত আৰু আনখন হৈছে লোক সাহিত্যৰ জগত। বুঢ়ী ধাইমাকৰপৰা পুস্কিনে যিদৰে ৰুছীয় লোক সাহিত্যৰ জ্ঞান আহৰণ কৰিছিল, সেইদৰে বেজবৰুৱাই আহৰণ কৰিছিল জন্ম গ্ৰহণ কৰা পৰিৱেশৰ সৈতে নিজৰ আত্মাৰ স্পন্দনযুক্ত সম্বন্ধ স্থাপন কৰি।" (লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ, পৃ. ৮৩) বেজবৰুৱাৰ প্ৰথম পৰ্যায়ৰ কবিতাবোৰত বৈষ্ণৱী পৰম্পৰাৰ ঠাঁচ পৰিলেও পৰৱৰ্তী পৰ্যায়ৰ কবিতাবোৰত কবিতাৰ ভাষাটোকে তেওঁ গ্ৰহণ কৰিছিল। তেওঁ বেছিভাগ কবিতাই ৰচনা কৰিছিল বুঢ়ী আইৰ সাধুবোৰ গাঁৱে ভূঞে সংগ্ৰহ কৰি থকাৰ সময়ত আৰু সেই বাবেই তেওঁৰ কবিতাৰ ভাষা আৰু বিষয়বস্তুত লোকজীৱন আৰু লোকভাষাই এক সুকীয়া মাত্ৰা লাভ কৰিছিল।

১৯১৩ চনত প্ৰকাশিত 'কদম কলি'ত ১৬ টা গীত, 'দেৱযানী' নামৰ এখন কাব্যধৰ্মী নাট আৰু ৩১ টা কবিতা আছে। ইয়াৰে 'পিতৰ' নামৰ কবিতাটোৰ অন্তৰ্গত ৩৪ টা সৰু সৰু স্বতন্ত্ৰ নামৰ কবিতা আছে। কবিতাবোৰক স্বতন্ত্ৰ বোলা হৈছে, কাৰণ প্ৰত্যেকটো কবিতাৰ সুকীয়া নাম যেনে-'মৰণ', 'ভদ্ৰতা', 'কৰ্ম্ম', 'আত্মা-প্ৰতিপাদন', 'এলাহৰ দৰব', 'সংগ্ৰাম' ইত্যাদি। উল্লেখ্য যে বেজবৰুৱাৰ সকলো কবিতা পাগত উঠা নহয়। সেই কথা তেওঁ নিজেও উপলব্ধি কৰিছিল। জোনাকী যুগৰ শ্ৰেষ্ঠ সাহিত্যিক হ'লেও

কবিতাৰ ক্ষেত্ৰত জোনাকীৰে চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ পাছতহে তেওঁৰ নাম আহে। তিনিওজন কবিৰ অসমীয়া কাব্য জগতৰ তিনিটা ভিন্ন দিশত প্ৰথম। সেয়া হৈছে-চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰিছিল প্ৰথম ৰোমান্টিক কবিতা ‘বনকুৱঁৰী’। প্ৰথম অসমীয়া চনেট হেমচন্দ্ৰ গোস্বামীৰ ‘প্ৰিয়তমাৰ চিঠি’ আৰু কৃত্ৰিম বেলাড বা সাহিত্যিক বেলাড ৰচোঁতা প্ৰথম অসমীয়াজন লক্ষ্মীনাথ বেজবৰুৱা (ধনবৰ আৰু ৰতনী)। উল্লেখ্যযে চন্দ্ৰকুমাৰ আগৰৱালা জোনাকী যুগৰ শ্ৰেষ্ঠ কবি কিন্তু কবিতাৰ ভাৱ আৰু ভাষাৰ প্ৰয়োগৰ দিশেৰে চালে লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাক ওলাই কৰিব পৰা বিধৰ নহয়। বেজবৰুৱাৰ কবিতাৰ ভাষা লোক জীৱনৰ ভাষা। জোৰা-টাপলি মাৰি বেজবৰুৱাই কবিতা লিখিছিল বুলি ক’ব নোৱাৰি। সৰ্বসাধাৰণৰ ভাষা, জীৱন-ধাৰণ প্ৰণালী, তদুপৰি বুঢ়ী আইৰ সাধু সংগ্ৰহ কৰোঁতে হোৱা বিভিন্ন অভিজ্ঞতাক তেওঁ কবিতাৰ বিষয়বস্তুলৈ লৈ আনিছে। সেয়েহে ‘মালতী’ কবিতাৰ বাহিৰে তেখেতৰ আন কোনো কবিতাতে ব্যক্তিগত ভাবানুভূতিয়ে অধিক গুৰুত্ব লাভ কৰা নাই। বেজবৰুৱাৰ প্ৰথম স্তৰৰ কবিতাৰ মাজত বৈষ্ণৱী পৰম্পৰাৰ প্ৰভাৱ পৰিলেও পৰৱৰ্তী সময়ত ৰচনা কৰা কবিতাবোৰত বৈষ্ণৱ যুগৰ কাব্যভাষাৰ ঠাঁচটো পৰিহাৰ কৰি অসমীয়া চহালোকৰ মুখৰ ভাষা গ্ৰহণ কৰিছিল। “এইখিনিতে উল্লেখ কৰিব পাৰি যে মাদাম দি স্তে’লে (Madame de Stael) তেওঁৰ De I’ Allemagne নামৰ গ্ৰন্থখনত ফৰাচী ৰোমান্টিক কবিতাত স্বতঃস্ফূৰ্ততা সৃষ্টিৰ খাটিৰত লাতিন ভাষাৰ ধ্ৰুপদী ঠাঁচটো এৰি জাৰ্মান ৰোমাণ্টিক কবিসকলৰ দৰে লোক সাহিত্যৰ ঠাঁচটো গ্ৰহণ কৰিবলৈ ফৰাচী কবি সকলক আহ্বান জনাইছিল। (প্ৰভাত বৰা, বেজবৰুৱাৰ কবিতা প্ৰবন্ধ, লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ অগ্ৰদূত আৰু জাতীয়তাবাদৰ স্থপতি গ্ৰন্থ, সম্পাঃ বিশ্বজিৎ দাস)

কবি বেজবৰুৱাৰ প্ৰকাশিত কবিতাৰ সংকলন দুখন হ’ল - কদম কলি (১৯১৩, জোনাকী আলোচনীৰ পৰা বাঁহী আলোচনীলৈকে প্ৰকাশিত কবিতা সন্নিবিষ্ট হৈছে।) আৰু পদুম কলি (অ’ত ত’ত সিচঁৰতি হৈ থকা কবিতাবোৰৰ সংগ্ৰহ)। বেজবৰুৱাৰ দুয়োখন কাব্যগ্ৰন্থৰ কবিতাসমূহ অধ্যয়ন কৰিলে তেখেতৰ কবিতা সমূহক নিম্নলিখিত ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি -

ক) স্বদেশ প্ৰেমমূলক কবিতা

খ) প্ৰকৃতি আৰু মানৱপ্ৰেমমূলক কবিতা

গ) হাস্য ব্যঙ্গ কবিতা আৰু

ঘ) নীতি-উপদেশমূলক কবিতা

স্বদেশপ্ৰেমমূলক কবিতাসমূহত বেজবৰুৱাৰ জাতীয়তাবাদী ভাৱ প্ৰকাশ হৈছে। পৰাধীনতাৰ শিকলি ছিঙি ওলাই আহিবলৈ হ’লে আমি জানিব লাগিব আমাৰ অতীত গৌৰৱময় ইতিহাস, কলা-সংস্কৃতি আৰু আমাৰ স্বাভিমান। জাতি এটাৰ নতুন প্ৰজন্মক সেইবোৰ সোঁৱৰাই দিয়াৰ খাটিৰতে বেজবৰুৱাই ৰচনা কৰিছিল স্বদেশপ্ৰেমমূলক কবিতাসমূহ। দূৰদৃষ্টি সম্পন্ন বেজবৰুৱাই প্ৰবাসত থাকিও অসমীয়া সকলক সকীয়াই

থাকিবলৈ এৰা নাছিল। আমাৰ হৃত গৌৰৱ উদ্ধাৰ কৰিব লাগিব এই ভাৱনাই তেওঁক পীড়া দিছিল। সেই যন্ত্রণা প্রকাশিত হৈছিল - 'বীণ বৰাগী', 'অসম সংগীত', 'অ মোৰ আপোনাৰ দেশ', 'আমাৰ জন্মভূমি' আদি কবিতাত। বিষয়বস্তু আৰু টেক্নিক দুয়ো দিশৰ পৰা বেজবৰুৱাৰ এটি সাৰ্থক সৃষ্টি 'বীণ বৰাগী'। বৰাগী লোক সমাজৰ এটি চিনাকি চৰিত্ৰ। যিয়ে বীণ লৈ দেহতত্ত্ব বা আধ্যাত্মিক চেতনাসম্ভূত গীত গাই ফুৰে। বীণ হ'ল সৃষ্টিৰ প্ৰতীক। বীণত সুৰ তুলি অতীত অসমৰ শৌৰ্য বীৰ্য, গুণ-গৰিমা, সাহিত্য কলা, আত্ম বলিদানৰ অনুপম চিত্ৰ দাঙি ধৰাৰ লগতে বৰ্তমানৰ চিত্ৰ আৰু নতুন অসমৰ কল্পনা কবিতাটিত মূৰ্ত হৈ উঠিছে। অসমৰ জাতীয় জীৱনৰ নিখুঁত ছবি অংকন কৰা কবিতাটিত কবিৰ গভীৰ স্বদেশ প্ৰেম প্ৰকাশিত হৈছে। কবিয়ে সীতাৰ জীৱনৰ কাৰুণ্য, দ্ৰোপদীৰ লাঞ্চনা, জয়মতীৰ প্ৰাণত্যাগ, চিন্তা, শ্ৰীবংস, নল-দময়ন্তীৰ কাহিনী, বদনৰ অত্যাচাৰ, পিয়লিৰ ফাঁচী আদি কৰুণ কাহিনী ব'ৰাগীক শুনাবলৈ কোৱা নাই; তাৰ পৰিৱৰ্তে বাণ, ভগদত্ত, ভীষ্মক, ভাস্কৰ বৰ্মাৰ সাহসী কথা, শংকৰ-মাধৱ কন্দলিৰ সাহিত্য কীৰ্তি আদি গাবলৈ অনুৰোধ কৰিছে। কবিতাটিত ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু ইতিহাসৰ চৰিত্ৰ কৰ্মৰ উল্লেখেৰে লোক-জীৱনত এনে চৰিত্ৰৰ ভূমিকা থকাৰ বিষয়েও কবিয়ে আমাক অৱগত কৰিব পাৰিছে। উদাহৰণ স্বৰূপে -

সীতা আইৰ বাতৰি
যদিহে কৈছ,
নকবি আৰু ঐ মোকঙ্গ
দময়ন্তী-দুখে
হিয়া ভাঙি নিব,
নালাগে অলপো বাৰু।
চিন্তা শ্ৰীবৎসৰ
নাগাবি কাহিনী,
দ্ৰোপদীৰ নকবি কথা,
সতী জয়মতী
আয়তী দুখুনীৰ
দুখত লাগিব ব্যথা।

অসমৰ যশৰাশি বীণ বৰাগীয়ে গালেহে এই পুৰণি পৃথিৱীক নতুন দৃষ্টিৰে চাব পাৰি। এই আকাংক্ষা কেৱল বেজবৰুৱাৰে নহয় - সমগ্ৰ মানৱ জাতিৰে। মানুহৰ সাধনা আৰু শ্ৰমৰ অন্ততহে পৃথিৱী আজি বাসোপযোগী আৰু সুন্দৰ হৈ আছে। কবিৰ মতে বৰ্তমানেও পুৰণি পৃথিৱীক নতুনকৈ সজাবলৈ, নতুনকৈ গঢ়িবলৈ মানুহ যত্নবান। সৰ্বসাধাৰণ মানুহৰ মনৰ কথা কোৱা বাবে কবিতাটি অনন্য হৈ পৰিছে।

প্ৰকৃতি আৰু মানৱপ্ৰেমমূলক কবিতাৰ ভিতৰত 'মালতী', 'প্ৰিয়তমা', 'চুমা', 'মৰমৰ সখি', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'তোমাকেহে ভালপাওঁ' আদি অন্যতম। ব্যক্তিগত আৱেগ -অনুভূতি প্ৰকাশক কবিতাৰ ভিতৰত 'মালতী' অসমীয়া কাব্য সাহিত্যত এটি

নজহা-নপমা কবিতা। 'মালতী' কবিৰ মানস প্ৰতিমা। কবিৰ মতে মালতীৰ সৌন্দৰ্য প্ৰকৃতিৰ নুফুলা ফুলৰ কলি আৰু নুশুঙা ফুলৰ লগতহে তুলনা কৰিব পাৰি। 'বুকুৰ ভিতৰত চেনেহৰ সকুঁৰাত' বাঢ়ি অহা মালতীৰ সুখত সুখী, দুখত দুখী হোৱাৰ তীব্ৰ বাসনা এটিয়ে কবিৰ হৃদয়ত জোৱাৰ তুলিছে। বাহ্যিক জগতৰ সৌন্দৰ্য সুকমাৰ মাজত বিচাৰি নোপোৱা মালতী কবিৰ হৃদয়তে কলা কলাকৈ বাঢ়ি আছে - ই এক পৰম আনন্দ, চৰম সত্য। কল্পনাৰ, প্ৰকাশ প্ৰকৃতিৰ তুলনা আদিৰ বাবে বৰ্তমানেও সৰ্বশ্ৰেষ্ঠ প্ৰেমৰ কবিতাৰ তালিকাত 'মালতী'ৰ স্থান শীৰ্ষত।

'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিৰ প্ৰেম বিষয়ক আন এটি উল্লেখ যোগ্য কবিতা। কবিতাটিত বৈশিষ্টময় প্ৰেম' কামনাৰ ইঙ্গিত স্পষ্ট। ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ তুলনাত ইন্দ্ৰিয়াতীত প্ৰেমৰ ভাৱ স্বীকাৰ কৰিবলৈ গৈ তেওঁ কৈছে - কেনৈ লাগিছে সেন্দুৰী গাল/ ফৰিং প্ৰেমিকৰ জুই।

কোৱা ভাতুৰীয়া ওঁঠৰ তলত
ফেটী সাপ থাকে শুই।

'প্ৰিয়তমা' কবিতাত ইন্দ্ৰিয়াতীত অনুভূতিৰ পৰিচয়ৰ সন্ধান দেখা পোৱা যায়। 'প্ৰিয়তমা' যদিও প্ৰেমৰ কবিতা তথাপিও কবিৰ দৃষ্টিভংগী আৰু বৰ্ণনাশৈলীৰ ভিন্নতা দেখা যায়-

আৰু আছো শুনি কিন্তু নাই দেখা
ৰঙা পোৱালৰ মণি;
আকৌ দেখুৱালোঁ প্ৰিয়তমাৰ ওঁঠ
হেঙ্গুলী পোৱাল মণি।

কবিতাটিত কবিৰ স্বকীয় প্ৰতিভা উজ্জ্বলি উঠিছে - দৈহিক প্ৰেমক ইন্দ্ৰিয়াতীত প্ৰেমৰ জগতলৈ লৈ যোৱাত। সৰু অথচ প্ৰেমৰ অনুভূতিৰে সিক্ত কবিতাসমূহৰ ভিতৰত 'প্ৰিয়তমা' এটা ভাল কবিতা।

নৈসৰ্গিক সৌন্দৰ্যৰ মাজত প্ৰেমৰ প্ৰৱাহ অনুভৱ কৰিব পৰা বেজবৰুৱাৰ এটি উল্লেখযোগ্য প্ৰেমৰ কবিতা 'ভ্ৰম'। কবিতাটিত প্ৰিয়াৰ ৰূপত ধৰা দিছেহি - প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য। সাধাৰণ কথাবোৰো কবিৰ বাবে অসাধাৰণ হৈ পৰিছে। কবিৰ মনত বাঁহীৰ মাতে প্ৰকৃতিৰাণীৰ গীত শুনাইছে। শেৱালি ফুলবোৰ হৈ পৰিছে একো একোটা আকাশত জিলিকি থকা তৰা। গোলাপৰ পাহি হৈ পৰিছে- প্ৰেয়সীৰ দুনয়ন। বনৰ সৌন্দৰ্য হৈ পৰিছে ডেও দি ফুৰা এটা হৰিণাপোৱালী-

কোনে কয় সেইটি হৰিণা পোৱালি ?
ইমান চেতনা নাই।
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
ডেও দি দুৱৰি খায়।

এখুদমান এই কবিতাতে কবিয়ে - বনৰীয়া চৰাইৰ গীতত বিৰহিনী ব্ৰজনাৰীসকলৰ কৰুণ বিননি শুনিবলৈ পোৱাটো অভিনৱ কল্পনাশক্তিৰ পৰিচায়ক।

'ধনবৰ ৰতনী' আৰু 'ৰতনীৰ বেজাৰ' এই দুয়োটা সাহিত্যিক মালিতা যদিও দুয়োটিতে প্ৰেম আৰু বিচ্ছেদৰ এখন সুকোমল ছবি প্ৰকাশ কৰিছে। সহজ সৰল মিচিংসকলৰ জীৱন আধাৰিত এই কবিতা দুটিত সমাজৰ বাধা, প্ৰেমৰ স্বৰূপ, ত্যাগৰ মহিমা এই সকলোকে কবিয়ে অনন্য সুন্দৰ আৰু গীতি মুখৰ ৰূপত বৰ্ণনা কৰিছে। ধনবৰৰ শোকত চকুলো টোকা পাঠকৰ সংখ্যা কম নহ'ব। দুখীয়া নিচলা ধনবৰৰ লুইতত আত্মজাহৰ ঘটনাই প্ৰকৃত প্ৰেমত আহি পৰা বাধা সমূহকো যেন ভেঙুচালি কৰিছে। প্ৰেমৰ কবিতা হিচাপে এই দুটি মালিতাও বেজবৰুৱাৰ উৎকৃষ্ট সৃষ্টি।

বেজবৰুৱাৰ কৃপাবৰী ৰূপটো ভূমুকি মাৰিছে তেওঁৰ হাস্য-ব্যঙ্গ কবিতাকেইটিত। মূলতঃ সমাজ সংস্কাৰ বেজবৰুৱাৰ সাহিত্যকৰ্মৰ উদ্দেশ্য আছিল। সমাজত দেখা কিছুমান সমস্যাক তীব্ৰ বিদ্ৰুপ আৰু শাণিত ব্যঙ্গৰ জৰিয়তে দাঙি ধৰি একোটি গভীৰ বিষয়ৰ দিক্ দৰ্শন দিবলৈকো তেওঁ প্ৰয়াস কৰিছিল। একে বিষয়বস্তুৰে বেজবৰুৱাই কবিতা আৰু গল্প দুয়োটাই যে লিখিছিল তাৰ উৎকৃষ্ট উদাহৰণ 'ধোঁৱাখোৰা'। ধোঁৱাখোৰাৰ ফলত দুখ - ভাগৰ খন্তেকলৈ পলোৱালেও ই কিমান ক্ষতিকাৰক তাক কবিয়ে চিত্ৰিত নকৰাকৈ থকা নাই। 'পকা চুলি', 'বৃন্দা-চন্দ্ৰাৱলী', 'চালনী আৰু বেজী' আদি কবিতাৰ মাজেদিও তীব্ৰ ব্যঙ্গ প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে 'পকাচুলি' কবিতাৰ এটি স্তৱক আগবঢ়ালোঁ -

বাহিৰত মোৰ পকে চুলি
ভিতৰত বাজে মৌ সুতুলি
ল'ৰাৰ কিৰিলি খলকত
মোৰ ৰঙৰ নাই ওৰ।

কবিতাটিত কবিয়ে বয়সে গৰকা অথচ মনৰ পৰা ডেকা হৈ থাকিব বিচৰা বা তেনে কাৰ্য কৰিব বিচৰাজনক ব্যঙ্গ কৰিছে।

বেজবৰুৱাৰ গোটা দিয়েক নীতি-উপদেশমূলক কবিতা আছে। কবিতা কেইটি সৰু। কিন্তু গো খোজত নভোমণ্ডলৰ চিত্ৰ জিলিকি উঠাৰ দৰে সেই কবিতা কেইটিত কবিৰ কবিত্বশক্তি উজ্জ্বলি উঠিছে।

'বেজবৰুৱাৰ কবিতা' শীৰ্ষক প্ৰবন্ধত সমালোচক প্ৰভাত বৰাই কৈছিল - "বেজবৰুৱাই আধুনিক ভাবনা চিন্তাৰ প্ৰকাশৰ উপযোগীকৈ ভাষাৰ ৰূপটো অসমীয়া চহা মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা লোক-সাহিত্যৰ মাজত আৱিস্কাৰ কৰিছিল। ......" (লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ অগ্ৰদূত আৰু জাতীয়তাবাদৰ স্থপতি, বিশ্বজিৎ দাস (সম্পা), পৃ. ৩৮)

সামগ্ৰিক বিচাৰত বেজবৰুৱাৰ কবিতাৰ মাজত ৰোমাণ্টিক কবিতাৰ সকলো লক্ষণ প্ৰকাশ পালেও অমসীয়া সমাজ-জীৱনৰ (বিশেষকৈ গ্ৰাম্য সমাজ জীৱনৰ) চিত্ৰ যিদৰে নিৰহ নিপানীকৈ প্ৰকাশিত হৈছে - তেনে কবিৰ সংখ্যা অসমীয়া সাহিত্যত আঙুলিৰ মূৰত লিখিব পৰা হ'ব।

বেজবৰুৱাৰ কবিতাত লোক জীৱনৰ চিত্ৰ সম্পৰ্কেকেইটামান কবিতাৰ আলোচনা কৰিব বিচাৰিছোঁ-

'সখীৰ প্ৰতি' কবিতাটিত প্ৰকৃতি প্ৰেম আৰু প্ৰেমৰ চিৰন্তন আবেদন প্ৰকাশ পাইছে। সখীৰ লগত শৈশৱৰ ৰঙীন দিনবোৰ পাৰ কৰাৰ মধুৰ স্মৃতি মনলৈ আহোঁতে কবিৰ মানসপটত জিলিকি উঠিছে-ৰূপোৱালী নৈৰ বালিত দৌল সজা, নাদখনা, শিলগুটি গোটোৱা, বালি ঘোঁৰা খেলা, বালিমাহী খেদা, প্ৰতিধ্বনিৰ লগত চিএঞৰা -এই চিত্ৰবোৰ। যিয়ে অসমৰ গ্ৰাম্য ক্ৰীড়াৰ লগতে অসমৰ লোক-জীৱনৰ ছবি এখনো দাঙি ধৰিছে-

এৰা ৰোহ, আহাঁ সখীঙ্গ একেলগে ৰঙেৰে
ৰূপোৱালি নৈৰ বালিত ফুৰোঁ ঠগেৰে,
দৌল সাজোঁ, নাদ খানো, শিলগুটি গোটাই আনো,
বালিঘোঁৰা, বালিমাহী খেদি খেদি লৰৰোঁ;
গালি পাৰি প্ৰতিধ্বনিৰ ডিঙি মেলি চিয়ঁৰো।

অসমৰ পৰম্পৰাগত খেল-ধেমালিৰ ভিতৰত নদীত সাঁতোৰা, পানীত টুকুৰিয়াই খেল খেলা, পানীৰ তলত নাকেৰে বুৰ্বুৰণি তোলা আদি অন্যতম। গ্ৰাম্য জীৱনত শৈশৱতে এই খেলবোৰ সকলোৱে খেলে। কবিতাটিত সখীক এই খেলবোৰ খেলিবলৈ কবিয়ে আহ্বান জনাইছে-

আহাঁ হেৰা প্ৰাণসখীঙ্গ নৈত নামি নাদোৰোঁ
বুৰ মাৰি পানীৰ তলত, পাৰোঁমানে ভাগৰোঁ।
চিলনী-সাঁতোৰ দিওঁ, সোঁতে সোঁতে উটি যাওঁ
পানীত টুকুৰিয়াওঁ আঙুলিৰ আগেৰে,
বুৰবুৰণি কাঢ়োঁ পানীৰ তলত নাকেৰে।

ফুলনিত সোমাই কুলি চৰাইৰ লগত সিঁয়াৰি, ফুলৰ লগত খেলা-ধূলা কৰি, সেউতী ফুলক ৰাঙল ফুলৰ সৈতে বিয়া পাতি দিয়াৰ কথাও কৈছে। এই প্ৰসঙ্গতে অসমীয়া সমাজৰ বিয়াত দৰা বা কইনাক নোওৱা হয়, জাত জাত বিয়ানাম গোৱা হয়, গন্ধ বিৰিণাৰ পাতেৰে গাঁঠিয়ন খুন্দা হয় তাৰ চিত্ৰও অঙ্কন কৰিবলৈ কবিয়ে পাহৰা নাই-

নোৱাওঁ উৰুলি দি জাত-লগা নামেৰে,
গন্ধবিৰিণাৰ পাত বজাও আনন্দেৰে।

'বায়েক উষা, ভনীয়েক প্ৰতিমা' এই কবিতাটিত যুতি ফুলত পখিলাই চুমা খোৱাৰ পাছত প্ৰতিমাই বায়েক উষাৰ লগত পতা কথোপকথনৰ বৰ্ণনা আছে। কবিতাটিত প্ৰয়োগ হোৱা দুটি খণ্ডবাক্য মন কৰক-'কাণসাৰি মাৰি' আৰু 'গাতে ঘাটি লোঁৱা।'

বিষয়বস্তু আৰু টেক্‌নিক দুয়ো দিশৰ পৰা বেজবৰুৱাৰ এটি সাৰ্থক সৃষ্টি 'বীণবৰাগী'। ব'ৰাগী লোক-সমাজৰ এটি চৰিত্ৰ। যিয়ে বীণ লৈ দেহতত্ত্ব বা আধ্যাত্মিক চেতনাসম্ভূত গীত গাই ফুৰে। বীণ হ'ল সৃষ্টিৰ প্ৰতীক। বীণত সুৰ তুলি অতীত অসমৰ শৌৰ্য-বীৰ্য, গুণ-গৰিমা, সাহিত্য কলা, আত্ম বলিদানৰ অনুপম চিত্ৰ দাঙি লগতে বৰ্তমানৰ চিত্ৰ আৰু নতুন অসমৰ কল্পনা কবিতাটিত মূৰ্ত হৈ উঠিছে। অসমৰ জাতীয় জীৱনৰ নিখুঁত ছবি অংকন কৰা কবিতাটিত কবিৰ গভীৰ স্বদেশ প্ৰেম প্ৰকাশিত হৈছে। কবিয়ে সীতাৰ জীৱনৰ কাৰুণ্য, দ্ৰৌপদীৰ লাঞ্ছনা, জয়মতীৰ প্ৰাণত্যাগ, চিন্তা, শ্ৰীবৎস, নল-

দময়ন্তীৰ কাহিনী, বদনৰ অত্যাচাৰ, পিয়লিৰ ফাঁচী আদি কৰুণ কাহিনী ব'ৰাগীক গুণাবলৈ কোৰা নাই; তাৰ পৰিৱৰ্তে বাণ, ভগদত্ত, ভীষ্মক, ভাস্কৰবৰ্মাৰ সাহসী কথা, শংকৰ-মাধৱ, কন্দলিৰ সাহিত্য কীৰ্তি আদি গাবলৈ অনুৰোধ কৰিছে। কবিতাটিত ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু ইতিহাসৰ চৰিত্ৰৰ কৰ্মৰ উল্লেখেৰে লোক-জীৱনত এনে চৰিত্ৰৰ ভূমিকা থকাৰ বিষয়েও কবিয়ে আমাক অৱগত কৰিব পাৰিছে। উদাহৰণস্বৰূপে-

সীতা আইৰ বাতৰি
যদিহে কৈছ,
　　　　নকবি আৰু ঐ মোকঙ্গ
দময়ন্তী-দুখে
হিয়া ভাঙি নিব,
　　　　নালাগে অলপো বাৰু।
চিন্তা-শ্ৰীবৎসৰ
নাগাবি কাহিনী,
　　　　দ্রৌপদীৰ নকবি কথা,
সতী জয়মতী
আয়তী দুখুনীৰ
　　　　দুখত লাগিব ব্যথা।

অসমৰ যশৰাশি বীণ ব'ৰাগীয়ে গালেহে এইপুৰণি পৃথিৱীক নতুন দৃষ্টিৰে চাব পাৰি। এই আকাংক্ষা কেৱল বেজবৰুৱাৰে নহয়-সমগ্ৰ মানৱ জাতিৰে। মানুহৰ সাধনা আৰু শ্ৰমৰ অন্ততহে পৃথিৱী আজি বাসোপযোগী আৰু সুন্দৰ হৈ আছে। কবিৰ মতে বৰ্তমানেও পুৰণি পৃথিৱীক নতুনতকৈ সঁজাবলৈ, নতুনকৈ গঢ়িবলৈ মানুহ যত্নবান। সৰ্বসাধাৰণ মানুহৰ মনৰ কথা কোৱা বাবে কবিতাটি অনন্য হৈ পৰিছে।

'ধনবৰ আৰু ৰতনী' এটি কৃত্ৰিম মালিতা। কৃত্ৰিম মালিতাত একোটি সুসংবদ্ধ কাহিনী, অতি বাস্তৱ পৰিস্থিতিৰ বৰ্ণনা, বীৰ নাইবা কৰুণ ৰসৰ প্ৰাধান্য, প্ৰকাশভঙ্গীৰ অকৃত্ৰিমতা, কৰুণাত্মক পৰিণতি আৰু কবিৰ ব্যক্তিগত জীৱনৰ ভাবনুভূতিৰ প্ৰকাশ লক্ষ্য কৰা যায়। আলোচ্য কবিতাটিতো এটি সুসংবদ্ধ নিটোল কাহিনী আছে। ভাটিৰ ৰতনী বুকু ভৰা প্ৰেম আৰু ভালপোৱা লৈ উজাই আহিছিল, ধনবৰৰ ঘৰলৈ আৰু যাবৰ সময়ত শাহটো সামৰি ধনবৰৰ বাবে খোলাটো থৈ গুচি গ'ল। ৰতনীৰ বিচ্ছেদ ব্যথাত ব্যথিত হৈ ধনবৰে লুইতৰ পাৰত বহি অকলে নীৰৱে হিয়া ঢাকুৰি কান্দিলে। ৰতনী বিহীন জীৱনৰ অৰ্থ নাই বুলি ভাবি ধনবৰে লুইতৰ বুকুত জাঁপ দিছে। ৰোমিঅ' -জুলিয়েট, লায়লা-মজনু, ডান্টে-বিয়েট্ৰিছ আদি প্ৰেমিক-প্ৰেমিকাই যি অপূৰণীয় আশাত বেদনাহত হৈ পৃথিৱীৰ জীয়া ডেকা-গাভৰুক আজিকোপতি চকুৰ পানীৰে বিধৌত কৰিব পাৰিছে-সেই অপূৰ্ণ আশা আৰু বেদনা গধুৰ ভাব ধনবৰ-ৰতনীৰ কাহিনীতো আছে।

সহজ-সৰল আৰু অকৃত্ৰিম চহা জীৱনৰ মধুৰ চিত্ৰৰ প্ৰতিচ্ছবি কবিতাটিৰ মূল সম্পদ। ধনবৰ, ৰতনী আৰু ৰতনীৰ মাকৰ চৰিত্ৰকেইটি অকৃত্ৰিমতাৰে কবিয়ে দাঙি ধৰিছে।

কবিতাটিত অতিপ্ৰাকৃত বৰ্ণনা দেখিবলৈ পোৱা যায় এনেদৰে-

ফুটুকৰা তলতে যখিনী ছোৱালী
টুক্ টুক্ চাপৰি বায়,

ধনবৰে ৰতনীক উদ্দেশ্য কৰি কোৱা কথাবোৰত বিহুনাম আৰু বনঘোষাৰ পোনপটীয়া প্ৰভাৱ পৰিছে। কবিতা হিচাপে নপঢ়ি গীত হিচাপে গালে বিহুনামৰ সুৰত গাব পৰাকৈ কবিতাটি ৰচনা কৰা হৈছে। কবিতাটিৰ কেইবাটাও স্তৱকত পোনপটীয়াকৈ বনঘোষাৰ কিয়দংশ আছে। উদাহৰণস্বৰূপে-

পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই,
লতা বগাবলৈ টান,........
বগাকৈ বগলী উৰে কেনে কৰি
পাখিতে পাখি লগাই,......
চৰায়ে তুলিলে ঐ চ'ৰা পোৱালি
গছৰ ডাল গুৰনি কৰি।

ধনবৰ আৰু ৰতনী কবিতাটিত অসমীয়া সমাজত প্ৰচলিত গালি-শপনিৰ প্ৰয়োগো মন কৰিবলগীয়া-

কৰে ঐ ৰতনীঙ্গ কৰে এ শাখিনীঙ্গ
কিনো কুটোশালে তইঙ্গ

'ৰতনীৰ বেজাৰ' কবিতাটিত ৰতনীৰ বিলাপত মন্ত্ৰ আৰু মালিতাৰ সুৰ বিৰাজমান। 'পুৰি গ'ল বৃন্দাবন/ উৰি গ'ল ছাই, / হে উৰি গ'ল ছাইঙ্গ' আদিত- মন্ত্ৰৰ সুৰ প্ৰতিধ্বনিত হয়।

'সৰু আৰু বৰ' নামৰ পদটিত পাচি সজা, কামী চঁচা, টঙাল তোলোৱা আদি ভৌতিক সংস্কৃতিৰ কথাও উল্লেখ আছে।

শ্ৰমজীৱী অসমীয়া সমাজখনৰ দৈনন্দিন জীৱনৰ বিবিধ দিশ সম্পৰ্কে বেজবৰুৱাদেৱে 'বৰ্তমান আৰু ভৱিষ্যৎ' নামৰ কবিতাটিত মাত্ৰ দুটা শাৰীতে -সুন্দৰকৈ উল্লেখ কৰিছে-

বোৱা, ৰোৱাঁ, বাট চোৱাঁ-এতিয়াৰ কাম
পকা দোৱা, সাঁচি থোৱা, খোৱাঁ গোৱাঁ গান।

'চকু' নামৰ কবিতাটিত 'আশাশুধীয়া' শব্দৰ 'লোকভাষা' 'এহাশুধীয়া'ৰ প্ৰয়োগ মন কৰিবলগীয়া। ঠিক সেইদৰে 'এতিয়াই' নামৰ কবিতাত জতুৱা ঠাঁচৰ প্ৰয়োগ আছে 'সাহে সিধি, আৰ্জ্জে নিধি'।

'নিমাতী কন্যা' কবিতাটিত ৰতনপুৰৰ ৰজাৰ জীয়েক নিমাতীৰ জন্মৰ পাছৰ পৰা মাত নুফুটাকৈয়ে ডাঙৰ হোৱাত যিয়ে তাইৰ মাত ফুটাব পাৰিব তেওঁলৈকে বিয়া দিব বুলি ৰজাই সংকল্প কৰাৰ কথা ঢোলপিটি শুনাই দিয়াত বহু কোঁৱৰ আহিল যদিও কোনেও তাইৰ মাত উলিয়াব নোৱাৰিলে। অৱশেষত কমতাপুৰৰ এজন কোঁৱৰ আহিল। কোঁৱৰে বীণখনিত সাৰেং, গান্ধাৰ, কামদ আদি ৰাগিনী বজোৱাৰ অন্তত নিমাতীয়ে

'প্ৰাণপ্ৰিয়' বুলি মাত মাতিলে আৰু তেওঁলৈকে নিমাতীক ৰজাই বিয়া দিলে। বীণৰ সুৰেৰে ৰাজকোঁৱৰে কুঁৱৰীৰ মাত উলিওৱাৰ অন্তৰালত প্ৰকাশ পাইছে প্ৰেমৰ চিত্ৰ। অন্তৰৰ বিনিময়তহে প্ৰকৃত প্ৰেম পোৱা যায় যায়, সেই কথাই ইয়াত প্ৰকাশিত হৈছে। কবিতাটিত নিমাতীৰ মাত নোলোৱাৰ বাবে ৰজা -ৰাণীয়ে বেজ-গিয়ানী লগোৱা, পূজা-সেৱা, দান-দক্ষিণা আগবঢ়োৱা আদি কাৰ্যত অসমৰ লোক-সমাজৰ চিত্ৰ প্ৰকাশিত হৈছে। কাৰোবাৰ কিবা এটা হ'লে চোৰা-চিতা কৰোৱা, পূজা-সেৱা কৰিবলৈ মনস্থ কৰা বা টোপোলা বন্ধা ৰীতি এতিয়াও আমাৰ জীৱনত আছে। নিমাতীৰ মাক-দেউতাকেও তাকেই কৰিছে-

বেজ-গিয়ানীৰ যতন বিকল, ৰজা-ৰাণী বিকলীয়া
পূজা-সেৱা, দান-দক্ষিণা বিফল বেজাৰে দহে যে হিয়া।

'ৰেণুকা' নামৰ কবিতাটিৰ ৬৪ টা স্তৱক দুটা শাৰী যুক্ত। তাৰে কেইটিমান আমাৰ ডাকৰ বচনৰ দৰে। অসমীয়া লোক-সাহিত্যৰ চাৰিও দিশ তেওঁৰ নখ দৰ্পণত থকা বাবেই হয়তো ডাকৰ বচনৰ দৰে নীতি কথা যুক্ত কবিতাও তেওঁ ৰচনা কৰিছিল। উদাহৰণস্বৰূপে-

পুৰিলে উজ্জ্বল হয় সোণৰ বৰণ,
বিপদত পোৱা যায় বন্ধুৰ চিনন।

''পদুমকলি' বেজবৰুৱাৰ দ্বিতীয় কাব্য সংকলন। মুঠ ২৭ টা কবিতা সন্নিৱিষ্ট সংকলনখনৰ মূল দিশ স্বদেশানুৰাগ, প্ৰেম, প্ৰকৃতি, আধ্যাত্মবাদ আৰু লোক-জীৱন।

'অসম সঙ্গীত'ত প্ৰকাশ পাইছে কবিৰ গভীৰ স্বদেশনুৰাগ। বিস্মৃত বুৰঞ্জীৰ কথা স্মৰণ কৰি কবিৰ বুকুৰ নিভৃত কোণৰ পৰা ওলাই অহা তপত হুমুনিয়াহ আৰু গভীৰ আশাবাদেই কবিতাটিৰ মূল কথা। আঠটা ভাগত ৰচিত কবিতাটিৰ প্ৰত্যেকৰে সামৰণি স্তৱকত অসমৰ বাদ্যযন্ত্ৰৰ কথা উল্লেখ আছে আৰু এইবিলাকে মঙ্গলময় দিন এটি যে সমাগত তাক প্ৰতিপন্ন কৰিব খুজিছে-

বাজক দবা,        বাজক শঙ্খ
বাজক মৃদং খোল,
অসম আকৌ        উন্নতি পথত
'জয় আই অসম' বোল।

'ব্ৰহ্মপুত্ৰ সঙ্গীত' নামৰ কবিতাটিত ব্ৰহ্মপুত্ৰৰ অতীত কাহিনী আৰু বিভিন্ন পুৰাণ, ৰামায়ণ-মহাভাৰতৰ চৰিত্ৰৰ লগত ব্ৰহ্মপুত্ৰৰ সম্পৰ্কে দাঙি ধৰিছে। তেওঁলোকৰ ভিতৰত বশিষ্ঠ, লক্ষ্মীকান্ত, অশ্বক্লান্ত, নৰক, ভগদত্ত, উৰ্ব্বশী, ৰম্ভা, শিৱ-পাৰ্ব্বতী, উষা-অনিৰুদ্ধ, চিত্ৰলেখা আদি অন্যতম। আনকি শঙ্কৰ-মাধৱৰ কথাও ক'বলৈ তেওঁ পাহৰা নাই। প্ৰাচীন চৰিত্ৰসমূহৰ উল্লেখে অতীত জীৱনৰ কথা আমাৰ মনলৈ আনে। লোকমনে এই চৰিত্ৰ আৰু কাহিনীৰ মাজত বিবিধ চিন্তাৰ সমল পায়। বেজবৰুৱাই কেৱল প্ৰাচীন চৰিত্ৰৰ নামোল্লেখ নকৰি তেওঁলোকৰ লগত জড়িত কাহিনীক সংক্ষেপে বৰ্ণনা কৰিছে এনেদৰে-

ইয়াতেই নে ঊষাদেৱী কৰিছিল প্ৰেম বীণা ধ্বনি
(যাৰ) আবাহনত অনিৰুদ্ধৰ প্ৰেমাবদ্ধ হৃদয়খনি?

কোনটি কুন্দ্রাক্ষৰ ছিদ্ৰ
অন্বেষপুৰৰ প্ৰেমছিদ্ৰ
ভ্ৰমৰূপী চিত্ৰলেখা উষাসুন্দৰী-সঙ্গিনী,
দেখাই দিয়া ব্ৰহ্মপুত্ৰঙ্গ সেই লীলা তৰঙ্গিনী।

'সন্ধ্যা' কবিতাটিত সন্ধিয়া সময়ৰ যিখন চিত্ৰ দাঙি ধৰিছে সেয়া অসমৰ গ্ৰাম্য জীৱনত নমা সন্ধ্যা। ফেঁচাৰ উৰুলি, শিয়ালৰ হোৱা, গৰুৰ হেম্বেলনি; আনকি সন্ধ্যা বজোৱা মঙ্গল বাদ্যলৈকে কবিয়ে উল্লেখ কৰিছে-

দবা-ঘন্টা-তাল-কৰতাল
মৃদঙ্গ-গোমুখ বাজে ভাল

'বৰদৈচিলা' অসমীয়া বনঘোষাৰ সুৰত ৰচিত এটি কবিতা। কবিতাটিত বৰদৈচিলা সম্পৰ্কে কবিৰ কল্পনা আৰু জনসাধাৰণৰ লোক-বিশ্বাসক দাঙি ধৰিছে। কবিৰ মতে পাটকাই পৰ্বতৰ হোলোং গছ এজোপাৰ ডালত বৰদৈচিলাৰ মাকে বাহ এটি সাজি কণী পাৰিলে। এবছৰ উমনিত বহাৰ পাছত পোৱালি জগিল। পোৱালিটিৰ নাম থ'লে বৰদৈচিলা। তাৰ কাঁড়পাখি গজাৰ পৰত মাকে তাক এৰি মোমায়েকৰ ঘৰলৈ সকাম খাবলৈ বুলি গ'ল। মাকৰ পাছে পাছে পৰ্বত-ভৈয়াম সকলো উৰি বৰদৈয়ে মোমায়েকৰ ঘৰত বিহু খাবলৈ আৰু কাঁড় খেলাৰ উদ্দেশ্যে গ'ল। উচাহত উৰি যাওঁতে ওগ গছ-গছনি ভাঙিলে, বৰঘৰৰ মুধচ উৰালে, আনকি পাহাৰৰ ফুলবোৰো সিঁচৰতি কৰি থৈ গ'ল।

বৰদৈক মাকৰ ঘৰলৈ উভতি যাবলৈ সাধাৰণ মানুহে অনুৰোধ কৰিছে। উভতি আহোঁতে বৰপীৰা পাৰি বহুৱাই দৈ-পঁইতা দিম বুলিও কৈছে-

উভতি আহোঁতে দৈ-পঁইতা দিম,
বহুৱাম পাৰি বৰপীৰা।

এয়া আমাৰ লোক-সমাজে মানি অহা বিশ্বাস। বৰদৈচিলা আহিলে পীৰা, আইনা, ফণি আদি উলিয়াই মূৰ আঁচুৰিবলৈ দিয়া প্ৰথা আমাৰ সমাজত বৰ্তমানেও প্ৰচলিত। কবিতাটিত আইনা, ফণিৰ কথা নাই যদিও বৰপীৰা পাৰি বহুৱাই দৈ-পঁইতা দিম বোলা কথাষাৰ আছে।

বৰদৈচিলা অহাৰ বাতৰি পায়েই ছমাহৰ আগতেই বৰকাছই বালিত পাৰি যোৱা কণী ছয়অৰাৰ পোৱালি ওলাইছে, বালিৰ বৰগৰা খহিছে, মদাৰ ফুল উৰিছে, সাউদৰ নাও লুইতৰ বুকুত টুল-বুল কৰিছে আৰু বৰদৈচিলাক তুতি কৰিছে।

'বিহুৱান' নামৰ কবিতাত অসমৰ ৰন্ধন প্ৰকৰণ সম্পৰ্কেও উল্লেখ আছে-

সান্দন চিৰা-পিঠা তিলৰ লাৰু খোৱা
সোনকালে নাযাবা এৰি।

চ'ত মাহত বিচনীৰ বা লোৱা নহয়। লোক-বিশ্বাস আছে চ'ত মাহত বিচনীৰ বা ল'লে মূৰ ঘূৰণি হয়। সেয়ে ব'হাগ বিহুত গৰু বিহুৰ দিনা বিচনীৰ প্ৰথম বা লোৱা নিয়ম। মানুহ বিহুৰ দিনা পঁইতা ভাত খোৱা নিয়মো আছে। কবিতাটিত থুৰিয়া তামোল আৰু বিচনীৰ বাৰ কথা এনেদৰে আছে-

ৰূপৰে বটাতে থুৰিয়া তামোলে
ফুলাম পাটী হৈছে শুৱা,
বিহুদিনাখন দৈ পঁইতা খাই
বিচনীৰ বা লৈ যাবা।

'কৃষ্ণৰ নিদ্ৰাভঙ্গ'ত যশোদা আৰু কৃষ্ণৰ কথোপকথনৰ মাজেদি কেৱল কৃষ্ণ যশোদাৰে নহয় সাধাৰণ গৰখীয়া পুত্ৰ আৰু মাকৰ কথাহে যেন প্ৰকাশিত হৈছে। অসমৰ গ্ৰাম্য পৰিৱেশত কৃষ্ণ-যশোদা চৰিত্ৰ দুটি কবিয়ে অংকন কৰিছে। শংকৰদেৱৰ কীৰ্তন আৰু বৰগীতত অংকন কৰি যোৱা চিত্ৰটিকে বেজবৰুৱাই কি দৰে অংকন কৰিছে তালৈ মন কৰক-

যশোদা।........ক্ষীৰ-লৱণু বহীয়া পৰি চেৰেপাৰ বাহ হ'ল
পিঠা-পনা মোহনভোগ চেঁচা পৰি গ'ল।
গোহালি অঁতাই নন্দ পিতাৰে খৰি ফালে শুন,
ব্ৰজৰ বোৱাৰী দধি-মথেগাই হৰি-গুণ।..
কৃষ্ণ।.......... হালধীয়া চুৰিয়াডোখৰ তেলচিকটিৰে ভৰা,
ৰ'দ-বতাহত চা, মোৰ গা গোটেই টাটৰি পৰা।
কেৰু-এটাও কাণত নাই, লাতুৰমণি পিন্ধো,
ডিঙি হাতত একো নাই বনৰ ফুল বান্ধো।..

সংকলখনিত সন্নিৱিষ্ট 'দুৰ্যোধনে অশ্বত্থমাক', 'দৌপদীয়ে অৰ্জুনক', 'পৰীক্ষিতক শৃঙ্গীৰ শাপ', 'শমীকে শৃঙ্গীক' আদি কবিতা মহাভাৰতৰ কাহিনীৰ আধাৰত ৰচিত যদিও কবিয়ে মৌলিকত্বৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

উল্লিখিত আলোচনাৰ পৰা দেখা যায় বেজবৰুৱাই সাধাৰণ মানুহৰ জীৱন অধ্যয়ন কৰিছিল---কেৱল সাহিত্যই নহয়। যাৰ ফলত লোক-সাহিত্যৰ বিবিধ উপাদান স্বাভাৱিকভাৱেই তেওঁৰ সাহিত্য কৰ্মত সাঙোৰ খাই পৰিছিল। বেজবৰুৱাই শিপাৰ সন্ধান পাইছিল আৰু সেয়েহে সকলো সংকীৰ্ণতাৰ পৰা মুক্ত হ'ব বিচাৰিছিল। লিখিত সাহিত্যৰ মাজলৈ লোক-সাহিত্যৰ সমল আনি বেজবৰুৱাই তেওঁৰ সাহিত্যকে সমৃদ্ধ কৰা নাই, বৰঞ্চ লোক-সাহিত্যকো মৰ্যাদাপূৰ্ণ স্থানত উপবিষ্ট কৰিবলৈ সক্ষম হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ প্ৰধান বিষয় কি কি আছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৫.৫ বেজবৰুৱাৰ কবিতা 'মালতী'

### ৫.৫.১ 'মালতী' কবিতাটিৰ মূলপাঠ

**মালতী**

পূৱৰে ৰ'দতে চিক্‌মিক্ কৰিছে
লুইতৰ পাৰৰে বালি;
আকাশত উৰিছে তেনে চিকেমিকাই
বগলি জাকৰে লালি ।
পাৰতে কঁহুৱাৰ ফুলে চিকেমিকায়
পানীতে ফটিকৰ জোল;
মালতীৰ হাঁহিতে দাঁতে চিকেমিকায়
দেখোঁতেই আমোলমোল।
লুইতৰ কুঁৱৰী নহয় ঐ মালতী
নহয় তেওঁ ফুলৰে ৰাণী;
আকাশী পোহৰৰ নহয় তেওঁ প্ৰতিমা
নহয় তেওঁ বীণৰে বাণী।
পৰ্ব্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই;
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীত তুলনা পায়।
ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাবৰে বেহানি কৰে;
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।
চাম মই মালতীক ওৰে জীৱন জুৰি
থ'ম মোৰ বুকুতে বান্ধি;
মালতীৰ হাঁহিতে হাঁহিটি মিলাই মই
থাকিম কান্দোনতে কান্দি।
চেনেহী মালতীৰ কোলাত থৈ মূৰটি
মুদিম দুই চকুৰে পতা;
নিঠুৰ এই জগতৰ মেলানি মাগি ল'ম,
ঢুকাব সকলো কথা।

### ৫.৫.২ 'মালতী' কবিতাৰ বিষয়বস্তু

সূৰ্যোদয়ৰ লগে লগে হিৰণ-কিৰণ জ্যোতিৰে পূৱ আকাশত সূৰুয দেৱতা উদ্ভাষিত হয়। সূৰুয দেৱতাৰ ৰাঙলী পৰশত লুইতৰ দুয়োপাৰৰ ৰূপোৱালী বালি চিক্‌মিকাই

উঠে। নীলিম আকাশৰ বুকুৰে বগাকৈ বগলী পাখিতে পাখি লগাই উৰি যায়। মৃদু মলয়াৰ পৰশ লাগি হালি-জালি নাচি থকা-লুইতৰ পাৰৰ কঁহুৱা ফুলবোৰ জিলিকি উঠে। ফটিক সদৃশ লুইতৰ পানীত বেলিৰ বগা পোহৰ পৰি পানীখিনি সুন্দৰ হৈ পৰে। প্ৰকৃতি জগতৰ এই অনিৰ্বচনীয় সৌন্দৰ্য সুষমা মালতীৰ হাঁহিত যেন ধীৰে ধীৰে প্ৰকাশিত হৈছে।

কবিৰ মতে মালতী কোনো চকুৰে দেখাপোৱা সত্তা নহয় । নিৰ্দিষ্ট ৰূপ বা শাৰিৰীক অৱয়ব মালিতীৰ নাই। মালতী এক অনিৰ্বচনীয় সত্তা-যাক বাক্য মন আদিৰে ঢুকি পোৱা সম্ভৱ নহয়। মালতী কোন সেই বিষয়ে ক'বলৈ গৈ কবিয়ে মালতী কি নহয়-সেই বিষয়েহে প্ৰথমে উল্লেখ কৰিছে। লুইতৰ কুঁৱৰী মালতী নহয়, নহয় ফুলৰ ৰাণী অথবা কোনো প্ৰতিমা। মালতী বীণৰ অপূৰ্ব মূৰ্চ্ছনাও নহয়। ৰূপ সৌন্দৰ্যৰ অনন্ত ভাণ্ডাৰ স্বৰূপ পৰ্বতৰ জীয়াৰী গৌৰীৰ ৰূপৰ লগতো মালতীক তুলনা কৰিব নোৱাৰি। ইমানখিনিৰ লগত তুলনা কৰিব নোৱাৰি বুলি কৈ মালতীক কবিয়ে তুলনা কৰিছে-নুশুঙা ফুলৰ সৌৰভ আৰু ফুলি নুঠা ফুলৰ কলিৰ লগতহে। কাৰণ, নুশুঙা ফুলৰ সৌন্দৰ্য-সুষমাৰ বিষয়ে কোনো পূৰ্ব সিদ্ধান্ত ল'ব নোৱাৰাৰ দৰেই অবিকশিত ফুল কলিৰ সৌন্দৰ্যৰ বিষয়েও সুস্থিৰ সিদ্ধান্ত ল'ব নোৱাৰি; অনুমানহে কৰিব পাৰি। অন্তৰৰ পৰা অনুভৱ কৰি ভাৱটো ছবিখন বুকুৰ মাজত, মনৰ মাজত ৰাখিব পাৰি, কল্পনাহে কৰিব পাৰি।

মনোজগতত মালতীৰ সত্তা উপলব্ধি কৰিব পাৰি। ভাবৰ প্ৰতিমা মালতীয়ে ভাবুক প্ৰাণত ভাবৰ লীলা -খেলা কৰে। মালতীৰ প্ৰতি চেনেহ বাঢ়ে। বাঢ়ে আন্তৰিকতা।

মালতীক কবিয়ে আদৰি-সাদৰি হৃদয়ত স্থান দিছে। সুখে দুখে মালতীৰ লগত থাকিবলৈ প্ৰয়াস কৰিছে। জীৱনৰ বেয়া দিনৰ সময়তো কবিয়ে মালতীৰ কোলাত মূৰ থৈ নিষ্ঠুৰ আৰু নিৰ্মম জগতৰ পৰা বিদায় ল'বলৈ আশা কৰিছে। কাৰণ- মালতী কবিৰ ভাৱ জগতৰ দেৱী। মালতীৰ লগত কবিৰ নিবিড় সমন্ধ স্থাপনৰ হাবিয়াস কবিতাটিত প্ৰতিফলিত হৈছে।

### ৫.৫.৩ 'মালতী' কবিতাত ৰোমান্টিক কবিতাৰ লক্ষণ

'মালতী' কবি লক্ষ্মীনাথ বেজবৰুৱাৰ ৰোমান্টিক ভাৱাদৰ্শ প্ৰতিফলিত হোৱা শ্ৰেষ্ঠ কবিতা। কবিতাটিত কবিৰ ৰোমান্টিক ভাৱ-বিলাসিতাই ভাষাময় ৰূপ পৰিগ্ৰহ কৰি কবিতাটিক এক নতুন মাত্ৰা প্ৰদান কৰিছে। কলেৱৰত সৰু অথচ এই কবিতাত প্ৰতিফলিত হৈছে ৰোমান্টিক কবিতাৰ বিশেষত্বপূৰ্ণ কেইবাটাও লক্ষণ।

ৰোমান্টিক কবিতাৰ এটি প্ৰধান লক্ষণ কল্পনাৰ মুক্ত প্ৰকাশ। কবিৰ কল্পনাই পাখি-মেলি উৰিব পাৰে। উৰণৰ গতি স্বাভাৱিক। স্বতস্ফুত প্ৰকাশ ভঙ্গীৰে কবিৰ কল্পনাই এনে এক স্তৰলৈ পাঠকক লৈ যায় -য'ত পাঠক অভিভূত হৈ পৰে। মালতী কবিৰ মানস প্ৰতিমা, কল্পনাৰ কুঁৱৰী। সেই কুঁৱৰীৰ তুলনা প্ৰকৃতি জগতৰ কোনো বস্তুৰে লগত কৰিব নোৱাৰি। আলফুলীয়া আৱেগেৰে সিক্ত কবিতাটিত কবিয়ে মালতী কোন সেই কথা-ক'বলৈ গৈ মালতী কি কি নহয়-সেই কথা প্ৰথমে অৱতাৰণা কৰি পাঠকক কল্পনাৰ

জগত এখনলৈ লৈ গৈছে। প্ৰকৃতি জগতৰ সৌন্দৰ্যসম্পন্ন বিবিধ উপমাৰ আশ্ৰয় লৈ কবিয়ে কৈছে -ৰাতিপুৱাৰ সূৰুযৰ পোহৰত লুইতৰ বালিচৰৰ বালিবোৰ চিকমিকাই এক অনুপম সৌন্দৰ্যৰ সৃষ্টি কৰে। নীলা আকাশৰ বুকুৰে বগলী উৰি যাওঁতে বগা পাখিৰ ওপৰত সূৰুযৰ ৰশ্মি পৰি এক মনোৰম সৌন্দৰ্যৰ পোহাৰ মেলে। লুইতৰ দুয়োপাৰৰ কহুঁৱাবোৰত সূৰুযৰ ৰশ্মি পৰি জিকমিকাই উঠে আৰু লুইতৰ পানী ফটিকৰ ধাৰ যেন হৈ প্ৰবাহিত হয়। প্ৰকৃতিৰ এনে অনিৰ্বচনীয় সৌন্দৰ্যৰ লগত কবিয়ে তেওঁৰ মানস কুৱঁৰী মালতীৰ ডালিমগুটীয়া দাঁতৰ হাঁহিটোৰ তুলনা বিচাৰি পাইছে। মন কৰিবলগীয়া কথাটি হ'ল-ইয়াত কবিয়ে বৰ্ণনা কৰা সকলো বস্তুৱেই বগা। লুইতৰ বালি বগা, বগলী বগা, কঁহুৱাৰ ফুল বগা, লুইতৰ পানী বাগ আৰু মালতীৰ দাঁত বগা। কবিৰ কল্পনাৰ মুক্ত প্ৰকাশৰ বাবেহে এনে বৰ্ণনা সম্ভৱ হৈছে-

পুৱৰে ৰ'দত চিকমিক কৰিছে
লুইতৰ পাৰৰে বালি,
আকাশত উৰিছে তেনে চিকমিকাই
বগলী জাকৰে লালী।
পাৰতে কঁহুৱাৰ নলে চিকেমিকাই
পানীতে ফটিকৰ জোল,
মালতীৰ হাঁহিতে দাঁতে চিকেমিকাই
দেখোঁতেই আমোল মোল।

প্ৰকৃতি প্ৰীতি ৰোমান্টিক কবিতাৰ এটি অন্যতম বিশেষত্ব। প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্য ৰাশি কবিসকলে কবিতাৰ জৰিয়তে জনসাধাৰণৰ সন্মুখত দাঙি ধৰি নিজেও তৃপ্তি পাই আৰু আনকো তৃপ্ত কৰি তোলে। প্ৰকৃতিৰ সাধাৰণ বস্তুত অসাধাৰণত্ব আৰোপ কৰাৰ লগতে প্ৰকৃতিৰ বুকুত আশ্ৰয় লৈ শান্তি লাভ কৰিব বিচাৰে। মালতী কবিতাত পুৱাৰ সূৰুয, লুইতৰ বালি, আকাশেদি উৰি যোৱা বগলীৰ জাক, নৈ, নৈৰ পাৰৰ ৰূপোৱালী কঁহুৱা, ফুল, আকাশী পোহৰ- এই সকলো উপাদান প্ৰকৃতিৰ। কবিয়ে প্ৰকৃতিৰ পৰা সমল লৈয়ে কল্পনাৰে জীপাল কৰি মালতী কবিতাটি ৰচনা কৰিছে। য'ত প্ৰকৃতি আৰু মালতীৰ ৰূপ সৌন্দৰ্যৰ তুলনা এটি অঙ্কণ কৰি কবিতাটি অধিক সুন্দৰ আৰু গতিশীল ভাৱ প্ৰকাশৰ বাহক কৰি তুলিবলৈ প্ৰয়াস কৰিছে। কবিতাটিৰ নামকৰণত থকা 'মালতী'ক প্ৰথমে পাঠকে ফুল এপাহ বুলি ভবাৰ থল ৰাখিছে যদিও কবিতাটিৰ শেষৰ ফালে সেয়া যে এপাহ ফুলৰ বৰ্ণনা নহয় সেয়া স্পষ্ট হৈ পৰিছে।

সৌন্দৰ্যৰ আৰাধনা ৰোমান্টিক কবিতাৰ অন্য এটি বিশিষ্ট লক্ষণ। সম্ভাৱনাতে সৌন্দৰ্য লুকাই থাকে। নুফুলা ফুলটিত আৰু নুশুঙা ফুলটিৰ মাজত কবিয়ে বিচাৰি পোৱা সৌন্দৰ্য চমকপ্ৰদ। কবি চন্দ্ৰকুমাৰ আগৰৱলাই অৰ্ধ বিকশিত অৱস্থাত সৌন্দৰ্য বিচাৰি পাইছিল 'মাধুৰী' কবিতাৰ মাজত। বেজবৰুৱাই তাতোকৈ এঢাপ আগুৱাই গৈ বিকাশৰ সম্ভাৱনাতহে সৌন্দৰ্যৰ সন্ধান আৰু স্বৰূপ বিচাৰি পাইছে। মালতীত সেই বিষয়ে তেওঁ এনেদৰে কৈছে-

ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাবৰে বেহানি কৰে,
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।

প্ৰতিটো বিষয়কে ৰোমাণ্টিক কবিসকলে ব্যক্তিনিষ্ঠভাবে আলোকপাত কৰি অন্তৰ্জগতৰ সন্ধান দি আৰু ব্যক্তিগত অনুভূতিক কল্পনাৰে সিক্ত কৰি প্ৰকাশ কৰা 'মন্ময় ধৰ্মিতা' গুণ দেখিবলৈ পোৱা গৈছিল। মালতী কবিতাত কবিৰ এই মন্ময় ধৰ্মিতা প্ৰকাশ পাইছে-

চাম মই মালতীক ওৰে জীৱন জুৰি
থ'ম মোৰ বুকুতে বান্ধি
মালতীৰ হাঁহিতে হাঁহিটি মিলাই মই
থাকিম কান্দোনতে কান্দি।

বিকাশৰ সম্ভাৱনাৰ মাজতে সৌন্দৰ্যৰ সন্ধান কৰাৰ বাবেই বেজবৰুৱাৰ মালতীত নশুঙা ফুল, নুফুলা ফুলৰ প্ৰসঙ্গ আহিছে। যাক এনেধৰণৰ সম্ভাৱনাৰে সিক্ত কোমল অনুভূতিৰ মাজত বিচাৰি পায় বুলি কবিয়ে কৈছে- তেওঁৰ কোলাত মূৰ থৈ ইহ জগতৰ পৰা মেলানি মাগিলেই সকলো যন্ত্ৰণা নাইকিয়া হ'ব বুলি ভবাটোত ৰোমাণ্টিক কবিসকলৰ বাস্তৱ বিমুখিতাৰ ধাৰণাটো স্পষ্ট হৈ পৰিছে। কবিয়ে এই সুন্দৰ জগতখনক 'নিঠুৰ এই জগতৰ' বুলি কোৱাৰ আঁৰত বাস্তৱৰ অভিজ্ঞতা আছিল যেন ধাৰণা আহে। তেওঁ বাস্তৱৰ লগত যুঁজ দিয়াৰ প্ৰয়াস নকৰি মালতীৰ প্ৰেমৰ মাজেৰে জীৱনৰ পৰিসমাপ্তি বিচৰা কথাটোৱে ৰোমাণ্টিক ভাৱ ধাৰাকে ব্যক্ত কৰিছে বুলি পাঠকৰ মনত প্ৰত্যয় জন্মে।

গীতিময়তা আৰু ছন্দৰ গতিশীলতা, চিত্ৰধৰ্মী বৰ্ণনা মালতীৰ বিশেষ সম্পদ হিচাপে পৰিগণিত হৈছে। 'লুইতৰ চাপৰি বগী ধকে ধকি/ কাছই কণী পাৰে লেখি' এই বিহুনাম ফাঁকিত উল্লেখ থকা বৰ্ণনাৰ মাজতো বগাৰ উল্লেখ আছে। গতিশীল ছন্দেৰে কবিয়ে বিহু নামৰ ভাবনা এটিক এটি মৌলিক কবিতালৈ ৰূপান্তৰ কৰিছে বিহুনামৰ ছন্দসজ্জা আৰু গীতিময় ৰূপেৰে। ইয়াতেই কবিৰ মৌলিক প্ৰতিভাৰ পৰিচয় ফুটি উঠে। মালতী মূলতঃ প্ৰেমৰ ভাবনাৰে সিক্ত কবিতা, সেই প্ৰেম তলসুঁতিয়া।

**আত্মমূল্যায়ন প্ৰশ্ন**

'মালতী' কবিতাটিত ৰোমাণ্টিক কবিতাৰ কি কি দিশ পৰিস্ফুট হৈছে?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৫.৬ সাৰাংশ (Summing Up)

লক্ষ্মীনাথ বেজবৰুৱাৰ এটি শ্ৰেষ্ঠ ৰোমাণ্টিক কবিতা হ'ল 'মালতী'। কলেৱৰত সৰু যদিও এই কবিতাটিত ৰোমাণ্টিক কবিতাৰ কেইবাটাও গুৰুত্বপূৰ্ণ লক্ষণ দেখিবলৈ পোৱা যায়। ৰোমাণ্টিক কবিতাৰ এটা প্ৰধান লক্ষণ কল্পনাৰ মুক্ত প্ৰকাশ। মালতী যেন কবি বেজবৰুৱাৰ কল্পনাৰ কুঁৱৰী। প্ৰকৃতিপ্ৰীতি এই কবিতাটিৰ অন্য এটি প্ৰধান বৈশিষ্ট্য। কবিয়ে প্ৰকৃতিৰ পৰা সমল লৈ কল্পনাৰে জীপাল কৰি কবিতাটি ৰচনা কৰিছে। ৰোমাণ্টিক কবিতাৰ অন্য এটি প্ৰধান বিশেষত্ব সৌন্দৰ্য্যৰ আৰাধনা কবিতাটিত প্ৰধান সমল। বিকাশৰ সম্ভাৱনাৰ মাজতে সৌন্দৰ্য্যৰ সন্ধান কৰাৰ বাবে বেজবৰুৱাৰ 'মালতী' কবিতাটিত নশুঙা ফুল, নুফুলা ফুলৰ প্ৰসঙ্গ আহিছে। গীতিময়তা আৰু ছন্দৰ গতিশীলতা, চিত্ৰধৰ্মী বৰ্ণনা কবিতাটিৰ বিশেষ সম্পদ।

## ৫.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰক।
২। ৰোমাণ্টিক কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাক বিচাৰ কৰক।
৩। 'মালতী' কবিতাৰ বিষয়বস্তু পৰ্যলোচনা কৰক।
৪। 'মালতী' কবিতাটিত ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ কেনেদৰে ফুটি উঠিছে, ফঁহিয়াই দেখুওৱাক।
৫। 'কল্পনা আৰু সৌন্দৰ্য্যৰ আৰাধনা মালতী কবিতাটিত মূল সম্পদ' কথাষাৰি বিচাৰ কৰক।

## ৫.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। তালুকদাৰ, নন্দ ঃ 'কবি আৰু কবিতা', বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, জুলাই, ১৯৯৫
২। তামুলী, লক্ষ্মীনাথ (সংকলক আৰু সম্পাদক) ঃ 'ঊষা', অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ, চেপ্তেম্বৰ, ২০০৮
৩। দাস, শোণিত বিজয়, বায়ন, মুনিন (সম্পা.) ঃ 'কথা বৰেণ্য 100', কথা গুৱাহাটী, ২০০৬,
৪। নাথ, ধ্ৰুৱজ্যোতি (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ আৰু বিশ্লেষণ', বনলতা, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০০০
৫। নেওগ, মহেশ্বৰ (সম্পা.) ঃ 'সঞ্চয়ন', সাহিত্য অকাডেমী, পঞ্চদশ মুদ্ৰণ, ২০০৩
৬। পূজাৰী, ৰাজেন আৰু কন্দলী, মুকুল (সম্পা.) ঃ 'আধুনিক অসমীয়া ভাষা সাহিত্যৰ কেইজনমান পুৰোধা', অসম সাহিত্য সভাৰ একসপ্ততিতম দেৰগাঁও অধিবেশনৰহৈ এন.এল. পাব্লিকেচনচ, পাণবজাৰ, গুৱাহাটী, ২০১১

৭। ফুকন, কবীন ঃ 'চন্দ্রকুমাৰ আগৰৱালা', সাহিত্য অকাডেমী, ২০০৩
৮। বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক) ঃ 'ঐতিহ্যঃ অসমীয়া সাহিত্য', হেৰিটেজ আচাম, প্ৰথম প্ৰকাশ, মে' ২০০৭
৯। বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ 'কবিতাৰ সৌৰভ', বনলতা, অক্টোবৰ, ১৯৯৬
১০। শইকীয়া, নগেন (সম্পা.) ঃ 'চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ', বনলতা, ১৯৯৩
১১। শইকীয়া, নগেন (সম্পা.) ঃ 'জোনাকী' (একত্ৰ সংকলন), অসম সাহিত্য সভা, জানুৱাৰী, ২০০১
১২। শৰ্মা, বেণুধৰ (সম্পা.) ঃ 'পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী', অসম সাহিত্য সভা, ১৯৭২
১৩। শৰ্মা, সত্যেন্দ্ৰনাথ (মুখ্য সম্পাদক) ঃ 'জ্যোতিপ্ৰসাদ ৰচনাৱলী', অসম প্ৰকাশন পৰিষদ, চতুৰ্থ সংস্কৰণ, ১৯৯৯
১৪। শৰ্মা, শশী ঃ 'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা', অসম সাহিত্য সভা
১৫। হাজৰিকা, অতুল চন্দ্ৰ ঃ 'বেজবৰুৱা গ্ৰন্থাৱলী', প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ।

*****